# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখ ঃ ০৭/০২/২০১৮ বুধবাৰ

**পুৱা ৯.৩০ বজাৰ লগে লগে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত ইংৰাজী ০৭-০২-২০১৮ তাৰিখৰ অসম বিধান সভাৰ বাজেট অধীবেশনৰ দ্বিতীয় দিনৰ কাৰ্য্যবিৰৰণী আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং -১ শ্ৰীৰবিৰাম নাজাৰ্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীৰবিৰাম নাজাৰ্ৰীঃ** অনাৰেবল স্পীকাৰ চাৰ, ২০১৭-১৮ বিত্তীয় বৰ্ষৰ যিখন বাজেট আমাৰ মাননীয় বিত্তমন্ত্ৰী দেৱে এই পবিত্ৰ সদনত পাঠ কৰিছিল, তাত গোটেই অসমতে আন্তৰাজ্যিক বাছ আস্থান নিৰ্মাণ কৰাৰ বাবে কিছুমান প্ৰস্তাৱ লোৱা হৈছিল আৰু তাতে আমাৰ কোকৰাঝাৰৰ ফকিৰাগ্ৰামতো এটা আই এচ বি টি নিৰ্মাণ কৰাৰ বাবে উল্লেখ কৰা আছিল। এই বিষয়টো লৈ মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত সু সৰ্ম্পক ৰক্ষা কৰি ফকিৰাগ্ৰামত মাটি আৱন্টণ লৈ আই এচ বি টিটো নিৰ্মান কৰাৰ বাবে Plan and estimate submit কৰা হৈছিল, কিন্তু এতিয়া পৰ্য্যন্ত বিত্তীয় মঞ্জুৰী , পোৱা নাই। এতিয়া স্থানীয় ৰাইজৰ মাজত সন্দেহ হৈছে যে সঁচাকৈ আই এচ বি টিটো নিৰ্মান কৰা হ'বনে নে নাই? গতিকে ইয়াত যিহেতু মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে এতিয়ালৈকে বিত্ত বিভাগৰ পৰা কোনো ধৰণৰ বিত্ত মঞ্জুৰী পোৱা নাই। এতিয়া চলিত বছৰত ধন ধাৰ্য্য কৰা আছে বুলি কৈছে। আমাৰ পৰিবহণ মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ এটা প্ৰশ্ন আছে ফকিৰাগ্ৰাম বাছ-আস্থান নিৰ্মাণ কৰাৰ বাবে যিটো পুঁজি ধাৰ্য্য কৰা হৈছিল সেই পুঁজিটো এই বছৰত বিত্তীয় বিভাগৰ পৰা মঞ্জুৰী আদায় কৰিবৰ কাৰণে তেখেতৰ বিভাগৰ পৰা কি ব্যৱস্থা হাতত ল'ব? আৰু এই বছৰতে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হ'বনে নে নাই? মই জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** -- মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো সত্য যে যোৱা বাৰ আমাৰ দুটা আই এচ বি টি নিৰ্মাণ কৰাৰ বাবে প্ৰস্তাৱ বাজেট স্পীচত আছিল। সেই অনুসৰি আমি কোকৰাঝাৰত প্ৰায় ২৯ কোটি ১৭ লাখ টকাৰ এটা Plan estimate দিয়া হৈছিল। এইটো এতিয়ালৈকে আমি finance ৰ পৰা sanction টো পোৱা নাই। আমি financeত moov কৰিছিলো , আকৌ আমি financeত moov কৰিছো । গতিকে এতিয়া ফাইনেন্সে এইটো reegret কৰিছিল। আমি ফাইলটো পুনৰ financeলৈ পঠিয়াইছো। গতিকে মই ভাবো বিত্তীয় অনুমোদন আমি লাভ কৰিম। ফকিৰাগ্ৰামত যিটো আই এচ বি টি দিয়া হৈছে তাতে অলপ technical problem আছে। ফকিৰাগ্ৰামত ৩ বিঘামান মাটি আমাক দিছে। মাটিটো Transport department ক দিব লাগিছিল, কিন্তু দিছে আই এচ বিটি , প্ৰেচিডেন্ট -চেক্ৰেটেৰী, ফকিৰাগ্ৰাম। এইটো সৰু technical problem solved হৈ যাব। আৰু এটা হ'ল বি টি চিৰ চেক্ৰেটেৰী ওচৰলৈ অন্য এখন চিঠি দিয়া হৈছে, অন্য এটা ঠাইৰ পৰা দিয়া হৈছে যে, কোকৰাঝাৰৰ ওচৰত আই এচ বি টি দিব লাগে। গতিকে মাননীয় সদস্য গৰাকীক মই যোৱা বাৰে কৈছিলো, আমি কোকৰাঝাৰতে আই এচ বি টিটো কৰিম , মাটি অলপ বেছি লাগিব। আই এচ বি টি টোৰ প্ৰভিজন

আমাৰ বাজেটত আছে। বিত্ত বিভাগৰ senction সাপেক্ষে আমি এইটো ভালকৈ কৰাৰ সিদ্ধান্ত লৈছো। তাৰ কাৰণে ২৯ কোটিতকৈ অধিক টকা আমি আই এচ বি টি টোত খৰছ কৰাৰ বাবে plan and estimate আমি দিছো। বিত্ত বিভাগৰ অনুমোদন পোৱাৰ পিছতে এইটো কাম আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ আৰু কিবা আছে নেকি?

**শ্ৰীৰবিৰাম নাজাৰ্ৰী, পশ্চিম কোকৰাঝাৰ ঃ** আই এচ বি টি বনাবৰ কাৰণে যিমানখিনি মাটিৰ আবন্টন আমাৰ বি টি চি কৰ্তৃপক্ষৰ পৰা পোৱা হৈছে সেইখিনি যদি পৰ্য্যাপ্ত পৰিমানে নহয় ইয়াৰ কাৰণে কিমানখিনি আৰু মাটি দিব পৰা পজিচনত আমি আছো গতিকে মাটি আৰু কিমান লাগিব সেইটো জনালে ভাল হ'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয় এই আই এচ বি টিটো ত ৩ খন state connect কৰিব। বেংগল- গেংটক connect কৰিব, গতিকে এই আই এচ বি টিটো অলপ ভালকৈ কৰিলে ভাল। আমাৰ গুৱাহাটীৰ আই এচ বি টিটোৰ দৰে কৰিব লাগিব। গতিকে মাটি অলপ বেছি লাগিব। ইতিমধ্যে আমি বি টি চিলৈ আৰু অলপ মাটি বিচাৰি চিঠি লিখাৰ ব্যৱস্থা কৰিছোঁ। আমি মাননীয় সদস্য গৰাকীক প্ৰতিশ্ৰুতি দিলো যে বিত্ত বিভাগৰ অনুমোদন পোৱাৰ লগে লগে কাম কৰিম। এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অলপতে আমাক কৈছে যে সেইটো অঞ্চলত এটা ভাল বাছ স্থান হ'ব লাগে যাতে বাকী state কেইখনক connect কৰিব পৰা যায়। গতিকে এইটো হোৱাটো নিশ্চিত। বিত্ত বিভাগে অনুমোদন দিব। considering the urgency of the mater need of the time। আমি এই আই এচ বি টি টো ভালকৈ কৰাত গুৰুত্ব দিছো এই কাৰণে যে, আমাৰ বিশেষকৈ বঙাইগাওঁ জিলা - ধুবুৰী জিলা, আৰু কোকৰাঝাৰৰ কিছু অঞ্চলৰ লগতে বেংগলৰ লগতো আমাৰ বহু সম্পৰ্ক আছে। তাত প্ৰাইভেট অপাৰেটৰে চলোৱা বহু বাছ আছে। সেইবিলাক তাত ৰেগুলেচন ঠিক কৰি চলা নাই , সেই কাৰণে এইটো কথাত আমি অলপ চিৰিয়াচ। গতিকে প্ৰতিশ্ৰতি অনুসৰি ফকিৰাগ্ৰামত আমি আই এচ বি টিটো নিশ্চিতভাবে কৰিম। বিত্ত বিভাগৰ অনুমোদন পোৱা ৰ লগে লগে কাম আৰম্ভ কৰিম আমি প্ৰতিশ্ৰুতি দিলো।

**মাননীয় অধ্যক্ষঃ** পদ্ম হাজৰিকা ডাঙৰীয়া।

**শ্ৰীপদ্ম হাজৰিকা, চতিয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, পৰিবহণৰ ক্ষেত্ৰত বিশেষকৈ মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিবলৈ ওলাইছো যে নৰ্থ বেংকটো সকলো ক্ষেত্ৰতে অৱহেলিত হৈ আছে। নৰ্থ বেংকত বাছৰ কথাটো বাদ দিছো, কিন্তু আজি বাছ আস্থানবিলাক যদি চায় , আটাইতকৈ জৰাজীৰ্ণ ঘৰকেইটা হ'ল পৰিবহন নিগমৰ আস্তান। কি কাৰনে আজি ২৫ বছৰে এই ঘৰবিলাক চুণ-তেল সনা বা আন কোনো ৰিপিয়েৰিঙৰ ব্যৱস্থা কৰা নাই। তদুপৰি আস্থানসমূহৰ মাটি বেদখল হৈছে। ঘৰ সমূহ ভাঙি ছিগি গৈছে। চকী-বেঞ্চত মানুহ বহিব নোৱাৰা অৱস্থা, টয়লেটত মানুহ সোমাব নোৱাৰা অৱস্থা। এই নৰ্থ বেংকটোক বিশেষভাৱে গুৰুত্ব দিবৰ বাবে আৰু ৰিপিয়েৰিঙৰ বাবে অতি সোনকালে ধন ধাৰ্য্য কৰিবৰ কাৰনে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, কিছু বাছ-আস্থান আজি অতি বেয়া অৱস্থাত আছে এইটো হয়। আমাৰ মাননীয় বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়াই কোৱা মতে আমাৰ জামুগুৰিৰ বাছ আস্থানটোৰ মাটিখিনি ভাল স্থানত আছে। কিন্তু বাছ-আস্থানটো সিমান ভাল অৱস্থাত নাই। নোহোৱাৰ কাৰণটো হ'ল যে বৰ্ত্তমান এ এচ টি চিৰ পুঁজি

নাই। গতিকে পদ্ম হাজৰিকা ডাঙৰীয়াই কোৱাধৰণে বিহপুৰীয়া, গহপুৰ , মঙ্গলদৈ ইত্যাদিকে ধৰি বহু ঠাইত বাছ আস্থানবিলাক বেয়া অৱস্থাত আছে, তাৰ কাৰণটো হ'ল এ এচ টি চি বৰ্ত্তমান লষ্টত চলি আছে আমাৰ পইচা নাই। সেই কাৰণে এই ক্ষেত্ৰত বিত্ত বিভাগত আমি এতিয়া প্ৰস্তাৱ moov কৰিছো। যে বাছ-আস্থানবিলাক ৰিপেয়েৰিঙৰ কামৰ বাবে আমাক পুঁজি দিব লাগে, বাজেটত পইচা ধাৰ্য্য কৰিব লাগে। তাৰ ওপৰিওTransport department ৰ যিবিলাক মাটি ভাল ঠাইত আছে, তাত আঁচনি লোৱাৰ বাবে চৰকাৰে নিশ্চয় সিদ্ধান্ত ল'ব লাগিব। চৰকাৰে সেই মাটিখিনি ব্যৱহাৰৰ বাবে বাজেটত ধন ধাৰ্য্য কৰিব লাগে নতুবা পি পি পি মোডত হ'লেও ধন দিব লাগে যাতে মাটিখিনিত দোকান- পোহাৰ, মাৰ্কেট কমপ্লেক্চৰ কাম কৰিব পৰা হয়। এনেধৰণৰ চিন্তা চৰ্চা আমি কৰি আছো। লগতে আমি পদ্ম হাজৰিকা ডাঙৰীয়াক এইটো কথাও অনুৰোধ জনাওঁ যে তেজপুৰতো আমাৰ আই এচ বি টি কৰাৰ প্ৰস্তাৱ আছে। তেজপুৰতো আমি এটা আই এচ বি টি কৰিম। বিত্ত বিভাগৰ অনুমোদন সাপেক্ষে আমি বেয়া অৱস্থাত থকা বাছ আস্থানসমূহ কিবা এটা নিশ্চয় ব্যৱস্থা কৰিম। পদ্ম হাজৰিকা ডাঙৰীয়াৰ জামুগুৰি বাছ আস্থান বেয়া অৱস্থাত আছে। তেনেকৈ গহপুৰ, বিহপুৰীয়া বাছ আস্থানো বেয়া অৱস্থাত আছে। আমি ৰিপিয়েৰিঙৰ ব্যৱস্থা কৰিম। বহপুৰীয়াৰ গহপুৰত বাছ আস্থান বেয়া অৱস্থাত আছে । এ এছ টি চিত পইচা নাই । বৰ্তমান লছত চলি আছে । এই ক্ষেত্ৰত আমি বিত্ত বিভাগত প্ৰস্তাৱ মোভ কৰিম যে আমাৰ বাছ আস্থান বিলাকৰ কাৰণে পইচা বাজেটত ধাৰ্য্য কৰিব লাগে আৰু ট্ৰেন্সপোৰ্টৰ যিবিলাক ভাল ভাল ঠাইত মাটি আছে- এই ক্ষেত্ৰতো চৰকাৰে কিবা এটা সিদ্ধান্ত নিশ্চয় ল'ব লাগিব যে এই বাছ আস্থান বিলাক যিহেতু ভাল স্থানত আছে বহুত মাটি আছে হয়, চৰকাৰে এইটো বনোৱাৰ কাৰণে বাজেটত পইচা দিব লাগে নহ'লে এটা পি পি মোডত হ'লেও এই কামখিনি কৰিবলাগে যাতে তাত মাৰ্কেট কমপ্লেস্ক, দোকান আদি হয় এনেকুৱা ধৰণৰ চিন্তা চৰ্চা আমি কৰি আছো । গতিকে আমি পদ্ম হাজৰিকা ডাঙৰীয়াক অনুৰোধ জনাওঁ যে তেজপুৰতো আমি ISBT বনাম কাৰণ অৰুণাচলৰ লগত সংযোগ কৰাৰ প্ৰয়োজন। গতিকে তেজপুৰতো ISBT বনোৰৰ কাৰণে অনুমোদন প্ৰস্তাৱ আছে আৰু এই বিত্তীয় অনুমোদন সাপেক্ষে আমি বাছ আস্থান বিলাক কৰাৰ ব্যৱস্থা লম। পদ্ম হাজৰিকা ডাঙৰীয়াৰ জামুগুৰি বাছ আস্থানটো খুব বেয়া অৱস্থাত আছে । গহপুৰ, বিহপুৰীয়াও বেয়া অৱস্থাত আছে । গতিকে গোটেই অসমত বাছ আস্থান বিলাক বেয়া অৱস্থাত আছে আৰু আটাইতকৈ most valueable land হ'ল ASTC ৰ মাটি । গতিকে চৰকাৰে এটা সিদ্ধান্ত লব লাগিব, নিতি এটা চৰকাৰে লব লাগিব, হয় এই বাছ আস্থান বিলাক আমাক বিত্ত বিভাগে পইচা দিয়ক আমি ভালকৈ বনাম, নহয় এই বাছ আস্থান বিলাক পি পি মোডত যাবলৈ চৰকাৰে অনুমতি দিয়ক। যাতে তাতে লৰা-ছোৱালী বিলাকৰ সংস্থাপনো হয়, দোকান - পোহৰো হব আৰু অঞ্চলটোৰো উন্নতি হব। গতিকে এইটো কথা বিবেচনা কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু অসমৰ আন্তঃৰাজ্যিক বাছস্থানৰ কথা কোৱা হৈছে। **১৯৯৯** চনত প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেইয়ে দিল্লীৰ পৰা ভাগা বোৰ্ডাৰ হৈ পাকিস্তানৰ লাহোৰলৈ বাছ সেৱা আৰম্ভ কৰিছিল । চুটাৰকাণ্ডি দি Import Export হৈ land border আছে। আমি এই অঞ্চলটোয়েদি বাছ সেৱা কিয় আৰম্ভ কৰিব নোৱাৰি। যদি এইটো অঞ্চলেদি বাংলাদেশৰ পৰাও বাছ সেৱা আৰম্ভ কৰিব পাৰি, নৰ্থ-ইষ্টৰ মানুহ উপকৃত হ'ব আৰু লগতে আমি Foreign money earn কৰিব পাৰিম। এইটো ক্ষেত্ৰত

মন্ত্ৰী মহোদয়ে  কিবা ব্যৱস্থা ল'ব নেকি ?

**শ্ৰী চন্দমোহন পাটোৱাৰী, পৰিবহণ মন্ত্ৰী ঃ** ইতিমধ্যে আমাৰ Asian Country আৰু BBN Country সমূহৰ লগত আমাৰ এটা প্ৰটোকল চুক্তি হৈছে। গতিকে প্ৰস্তাৱটো বেয়া হৈছে এইটোত MEA অনুমতি লাগিব, ভাৰত চৰকাৰৰ অনুমতি লাগিব,  ৰাজ্য চৰকাৰে প্ৰথমে MEA মোভ কৰিব লাগিব।  এইটো আমি নিজে ASTC চলোৱা কথা নহয়। গতিকে এইটো মই পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ইয়াৰ পিছৰ প্ৰশ্ন শ্ৰী আমিনুল ইছলাম.

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰটোত এটা অতি ভয়ঙ্কৰ ছবি ফুটি উঠিছে যে চলিত  বছৰত বানপানীত অসমত কৃষক সকলৰ কিমান ক্ষতি  হৈছে । দেখা গৈছে যে অসমত **২৯** খন জিলাত প্ৰায়  **৩.৯৮**  লাখ হেক্টৰ কৃষিভুমি ক্ষতিগ্ৰস্থ হৈছে। SDRF মেনুৱেলৰ অনুসৰি **২২,৬০,৫৩৬.৬৫**  কোটি টকা অসমৰ কৃষকৰ ক্ষতি হৈছে । গতিকে অসমৰ নিচিনা অনুন্নত ৰাজ্যৰ বহুত ডাঙৰ কথা যে এটা বছৰত বানপানীত কৃষকৰ ক্ষতি হোৱাটো । তাৰ পিছত ইয়াত যিটো ক্ষতি পূৰণ দিয়াৰ কথাটো চৰকাৰে উল্লেখ কৰিছে যে ইয়াত মাত্ৰ **১৪** খন জিলাৰ এটা দাটা দিছে, তাত **২,৫১, ৫১৬** টা পৰিয়ালৰ কাৰণে **৮৩,৪৬,২২৬৫** টকা ক্ষতি পুৰণ বিচাৰিছে। কিন্তু ক্ষতি পুৰণ চৰকাৰে কাকো দিয়া নাই এতিয়াও, বিচৰা হৈছে বুলি কৈছে। ইয়াত কেৱল মাজুলী জিলাত ক্ষতি  পুৰণৰ ফাইলটো ইতিমধ্যে Commissioner & Secretary to the Govt. of Assam, Revenue & Disaster Management ক দিয়া হৈছে এইটো ক্ষতি  পুৰণৰ বাবে, বাকী কেইখন জিলাত আহিছে নে নাই, এতিয়ালৈকে কৃষকে য'ত **২৩** লাখ কোটি টকাৰ ক্ষতি হৈছে । এই ক্ষতি পূৰণ কৰ'বাত পাইছে নেকি ইয়াত উল্লেখ কৰা নাই। গতিকে এই **৮৩** কোটি টকাৰ খতি পূৰণ বিচৰা হৈছে বুলি কৈছে, এইটো কোন পৰ্য্যায়ত আছে বা কোনে দিব খতিপূৰণটো, এই কথাটো ইয়াত স্পষ্ট হোৱা নাই।

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত স্পষ্ট  ভাৱে তেখেতৰ উত্তৰতো উল্লেখ কৰিছিলো যে ৰাজহ আৰু ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি চলিত বছৰত বানপানীৰ ফলত ৰাজহ চক্ৰ অনুযায়ী খতিগ্ৰস্ত হোৱা অসমত কৃষিভূমিৰ মুঠ পৰিমাণ **৩,৯৭,৯১০.২৫** হেক্টৰ , বিঘা হিচাপে **২৯** লাখ বিঘা।  এই কথাটো ইয়াত উল্লেখ কৰিছো যে SDRF ৰ মেনুৱেলৰ মতে ইয়াৰ ক্ষয় খতিৰ পৰিমাণ **২২৬** কোটি টকা। এইটো **২৩** লাখ নহয়। আমি এইটো প্ৰথমবাৰৰ কাৰণে ইয়াত প্ৰয়াস কৰিছো। এইবাৰ কেইবাটাও ফেজত বানপানী হৈছে, এইটো আমি অস্বীকাৰ কৰা নাই। যাতে স্বস্বতা ৰাখি DBT system ত যাতে কৃষকক সহায় কৰিব পাৰো। আৰু আপুনি যিটো **৮৩** লাখ বুলি কৈছে, ইয়াক দিবলৈ ব্যৱস্থা কৰিছো। আজিৰ পূৱাৰ ভাগতো আমাৰ সতীৰ্থ আৰু মূখ্য সচিবৰ লগতো আলোচনা কৰিছো এই বিষয়টো লৈ আমি কিমান সোনকালে দিব পাৰিম। DBT system ত দিলে মই ভাৱো যে খেতিয়ক বিলাক আচল যিসকলে পাব লাগে সেই সকলে পাব। আৰু আপোনালোকে জানি সুখী হ'ব যে এনেকুৱা  বানপানী হোৱাৰ পিছতো হুৰ-পোকৰ আক্ৰমণৰ পিছতো এইবাৰ production কিন্তু ভাল হৈছে আমি ব্যৱস্থা লোৱাৰ কাৰণে। ইয়াৰ উপৰিও কমিনিটি নাৰ্চাৰী আমি কৰিছিলো। কীতনাশক দ্ৰব্যও আমি সেই সময়ত দিছিলো। আৰু যিমান পাৰো আমি এইখিনি দিবৰ কাৰণে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিছো। Chief Secretary হৈছে এই কমিটিখনৰ Chairman । খুব সোনকালে বহি পেলাই এই

ক্ষেত্ৰত সিদ্ধান্ত লোৱা হ'ব বুলি আজি পূৱাৰ ভাগত মোক জনাইছে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা হ'ল যে যেতিয়া মানুহ ক্ষতিগ্ৰস্ত হয়, তাৰ পিছ মূহুৰ্তত যদি **১৫** দিন, **১** মাহ বা ডেৰ মাহৰ ভিতৰত ক্ষতি পুৰণটো পায় তেনেহলে সকাহ পায়, এতিয়া আৰু এটা বানপানীৰ সময় হৈ গ'ল এতিয়ালৈকে আমাৰ system আছে, আৰু এটা বানপানীৰ পিছত যদি পায়, আগৰটোৰ কথাটোই নাহে। এই ক্ষেত্ৰত কিন্তু আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে বানপানীৰ সময়ত এটা কথা কৈছিল যে আমাৰ কেন্দ্ৰৰ পৰা কোনো Fund নালাগে, আমাৰ Fund available আছে। প্ৰশ্ন এটা মোৰ মনত জাগিছিল তাৰ মানে জম্মু-কাশ্মীৰত **১০** হাজাৰ কোটি টকা লগে লগে দিছিলে। তাৰ মানে আমাৰ যদি Fund available আছিলে তেনেহলে এতিয়ালৈকে **৮, ৯** মাহ যোৱাৰ পিছতো কিয় দিব পৰা নাই। আৰু যদি নাছিল তেনেহলে কেন্দ্ৰৰ পৰা বিচৰাত আমাৰ আপত্তি কি ?

**শ্ৰী অতুল বৰা, কৃষি বিভাগ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো কৈছো যে স্বস্বতা ৰক্ষাৰ স্বাৰ্থত transparency ৰ কাৰণে DBT system ত দিবলৈ তথ্য বিলাক সংগ্ৰহ কৰোতে আমাৰ কিছু সময় হৈছে কাৰণ ৰাজহ বিভাগ জড়িত হৈছে, কৃষি বিভাগ জড়িত হৈছে আৰু সেই কাৰণে কিছু পলম হৈছে। আৰু এইখিনি দিয়াৰ কাৰণে আমি যাৱতীয়া ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে এটা ভাল কথা কৈছে যে সময়ৰ ভিতৰত যাতে দিব পাৰে পিছলৈ বহু দেৰি হ'লে দিগদাৰ হয়। সেই কথাটো কেনেকৈ কৰিব পৰা যায় চাব।

**শ্ৰীঅতুল বৰা, কৃষি বিভাগ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো, হয় এইটো কৃষক সকলৰ স্বাৰ্থত যিমান পাৰি সোনকালে দিয়াতো উচিত।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ওৱাজেদ আলি চৌধুৰী ।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বানপানীত ক্ষতিগ্ৰস্ত কৃষক সকলৰ কাৰণে যিটো সাহাৰ্য্য আগবঢ়োৱাৰ প্ৰচেষ্টা চলাই থকা হৈছে, তাৰ কাৰণে ধন্যবাদ। কিন্তু ইয়াত **২৯** খন জিলাৰ ক্ষতিগ্ৰস্তৰ তালিকা দিয়া হৈছে। কোন জিলাৰ কিমান সমষ্টিত কিমান ক্ষতিগ্ৰস্ত হৈছে। কিন্তু সাহাৰ্য্য দিয়াৰ বাবে ২৯ জিলাৰ মাত্ৰ ১৪ খন জিলাৰ ক্ষতিগ্ৰস্তৰ নাম পঠোৱা হৈছে বুলি কৈছে বাকী জিলাসমূহ কিয় বাদ দিয়া হ'ল সেই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** মাননীয় অধ্যক্ষ মহোদয় ফেজ মেনাৰত দিয়া হয়। কাৰণ মই এই কথাটো বাৰে বাৰে কৈ আহিছো যে ডিডিটি চিষ্টেমত দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হৈছে, কিছুমান জিলাৰ পৰা আমি সময় মতে তথ্য বিলাক পোৱা নাই, জিলাসমূহৰ পৰা তথ্যসমূহ আহিলে পৰ্য্যায়ক্ৰমে দিয়াৰ ব্যৱস্থা কৰা হ'ব।

মাননীয় অধ্যক্ষ ঃ যিসমূহ জিলাৰ তথ্য বিভাগে পোৱা নাই, সেই জিলা সমূহৰ ক্ষেত্ৰত মাননীয় বিধায়ক সকলে সোনকালে তথ্য প্ৰেৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এতিয়া শ্ৰীগুণিন্দ্ৰ নাথ দাস।

**শ্ৰীগুণিন্দ্ৰ নাথ দাস (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ কিছু কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যোৱা ২০১৬-১৭ বৰ্ষত ৰাজ্যখনত যি বিধ্বংসী বানপানী হৈছিল সেই বানপানীত বৰপেটা জিলাৰো যথেষ্ট ক্ষয়-ক্ষতি হৈছিল আৰু মন্ত্ৰী মহোদয়ক অনুৰোধ কৰাৰ পিছত বানপানী ক্ষতিগ্ৰস্ত সকলৰ সাহাৰ্যৰ বাবে বৰপেটা জিলাৰ কৃষি বিভাগলৈ

এক পূজি আৱন্টন দিছিল। উক্ত আৱন্টিত ধন যোৱা ২০১৭ চনৰ ৩০ মাৰ্চত ব্যক্তিগত ভাবে মই ফোন কৰাৰ পিছত বিভাগে বৰপেটা জিলালৈ ধন খিনি মোকলাই দিছিল। কিন্তু বৰপেটা জিলা কৃষি বিষয়া গৰাকীৰ হেমাহিৰ ফলত যোৱা বিত্তীয় বৰ্ষত ধন খিনি ক্ষতিগ্ৰস্তসকলক মোকলাই দিয়াৰ ব্যৱস্থা নকৰিলে। মোৰ কথা হ'ল বিভাগৰ ভুলৰ বাবে ক্ষতিগ্ৰস্তসকলে সাহাৰ্য্য নোপোৱা নহয় এইটো হৈছে বিষয়াসকলৰ হেমাহিৰ বাবে সেইকাৰে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে বিষয়টো সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰি অতি সোনকালে বানপানীত ক্ষতিগ্ৰস্তসকলক সাহাৰ্য্যখিনি দিয়াৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী)** মাননীয় অধ্যক্ষ মহোদয় বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, প্ৰশ্ন নং ৩ মাননীয় সদস্য শ্ৰী পবীন্দ্ৰ ডেকা। মাননীয় পৰিবহন মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীপবীন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াক মই কৰা প্ৰথম প্ৰশ্নৰ উত্তৰ কৈছে যে এ.এছ.টি.ছিৰ ৬৪৭ খন বাছ প্ৰতিদিনে চলি আছে। মোৰ প্ৰথম পৰিপুৰক প্ৰশ্ন হ'ল যে এই চলি থকা ৬৪৭ বাছৰ আটাইকেইখন পৰিবহন নিগমৰ নিজা বাছ নে ব্যক্তিগত মালিকানাধীন বাছ? ইয়াৰে কিমানখন নিগমৰ বাছ আৰু কিমানখন ব্যক্তিগত মালিকানাধীন বাছ? দ্বিতীয়তে উত্তৰ দিছে যে প্ৰতিদিনে নিগমে ২১.৯১ লাখ টকা ভাড়াৰ বাবদ নিগমে লাভ কৰে। প্ৰথমতে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিমানখন বাছ নিগমৰ নিজৰ আৰু কিমানখন বাছ ব্যক্তিগত মালিকানাধীন বৰ্তমান চালি আছে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান চলি থকা ৬৪৭ বাছৰ আটাইকেইখন পৰিবহন নিগমৰ নিজা বাছ ইয়াৰ উপৰিও কিছুমান প্ৰাইভেট অপৰেটৰে কিছু বাছ নিগমৰ জৰিয়তে চলাই। তেনেধৰণ ১৩০৯ খন বাছ আমাৰ নিগমৰ জৰিয়তে চলি আছে । কিন্তু নিগমত ব্যক্তিগত মালিকাধীন বাছ ১৮৭২খন বাছ পঞ্জীভুক্ত হৈ আছে যদিও আজিৰ দিনত ১৩০৯ খন বাছহে চলি আছে, কাৰণ কিছুমান বাছ বেয়া হয় চাৰি-পাছ দিন নাহে।

**শ্ৰীপবীন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয় মই আৰু মাত্ৰ দুটা প্ৰশ্ন সুধিম এই যে ব্যক্তিগত মালিকানাধীন ১৩০০ খন বাছ নিগমৰ জৰিয়তে চালি আছে তাৰ পৰা চৰকাৰ পূঁজিলৈ কিমান টকা প্ৰতি মাহে আহে? দ্বিতীয় প্ৰশ্ন হ'ল ইতিমধ্যে সদনত নিগমৰ কাৰ্য্যালয়, বাছআস্থান সমূহৰ অৱস্থা সম্পৰ্কত বিভিন্ন কথা কৈছে। ৰাজ্যখনৰ ইমান পূৰণি নিগম তাৰ কোনো উন্নত নহ'ল। আমাৰ অলপতে এডভান্টেজ আসাম হৈ গ'ল তাত বহু বিনিয়োগকাৰীয়ে বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰিছে প্ৰায় ১ লাখ কোটি টকাৰ বিনিয়োগ হ'ল। মই জানিব বিচাৰিছো যে আমাৰ এই পৰিবহন নিগমটোত কোনোবা বিনিয়োগকাৰীয়ে দয়াকৰি বিনিয়োগ কৰাৰ কাৰণে কিবা প্ৰতিশ্ৰুতি দি চৰকাৰৰ লগত কিবা চুক্তি কৰিছে নেকি? এই দুটা কথা মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ব্যক্তিগত মালিকানাধীন বাছ নিগমৰ জৰিয়তে চলি আছে সেই বাছ সমূহ বিভিন্ন ধৰণ আৰু বাছৰ ধৰণ হিচাপত প্ৰতিকিলোমিটাৰত ৭০৯ বাছৰ পৰা ১.০০ টকা, ৰেগুলাৰ বাছৰ পৰা ১.২৫ টকা, ডিলাক্স বাছৰ পৰা ১.৩৫ টকা, এগজিকিউটিভ বাছৰ পৰা ১.৪০ টকা আৰু এচিবাছৰ পৰা লও ১.৫০ টকা ৰাজহ লাভ কৰে। এই ধৰণে নিগমৰ অধীনৰ বাছ সমূহৰ পৰা ৭৬ লাখ টকা প্ৰতিমাহে আহে । অধ্যক্ষ

মহোদয় নিগমৰ নিজৰ আৰু নিগমৰ অধীনৰ বাছৰ সমূহৰ পৰা বছৰেকত প্ৰায় ৬৬ কোটি ৫৭ লাখ ৮৫ হাজাৰ টকা ৰাজহ হিচাপে আহে। মাননীয় সদস্যগৰাকীৰ দ্বিতীয় প্ৰশ্নটো আছিল 'এডভান্টেজ অসম'ৰ জৰিয়তে নিগমত বিনিয়োগ সম্পৰ্কত। নিগমত বিনিয়োগ আহিব, ইতিমধ্যে আৰিয়া ট্ৰান্সপ'ৰ্টে ২৩ খন এ.চি বাছ আৰু ২০০ খন বাছৰ কথা কৈছে তাৰে ২৩ খন ইতিমধ্যে আহিছে এইটো এটা বিনিয়োগ। অধ্যক্ষ মহোদয় ২৩ খন ভ'লভো বাছ আৰু ৭৫ মাৰ্চিটিজ বাছ তেওঁলোকে আমাৰ ইয়াত চলাব, এইটো এটা বিনিয়োগ, প্ৰায় ৩০০-৪০০ কোটি টকাৰ বিনিয়োগ। ভ'লভো বাছৰ প্ৰথম পাছখন বাছ আহিছে, এই বাছসমূহ ভাড়া অলপ বেছি হ'ব কাৰণ তাত মানুহে ট্যু টায়াৰ ফাষ্ট্ৰক্চাৰ সুবিধা পাব, মানুহে শুই যাব পাৰিব বিভিন্ন সুবিধা ভোগ কৰিব পাৰিব। অধ্যক্ষ মহোদয় ইয়াৰ উপৰিও স্কেনিয়া নামৰ কোম্পেনীয়ে ইয়াতে বাছ চলাব। যিহেতু ৰাজ্যিক পৰিবহন নিগমৰ টকা নাই আমি বাছ কিনিব নোৱাৰো সেই কাৰণে এই কোম্পানী বিলাকক আমি কৈছো যে ইয়াতে বাছ চলাওক আৰু তাৰ বিনিময়ত আমাক প্ৰতিকিলোমিটাৰ হিচাপত টকা দিব, ড্ৰাইভাৰ আৰু কণ্ডাক্টৰ আমাৰ। গতিকে অধ্যক্ষ মহোদয় এই ধৰণে ৰাজ্যিক পৰিবহন নিগমত কিছু বিনিয়োগ আহিব। দ্বিতীয় কথাটো হৈছে যে অলপ আগতে মই কৈ গৈছিলো যে নিগমৰ যিবিলাক ভাল ভাল ঠাইত মাটি আছে সেই মাটিসমূহৰ ক্ষেত্ৰতটো বিনিয়োগৰ প্ৰস্তাৱ আহিছে। যোৱা পৰহি কানাডাৰ প্ৰতিনিধি দল এটাই মোৰ লগত কথা পাতিছে তেখেতসকলে কৈছে যে যদি ৰূপনগৰৰ মাটিটো দিলে তেওলোকে তাত মাল্টিমডেল হাব কৰিব, এখন ফাইভষ্টাৰ হোটেল হায়ট এজেন্সি, তাত ৩০০ কোটি টকা বিনিয়োগ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো আছিল কিমান বিনিয়োগ হৈছে।

.. সদনত হুলুস্থুল...

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছিল যে নিগমত বিনিয়োগ হৈছে নে নাই ? গতিকে মই কৈছো যে আমাৰ ভ'লভো আৰু মাৰ্চিটিজৰ লগত এম.অ'.ইউ হৈ গৈছে আৰু স্কেনিয়া কম্পেনীৰ লগত এম.অ'.ইউ হোৱাৰ পথত। গতিকে এনেধৰণে আমাৰ বিনিয়োগৰ কথা আহিছে। যিহেতু উত্তৰ-পূৱত হায়ট ৰিজেন্সী নাই গতিকে নিগমৰ মাটিত হায়ট ৰিজেন্সী কৰাৰ বাবে কানাডাৰ কোম্পানীয়ে প্ৰস্তাৱ দিছে আৰু এটা মাল্টী মডেল প্ৰজেক্ট কৰাৰ প্ৰস্তাৱ দিছে। এই বিষয়সমূহৰ ওপৰত চৰকাৰে বিবেচানা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী চাহাবুদ্দিন আহমেদ ।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰিবহন মন্ত্ৰী ডাঙৰীয়াই সেই সকলৰ নিজাববিয়াকৈ বাছ ৬৪৭খন অসমত চলি আছে বুলি কৈছে। মই দুখেৰে কবা লগা হৈছে, মোৰ জলেশ্বৰ সমষ্টিত আজিৰ পৰা ১০ বছৰ মান আগত জলেশ্বৰ পৰা গুৱাহাটী জলেশ্বৰ পৰা গোৱালপাৰালৈ ২খন বাছ আছিলে, এইকেইখন বাছ বন্ধ হৈ গ'ল। কিন্তু আমাৰ জলেশ্বৰ সমষ্টিৰ পৰা জলেশ্বৰ গাইবন্ধা, খলিচা পিঠা অঞ্চলৰ পৰা প্ৰায় ২০খন মান প্ৰায়ভেট বাছ চলে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে মোৰ সমষ্টিত এখনো এ এছ টি চিৰ বাছ নছলে। গতিকে পুৰণি যিখিনি বাছ আছিলে সেই ব্যৱস্থা কৰাৰ বাবে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো। বিশেষকৈ খলিচাৰ পৰা গুৱাহাটী জলেশ্বৰৰ পৰা গুৱাহাটী তাৰ ওপৰত আৰু এটা কথা হৈছে জলেশ্বৰ এছ টি চিৰ বাছ আস্থানৰ ডেপুটি মেনেজাৰৰ পৰা সন্মিলিত সমন্বয়ৰক্ষী সমিতিৰ মিৰ্জাৰ পৰা এইটো কণ্ট্ৰোল কৰি আছে। তাতে এ এছ টি চিৰ বাছখন সোমাব নিদিয়ে। পুলিচক দি আছে, পুলিচে একো

নকয়, পৰিবহন বিভাগৰ ফালৰ পৰা একো নকয়। কিছুমান বেকাৰ লৰাই হাৰাশাস্তি কৰি আছে। বছৰি তেওঁলোকৰ ফালৰ পৰা বাৰ্ষিক পইচাটো লৈ আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো অতি শীঘ্ৰ যাতে জলেশ্বৰৰ এ এছ টি চিৰ বাছ আস্থানটো ঠিক কৰি দিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জলেশ্বৰত যদি সঁচাকৈ এ এছ টি চিৰ বাছ নাই । মই সদনত প্ৰতিশ্ৰুতি দিছো যে অতি সোনকালে এখন জলেশ্বৰৰ পৰা এ এছ টি চিৰ বাছ গুৱাহাটী লৈকে দিয়া হ'ব। আমি আৰু ২০০ খন বাছ মেৰামতিৰ কৰি আছো। মেৰামতি কৰাৰ পিছত আমি এখন বাছ জলেশ্বৰ গোৱালপাৰালৈ দি দিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যা শ্ৰী ৰেণুপমা ৰাজখোৱা।

**শ্ৰী মতী ৰেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো, যোৰহাটত আমাৰ যিটো বাছ আস্থান আছে, তাত নতুন নতুন গাড়ী চকা কেইটা খুলি তাত দুখন গাড়ী এনেয় থৈ দিছে। মই মাজে মাজে পৰিবহনত আহো। সেই কাৰণে মই তেখেতক অৱগত কৰিছো। অন্তঃত তেখেতে যদি এইখিনি অফিচাৰৰ সৈতে এনকুৱাৰি কৰে তেতিয়া এই কথাখিনি গম পাব। কাৰণ নতুন বাছ বহুত পৰি আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে কৈছো আগৰ উত্তৰটোত । আমাৰ ২০০খন বাছ আমি মেৰামতি কৰি আছো, আৰু ২০০খন বাছৰ ভিতৰত হয়টো সেই কেইখন ও থাকিব। গতিকে সেইটো মই ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, তেখেত অনুপস্থিত গতিকে পৰৱৰ্তী প্ৰশ্ন শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমামুন ইমদাদুল হ'ক চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত প্ৰশ্ন এটা আনিছিলো। মই লিখিছিলো অসমৰ কেইজন মন্ত্ৰী বিনিয়োগকাৰী বিচাৰি ভাৰতবৰ্ষৰ বাহিৰত কোন কোন দেশত কেতিয়া গৈছে। ইয়াত উত্তৰটো ছাৰ, ১৫ খন দেশৰ কথা কৈছে, বিতংকৈ মই কবলৈ নাযাওঁ। লিষ্টখন থিকে আছে, ১৫খন দেশত বিভিন্ন জন মন্ত্ৰী গৈছে। খ) প্ৰশ্নত মই সুধিছিলো উক্ত ভ্ৰমণ কালত তেওঁলোকে কোন কোন বিনোয়োগকাৰী অসমলৈ আমন্ত্ৰণ কৰিছে, আৰু তাৰে কেইজন বিনিয়োগকাৰীয়ে অসমত বিনিয়োগ কৰিছে আৰু ক'ত ক'ত কৰিছে কিমান টকা বিনিয়োগ কৰিছে সবিশেষ জনাব। দুৰ্ভ্যাগৰ কথা ছাৰ, এই কথাটো আৰু কেইবাৰো কৈছো অফিচাৰ সকলে যেতিয়া ৰিপ্লাই দিয়ে মন্ত্ৰী সকলে সদনত কয় অফিচাৰ সকলে কিন্তু চিনচিয়াৰিটি মেইনটেণ্ট নকৰে। এই যে মই প্ৰশ্নটো কৰিলো বিতং তথ্য বিচাৰিছো কেইজন বিনোয়োগকাৰীয়ে অসমত বিনিয়োগ কৰিছে। ক'ত ক'ত কৰিছে, কিমান টকা বিনিয়োগ কৰিছে, সবিশেষ জনাব। উত্তৰটো তেওঁলোকে পালমৰা ধৰণে দিছে। Advantage Assam ৰ কথা কৈছে। এই ক্ষেত্ৰত চৰকাৰে ইতিবাচক পদক্ষেপ লোৱাৰ কথা কৈছে। মোৰ ছাৰ, Direct Question আছিল, কিন্তু ছাৰ Direct Question ৰ মই Indirect reply পালো। এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি অসমত প্ৰথমবাৰৰ বাবে এখন Global Summit কৰিছো। আৰু Global Summitখন কৰাৰ সময়ত আমি Nationl আৰু International road show কৰিছো। ১৪টা International road show হৈছে। road show যেতিয়া হৈছে, Advantage Assam শেষ হোৱা আজি ২দিন হৈছে। ২দিনত

তেখেতে যিটো কথা কৈছে, অফিচাৰে পাল মৰা নাই, ২দিনৰ ভিতৰত কানাদাৰ Business man এ ২দিনটো Invest কৰিব দিব নেকি ? Investment টো এনেকুৰা এটা বিষয় নেকি ? আমাৰ ১৪ খন ঠাইত আমাৰ মন্ত্ৰী সকলে গৈ যে road show কৰিছে। কাৰণ অসমখনত উদ্যোগী কৰণ হব পাৰে। উদ্যোগী কৰণৰ সম্ভাৱনা আছে। আমি যিহেতো South East Asian Countries and BBN Countries, we are sharing boundaries with the foreign Countries, South East Asian Countries এই যিটো সম্ভাৱনা, এই সম্ভাৱনাটো আমি বুজাবৰ কাৰণে আমি বিভিন্ন ঠাইত গৈছো। গতিকে আগতে অসমৰ ভা বটো কি আছিল অধ্যক্ষ ডাঙৰীয়া যে অসম মানে কি পাহাৰ-জংগল, বোমা বাৰুদ কাপোৰ ভালকৈ পিন্ধিৰ নাজানো। Uncultural এইটো হে আমাৰ ভাব আছিল, উদ্যোগী কৰণৰ চিন্তা চৰ্চাৰ আগতে থিক তেনেকৈ ইমান আগবাঢ়ি যোৱা নাছিল। গতিকে অধ্যক্ষ ডাঙৰীয়া মই আজি এটা কথা কওঁ সদনত আপুনি ১ মিনিট টাইম দিব লাগিব কাৰণ তেখেতে যিহেতু পাল মৰা বুলি কৈছে , ১৯৫২ ত যেতিয়া ভাৰত বৰ্ষৰ প্ৰথম ইলেকশ্যন হ'ল ১৯৫২ৰ পৰা আমাৰ দুৰ্ভাগ্য অসমখনৰ যে ১৯৫২ৰ পৰা ১৯৯৭ লৈ অসমৰ উদ্যোগীক বিষয়ত এটা Incentive অসমক নিদিলে। যাৰ কাৰণে অসম আজি আমি পিছুৱাই থাকিলো। আজি মহন্ত ডাঙৰীয়াক ধন্যবাদ দিম মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী হওতে প্ৰথবাৰৰ বাবে ১৯৯৭ত উদ্যোগ পলিচি আহিছে, এই অসমতে তেখেত মুখ্যমন্ত্ৰী। বাজপেয়ী ডাঙৰীয়া প্ৰথম উন্নয়নৰ দিশটো মুকলী কৰি দিছে। আগতে অসম মানে কি আছিল। এজন যুটীয়া সচিব গৃহ বিভাগ Incharge Nort East. তেওঁ যিটো ক'ব সেইটো অসমৰ কাৰণে নীতি হৈ গৈছিল। নীতি হোৱা কাৰণে এই গোটেই দিশটো কি কৈছিল। অসম আৰু উত্তৰ পূৰ্বাঞ্চল হ'ল এখন আইন-শৃংখলা জৰ্জৰিত ৰাজ্য তাত কোনো উন্নয়ণৰ কোনো কথা নাই। বাজপেয়ী ডাঙৰীয়া ভাৰবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী যিয়ে কলে যে উত্তৰ পূৰ্বাঞ্চলৰ অসম আইন-শৃংখলা জৰ্জৰিত ৰাজ্য নহয়। ইয়াক উন্নয়ণ দিশৰ পৰা চাব লাগিব। DONER Ministry হ'ল সেইটো প্ৰথম উন্নয়ণৰ অসমৰ স্কোপ। আৰু সেই কথাখিনিক লৈ Act this Look East Policy হ'ল ১৯৯১ত । তেতিয়া বি জে পি চৰকাৰ নাছিলে ক্ষমতাত। Look East Policy লৈ আমি অসমে বহি থাকিলো আমাৰ কিবা এটা হব। Look East Policy একো ফল নেপালো। মোডীয়ে ভাৰত বৰ্ষৰ প্ৰধান মন্ত্ৰী হোৱাৰ পিছত ক'লে যে তোমালোকে কিমান চাই থাকিবা। Don't look to much, you stop looking now, start acting. So এতিয়া Act East policy হ'ল। আৰু অধ্যক্ষ ডাঙৰীয়া Act East policy হোৱা কাৰণে আজি আপুনি Advantage Assam ত ৬জন আজি Asian দেশৰ মন্ত্ৰী ভূটানৰ প্ৰধান মন্ত্ৰী , মুখ্যমন্ত্ৰীৰ লগত একে লগে বহি আজি Asian দেশ সমূহত আমাৰ Investment destination হৈ পেলাই কেনেকৈ উন্নয়ন হব লাগে তাৰ কথাখিনি অসমে প্ৰত্যক্ষ কৰিলে। গতিকে আজি Investment টো আজি Advantage Assam হৈ যোৱা ২দিন হৈছে। ২দিনটে Investment হৈ যাব নেকি ? গতিকে টাইম লাগিব। এটা কথা ঠিক সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত এইটো হ'ল যে অসমে International level ত এইটো কথা মেচেজ দিলে আমি আইন-শৃংখলা জৰ্জৰিত ৰাজ্য নহয়। আমি ও Devlopment State. Asssm is the best destination for investment to explore the South East Asian market, where 800 million of population is there and this the most vargin market and this the Advantage Assam.

**মাননীয় অধ্যক্ষ ঃ** অলপ আপুনি অপেক্ষা কৰিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই খুব ধুনীয়াকে বুজাই দিছে, কিন্তু মই ইয়াত এটা প্ৰশ্ন কৰিছোঁ এতিয়ালৈকে ক'ত ক'ত কিমান ইনভেষ্টমেন্ট হ'ল ?

**মাননীয় অধ্যক্ষ ঃ** I think we should not argue this, আপুনি ছমাহৰ পিছটো এই প্ৰশ্নটো আনিব পাৰিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ আপোনালোকে যিটো উত্তৰ দিলে যে পতঞ্জলীয়ে বালিপাৰাত যিটো উদ্যোগৰ ব্যৱস্থা কৰিছে, তাত দীৰ্ঘম্যাদী লীজত দিছে, এইটো চাৰ uncertain কথা। আচলতে দীৰ্ঘম্যাদী মানে কিমান দিনৰ কাৰণে ম্যাদী ? এই কথাটো স্পষ্ট হ'ব লাগে আৰু ৯৯২ কোটি টকাৰ এখন Herbal আৰু Mega Food Park বালিপাৰাত কৰিছে এইটো ভাল হৈছে। কিন্তু এইটো কেতিয়াৰ পৰা কাৰ্যকৰী হ'ব ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দীৰ্ঘম্যাদী মানে ৩০ বছৰৰ কাৰণে লীজত দিয়া হৈছে আৰু এইটো বিনা পইছাই দিয়া হোৱা নাই। ১৮ কোটিৰো অধিক টকা আমি তেওঁলোকৰ পৰা লৈছো। মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে জনাওঁ যে পতঞ্জলীয়ে ইতিমধ্যে উৎপাদন আৰম্ভ কৰিছে। এই বছৰৰ ভিতৰত তেওঁলোক প্ৰাৰম্ভিক স্তৰলৈ যাব। তেওঁলোকে optimum level ত যেতিয়া উৎপাদন কৰিব তেতিয়া বিশ হাজাৰ কোটি টকাৰ মূল্যৰ উৎপাদন পটঞ্জলীয়ে কৰিব। কিছু দিন আগতে পতঞ্জলীয়ে মোক অনুৰোধ কৰি কৈছে যে ৰাষ্টাটো অলপ বেয়া হৈ আছে, ৰাষ্টাটো ঠিক কৰি দিব লাগে। কাৰণ তেওঁলোকে optimum level ত যোৱাৰ লগে লগে প্ৰতি দিনে পাঁচ হাজাৰ ট্ৰাক অকল পতঞ্জলীৰ পৰা অহা-যোৱা কৰিব। গতিকে প্ৰতি দিনে পাঁচ হাজাৰ ট্ৰাক মানে এক হাজাৰ ড্ৰাইভাৰ। ইয়াৰ উপৰি শ্ৰমিক আৰু কৰ্মচাৰী কিমান লাগিব? সেই কাৰণে মাননীয় সদস্য সকলক মই এটা কথাই অনুৰোধ কৰিব বিচাৰিছোঁ যে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত গঢ় লোৱা চৰকাৰে অসমত এক ঔদ্যোগিক বাতাৱৰণ সৃষ্টি কৰিবৰ কাৰণে চেষ্টা কৰিছে। গতিকে আমি সকলোৰে লগ হৈ এই অসম খনৰ নিবনুৱা সমস্যাৰ স্বাৰ্থত ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়ি গলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুল খালেক ডাঙৰীয়া।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম খন আগবঢ়াটো আমি সকলোৰে বিচাৰোঁ। ৰাজনীতি ৰাজনীতিৰ ভিতৰত থাকিব কিন্তু, আমাৰ ৰাজ্যখন আগবাঢ়ি যাব লাগে, এই কথাত কোনো সন্দেহ নাই। Advantage Assam বিনিয়োগ সন্মিলন কৰিছে ভাল কথা, কাৰণ অসম Advantage হ'ব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী পল্লৱ লোচন দাস ডাঙৰীয়া ভূটানলৈ গৈছে, প্ৰধান মন্ত্ৰী আহিছে তাৰ বাবে মই ধন্যবাদ জনাইছোঁ। মই দেখিছো যে আমাক যিখন চাৰ্ট দিছে, তাত আমাৰ মাননীয় মন্ত্ৰী সকল United State America আৰু United Kingdomলৈ গৈছে। মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছোঁ যে এই বিনিয়োগ সন্মিলনলৈ এই দুখন দেশৰ কোন কোন বিনিয়োগকাৰী আহিল? যিহেতু বিনিয়োগকাৰী সকল অসমলৈ আহিব, অসম আগ বাঢ়ি যাব। আমি এইটোও চাব লাগে অধ্যক্ষ মহোদয়, অকল মোবাইল কোম্পনী বিলাক আহিলে নহ'ব। কাৰণ তেওঁলোকে আমাৰ টকাবোৰ লৈহে যাব। গতিকে আমাৰ

ইয়াত যাতে Employment Generation হয় আৰু সম্পদ সৃষ্টি হয় তেনেকুৱা ধৰণৰ বিনিয়োগকাৰী যাতে আহে আৰু কল কাৰখানা আহে, সেই বিষয়টো আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। লগতে নলবাৰী আৰু বৰপেটা জিলা দুখন পিছপৰা। গতিকে এই জিলা কেইখনত বিনিয়োগকৰী সকল আহোতে যাতে বিনিয়োগ হয়, আৰু এই দুখন জিলাটো যাতে নিবনুৱা সকলক কৰ্মসংস্থাপন দিব পাৰি সেই ব্যৱস্থা কৰিবলৈ মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিউৰ্বক আৰু ইউ কে ৰ পৰা বিনিয়োগকাৰী আহিছে, গতিকে এই বিনিয়োগকাৰীৰ লিষ্টখন যদি আপোনালোকে বিচাৰে এতিয়াই নোৱাৰিম পিছত দিব পাৰিম। আমাৰ সকলোৰে এটা উদ্দেশ্য যে আমাৰ নিবনুৱা যুৱক-যুৱতী সকলে যাতে এই বিনিয়োগকাৰী সকলৰ জৰিয়তে কৰ্মসংস্থাপন পায়। মাননীয় সদস্য খালেক ডাঙৰীয়াই কৈছে যে বৰপেটা জিলাতে হ'ব লাগে, বৰপেটাত নোহোৱাকৈ নাথাকে। কাৰণ উদ্যোগৰ কৰিডৰ গুৱাহাটীৰ পৰা টিহুলৈকে হৈ গ'ল।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, অকল টিহুতে সীমাবদ্ধ ৰাখিব নলাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি আমি দেখো যে আমাৰ উদ্যোগৰ সম্ভাৱনা বেছি আছে, চৰকাৰে নিশ্চয় আগলৈকে আগবঢ়াব। কিন্তু, টিহুলৈকে আমাৰ উদ্যোগৰ কৰিডৰ শেষ হৈ যোৱা নাই। কালি যদি কোনোবাই মৰপাট কল-কাৰখানা খুলিব বিচাৰে, হয়তো আপোনাৰ অঞ্চল বৰপেটাতো হ'ব পাৰে। কালি মোৰ ওচৰত যি জন investor আহিছে, তেওঁ ৩৫০ কোটি টকা investment কৰি মৰাপাটৰ কাৰখানা এটা কৰিব। কালি তেওঁ ছয়গাৱঁত কৰাৰ কথা কৈছে। চিকাৰিয়া নামৰ গ্ৰুপ, ডাঙৰ গ্ৰুপ ভাৰতৰ। এতিয়া তেওঁলোকৰ দুই এজনক কৈছোঁ যে তোমালোকে ধিং ঠাইখন পৰিভ্ৰমণ কৰা আৰু ধিং ঠাইখন পৰিভ্ৰমণ কৰি আমাৰ যিটো চেদ আছে এই চেদটোত তোমালোকে মৰপাট কল টো কৰিব পাৰানে চোৱা। তেওঁলোকে কৈছে যে আমাৰ লেবাৰ প্ৰব্লেম হ'ব নেকি ? কাৰণ আমাক তিনি হাজাৰ পাৰ্মানেণ্ট কৰ্মচাৰী লাগিব। সেই কাৰণে আমাৰ ৰিচোৰ্জ বেচ উদ্যোগ হ'ব, নোহোৱাকে নাথাকে। আমি সকলোৱে এই যি প্ৰথম আৰম্ভণি কৰিছোঁ একত্ৰিত ভাৱে এই যাত্ৰা যাতে আগবাঢ়ি যাব পাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে, তেতিয়াহে আমাৰ অসম খনৰ উন্নয়ন হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। লাষ্ট চাপ্লিমেণ্টৰী, শ্ৰী বিমল বৰা।

**শ্ৰী বিমল বৰা, টিংখংঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাৰাষ্ট্ৰ, গুজৰাট ইত্যাদি ৰাজ্য সমূহ যথেষ্ট আগবঢ়া। গুজৰাটত বহুবাৰ এনেধৰণৰ বানিজ্যিক সন্মিলন হৈ গ'ল। বিগত দিনবোৰত অসম চৰকাৰে কিয় উদ্যোগ গ্ৰহণ নকৰিলে, অসমত এনে ধৰণে বিনিয়োগকাৰী সকলক আমন্ত্ৰণ কৰিবৰ বাবে। আমাৰ নিশ্চয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই পোন প্ৰথম বাৰৰ বাবে কৰিছে, গতিকে আগন্তুক দিন বোৰত যাতে আমাৰ বিৰোধী দল সমূহেও এই ক্ষেত্ৰত ইতিবাচক দৃষ্টিভংগী আগবঢ়ায় তাৰ বাবে মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। পৰৱৰ্ত্তী প্ৰশ্ন - ৬। শ্ৰী ৰনোজ পেগু।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰনোজ পেগু, ধেমাজী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২ চনত ভাৰত স্বাধীনতাৰ হীৰক জয়ন্তী উপলক্ষ্যে আমাৰ কৃষি জাত সামগ্ৰী উপাৰ্জণ দুগুন কৰাৰ কাৰণে লক্ষ্য স্থিৰ কৰা হৈছে। তাৰ

কাৰণে আমাৰ শস্যৰ বীজটো অতি গুৰুত্বপূৰ্ণ। মই সেইকাৰণে জানিব বিচাৰিছিলোঁ যে আমি ২০১৬-১৭ আৰু ২০১৭-১৮ ত অসম চৰকাৰে কিমান পৰিমাণৰ আৰু কি কি বীজ ক্ৰয় কৰিছে আৰু এই উত্তৰত আমি জানিব পাৰিছোঁ যে ২০১৬-১৭ চনত আমি যিমান পৰিমাণৰ বীজ ক্ৰয় কৰিছিলো সেই পৰিমাণ ২০১৭-১৮ চনত Drastically পৰিমাণ কমিছে। ইয়াৰ কমাৰ কাৰণ কি? মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ আৰু ইয়াৰ লগতে এটা কথা মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে ক্ৰয় কৰা দুবিধ শৈস্যৰ বীজ, এটা হ'ল- Higbrid seed আৰু আনটো হ'ল High yielding variety seed। মোৰ ধেমাজী জিলা খনত আমাৰ বিগত বছৰৰ যি অভিজ্ঞতা সেই মতে যিবিলাক অতি দামী Higbrid seed, বৰ্ণ সংকৰ যি বিলাক বীজ আমাক দিয়া হৈছে এই বৰ্ণ সংকৰ বীজবিলাকৰ পৰা কোনো ধৰণৰ সু-ফল আমি পোৱা নাই, খেতিয়ক সকলে তাৰ পৰা যিটো আশা কৰে উৎপাদনৰ ক্ষেত্ৰত, যিটো উৎপাদন পাব লাগে সেই মতে পোৱা নাই। কিন্তু, তাৰ বিপৰীতে উচ্চ উৎপাদনক্ষ্যম High yielding variety seed যি বিলাক seed দিয়া হৈছে তাৰ ফলাফল অতি সন্তোষজনক। কিন্তু, তাৰ পৰিণাম কৃষক সকলে যিটো পাইছে সেইটো ভাল নহয়। উদাহৰণ স্বৰূপে এইবাৰ আমি যিখিনি বৰ্ণসংকৰ সৰিয়হ পাইছো তাৰ ফলাফল সন্তোষ জনক নহয়। কিন্তু,High yielding variety যিটো টি-৩৬, টিএফ-৩৬-৩৮ সৰিয়হ বীজ, তাৰ ফলাফল অতি সন্তোষজনক ভাৱে পাইছোঁ। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিম যে আমাক বৰ্ণ সংকৰ চীডটো নালাগে আমাক High yielding variety seed হে লাগে। দ্বিতীয়তে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলোঁ যে, থলুৱা ভাৱে আমাৰ ইয়াতে কিমানখিনি চীড উৎপাদন হয়, ইয়াত মন্ত্ৰী মহোদয়ে আমাক যি তথ্য দিছে সেই তথ্য অনুযায়ী আমাৰ বৃহৎ পৰিমাণৰ বীজ অসমতে থলুৱা ভাৱে উৎপাদন হয় কিন্তু, ক্ৰয় কৰা তালিকা এখন যদি আমি চাওঁ, তেনেহলে সেই বীজখিনি অসম চৰকাৰে ক্ৰয় কৰা নাই বা অসম চৰকাৰৰ কোনো বিভাগে ক্ৰয় কৰা নাই। এতিয়া আমি বীজ গাওঁ স্থাপন কৰিছোঁ, বীজ গাঁৱৰ জৰিয়তে আমি বীজ উৎপাদন কৰিছোঁ। কিন্তু, বীজ সমূহ অসম চৰকাৰে ক্ৰয় নকৰি যদি আমি বাহিৰৰ Higbrid seed বিলাকৰ ওপৰত বেছি গুৰুত্ব দিওঁ, তেনেহলে আমাৰ কৃষক সকল, যিসকলে বীজ উৎপাদন কৰিছে, যিটো উদ্দেশ্যলৈ বীজ গাওঁ স্থাপন কৰিছে সেই উদ্দেশ্যটো ব্যৰ্থ হ'ব। লগতে কৃষকসকলে যদি উৎপাদিত বীজ সমূহ উচিত মূল্যত বজাৰত বিক্ৰী কৰিব নোৱাৰে বা চৰকাৰে যদি সেই সমূহ ক্ৰয় নকৰে, তেনেহলে নিশ্চিত ভাৱে হতাশ হব। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে অসম চৰকাৰৰ কৃষি বিভাগে এটা নীতি নিৰ্ধাৰণ কৰিব নেকি? যি নীতি নিৰ্ধাৰণৰ জৰিয়তে থলুৱা ভাৱে উৎপাদিত বীজ সমূহ অসম চৰকাৰে এটা উচিত মূল্যত ক্ৰয় কৰিব তাৰ এক নীতি গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰনোজ পেগু ডাঙৰীয়াই কেইটামান গুৰুত্ব পূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। অসমৰ বীজ উৎপাদনৰ ক্ষেত্ৰত আমি এতিয়াও সম্পূৰ্ণভাৱে স্বাৱলম্বী হব পৰা নাই, এই কথাটো সত্য। তেখেতে কৈছে যে যোৱা বছৰৰ তুলনাত যিহেতু দেশৰ প্ৰধান মন্ত্ৰীয়ে ২০২২ চনত Farmers income double হোৱাৰ লক্ষ্য স্থিৰ কৰিছে। তেনেস্থলত বীজৰ ওপৰতো বহুপৰিমানে বহুখিনি কথা নিৰ্ভৰ কৰা হয়। ইয়াৰ লগতে বহুপৰিমানে আনুসঙ্গিক কথাও আছে। ধৰক এইবাৰ মুখ্যমন্ত্ৰীৰ গ্ৰাম বিকাশ যোজনাৰ জৰিয়তে ৰাজ্যখনৰ ২৬০০০ ৰেভিনিউ ভিলেইজক একো একোটা গোটক একোখনকৈ ট্ৰেকটৰ দিবৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিছো।

কিন্তু যোৱা বছৰৰ তুলনাত এই বছৰ আমি বহুখিনি বীজ ক্রয় কৰিছো। আজি যিখন তালিকা দিয়া হৈছে কিন্তু কিছুমান বীজ লোৱা নাই। কাৰণ বানপানীৰ পিছত এটা কথা চিন্তা কৰিলো যে, জিলা বিলাকৰ Recuirement ৰ ওপৰত ভিত্তি কৰি আমি বীজ ক্রয়ৰ ব্যৱস্থা কৰিছিলো আৰু by that policy already এইটো লোৱা হৈছে। আমি ইতিমধ্যে ৩০০ কুইণ্টল Purchase কৰিছো। বাকীখিনি আমি Continue কৰিবৰ কাৰণে আমাৰ প্রচেষ্টা আমি অব্যাহত ৰাখিছো। অসম বীজ নিগম পৰিষদৰ দ্বাৰা যোগান ধৰা বীজ সমূহ থলুৱাভাৱে উৎপাদিত বিভিন্ন বীজ সমূহ আৰু ৰাজ্যৰ বাহিৰৰ পৰা অনা বিভিন্ন বীজ, বৰ্ণশংকৰ বীজ সমূহ ৰাজ্যত উৎপাদন নহয় বাবে ৰাজ্যৰ বাহিৰৰ পৰা ক্রয় কৰা হয়। তেনেধৰণৰ বীজ আমি বাহিৰৰ পৰা ক্রয় কৰাৰ ব্যৱস্থা কৰিছো। তেখেতে এটা পলিচিৰ কথা কৈছে, সেইটো হৈছে যে নীতি নিৰ্দ্ধাৰণ কৰিব নেকি?যিহেতু নীতিটো আমাৰ আছেই। প্রাইভেট পলিচি আছেই আমি কৈছোৱেই। গতিকে ভৱিষ্যতৰ দিনত এই দিশটোৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰা হ'ব।

**শ্রী ৰণোজ পেগু,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আমাক জনাইছে যে, বীজৰ Recuirement টো জিলা সমূহৰ পৰা লোৱা হয় সেইটো কেৱল কোৱানটিটি টো নে কি কি ভেৰাইটিৰ প্রয়োজন হয়? এইবাৰ বাজেট স্পিচত কেন্দ্রীয় চৰকাৰৰ জেটলি ডাঙৰীয়াই এটা কথা ঘোষণা কৰিছে যে আমি প্রত্যেকখন জিলাত কৃষিৰ ক্ষেত্রত সেইখন জিলাই কি উৎপাদন কৰিব সেইটো এটা নীতিগত সিদ্ধান্ত ল'ব লাগে। যেনেকৈ ইণ্ডাচট্রিৰ ক্ষেত্রত একো একোটা ক্লাচটাৰ কৰা হৈছে বৃহৎ ক্লাচটাৰ নিৰ্দিষ্ট এটা ট্রেডৰ ক্ষেত্রত ঠিক তেনেকৈ কৃষিৰ ক্ষেত্রতো বৃহৎ বৃহৎ ক্লাচটাৰ জিলাভিত্তিত কৰিব লাগে। এতিয়া মোৰ জিলাখনত যিটো বীজৰ প্রয়োজন সেই বীজটোক মই বিচৰা বা মোৰ জিলাখনে বিচৰা বা জিলাখনে যিমতে বিচাৰিছে সেইমতে যোগান ধৰাৰ এটা নীতি গ্রহণ হ'ব লাগে। বহুসময়ত আমি দেখা পাওঁ জিলাখনত যিটো খেতি জনপ্রিয় সেইটো চৰকাৰৰ ফালৰ পৰা পঠিয়াই দিয়া হয়। গতিকে মই এইটো জানিব বিচাৰিম যে অসম চৰকাৰে প্রত্যেক জিলাত জিলাভিত্তিত সেই জিলাখনত যিটো বীজ হয় সেই বীজটো জিলাখনে যি পৰিমানে বিচাৰে সেই পৰিমানে দিবৰ কাৰণে প্রস্তুত হয় নে নহয়?

**শ্রী অতুল বৰা, কৃষি মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দায়িত্ব লোৱাৰ পাছত বিভিন্ন জিলাৰ বিষয়া সকলৰ লগত আলোচনা কৰি জানিব পাৰিছিলো যে কেতবোৰ বীজ যোগান ধৰা হয় খেতি হৈ যোৱাৰ পাছত। কিহৰ স্বাৰ্থত এইখিনি কৰা হয় মই নাজানো, কিন্তু তেনেকুৱা হৈছিল আৰু কি খেতিৰ কাৰণে সংশ্লিষ্ট জিলাখনৰ মাটি উপযোগী সেইটোও জানি বুজি লোৱা নহয়। এইটো এতিয়া ৰণোজ পেগু ডাঙৰীয়াই কৈছে।সেইকাৰণে আমি ভৱিষ্যতৰ দিনত কি ভেৰাইটি লাগে কি কোৱানটিটি কিমান লাগে এই দুইটা দিশেই আমি জিলা বিলাকৰ পৰা লোৱাৰ ব্যৱস্থা কৰিম। দুইটা দিশত কি কৰিব লাগে একচুৱেলি।

**মাননীয় অধ্যক্ষ ঃ** শেষৰ প্রশ্ন নং ৭

**শ্রী চন্দ্রমোহন পাটোৱাৰী,মন্ত্রী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্রী ফণীভুষণ চোধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সময় আচলতে নাই। মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা দুটামান কথা স্পষ্ট জানিব বিচাৰিছো। প্রথম কথাটো হ'ল তেখেতে ২০১১-১২ ৰ পৰা ২০১৭-১৮ ৰাজ সাহাৰ্য্য প্রদান কৰা টকাৰ পৰিমানটো দিছে কিন্তু ২০১৫-১৬ চনত দিয়া নাই তাৰমানে ২০১৫-১৬ চনত ৰাজসাহাৰ্য্য উদ্যোগ সমূহক দিয়া নাছিল।সেইটো কিয় নহ'ল?সেই বিষয়ে মাননীয় মন্ত্রী মহোদয়ে অলপ স্পষ্ট কৰি দিলেভাল পাম। দ্বিতীয় কথাটো হ'ল যে, 'গ' নং

প্ৰশ্নত আছিল ৰাজসাহাৰ্য্য লাভ কৰা কিমানটা উদ্যোগ বৰ্তমান মৃত। সেইটো মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাৰত চৰকাৰৰ এম এচ চি পি ৰ জৰিয়তে প্ৰত্যেক দহ বছৰৰ মুৰে মুৰে এই সম্পৰ্কে জৰীপ কৰে আৰু ২০০৮ বৰ্ষত শেষ বাৰৰ বাৰে জৰীপ কাম সম্পন্ন হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে২০০৮ চনত যি জৰীপ সম্পন্ন হৈছে সেই জৰীপৰ সময়ত কিমানটা ৰাজসাহাৰ্য্য প্ৰাপ্ত ইণ্ডাচট্ৰি মৰি থাকিল। সেই গোটেইটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে ২০১৫-১৬ চনত আমাৰ বাজেট প্ৰভিজন নাছিল সেই কাৰণে পইচাটো দিয়া হোৱা নাছিল। বাজেট প্ৰভিজন নথকাৰ কাৰণে ২০১৫-১৬ চনত খালী আছিল সেইকাৰণে এক পইচাও আমি দিব পৰা নাছিলো। কাৰণ বাজেট প্ৰভিজন নাছিল সেইটো কথা। দ্বিতীয় কথা যিটো আছে এই গোটেই ব্যৱস্থা এম ই চি পি য়ে কৰে মাইক্ৰ স্মল মিডিয়াম জৰীপ এই যিটো এম ই চি পি গৰ্ভমেণ্ট অফ ইণ্ডিয়া তেওঁলোকে এটা চাৰ্ভে কৰে। চাৰ্ভে কৰি আমাক ৰিপোৰ্টটো আমাক দিয়ে আৰু সেইটো আমি আকৌ চাৰ্ভে কৰো। গতিকে চাৰ্ভে কৰাৰ ফলত আমাৰ ৰিপোৰ্টটো হোৱা নাই। চাৰ্ভেটো সম্পূৰ্ণ নোহোৱা কাৰণে আমি ইয়াত ৰিপোৰ্টটো দিব পৰা নাই। চাৰ্ভেটো সম্পূৰ্ণ হোৱাৰ পাছতহে আমি ৰিপোৰ্টটো দিব পাৰিম। তেঁওলোকে এটা প্ৰাইমেৰী ৰিপোৰ্ট দিছে।২০০৮ ত যিটো ৰিপোৰ্ট দিছে সেইটোৰ ওপৰত আজিৰ দিনত আমাৰ চৰকাৰে চাৰ্ভে কৰি আছে চাৰ্ভেটো কমপ্লিট হলে ৰিপোৰ্টটো দিব পাৰিম।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানে এই কথাটো সত্য যে কিছুমান ইণ্ডাচট্ৰিয়ে ৰাজ সাহাৰ্য্য পোৱাৰ কাৰণে চাৰ্ভাইব কৰে আৰু ৰাজসাহাৰ্য্য পোৱাৰ পিছত ইণ্ডাচট্ৰিটো মৰি যায়। এই কথাটো সত্য নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সত্য বুলি এটা শব্দত ক'ব নোৱাৰোঁ যিহেতু এই বিষয়টোৰ ওপৰত চাৰ্ভে কৰি আছো। এইটো কথা ঠিক যে কিছুমানে ৰাজ সাহায্য পাই industry চলাইছে আৰু ৰাজসাহায্য পোৱাৰ পাছত industry বন্ধ হৈছে আৰু মই Additional Chief Secretary Level ৰ বিষয়া এজনক এটা enquiry কৰিব দিছিলোঁ। ইয়াৰ আগতে আপুনি প্ৰশ্ন কৰিছিল তাৰ ৫০-৬০ পেজত উত্তৰ দিয়া হৈছিল। সেই enquiry টোত অলপ সময় লাগিব আৰু enquiryটো হোৱাৰ পাছত জনাব পাৰিম।

**শ্ৰী আব্দুল খালেক (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে সদনত আমাৰ মৌখিক প্ৰশ্ন ২০ টা থাকে আৰু লিখিত প্ৰশ্ন ৫০ টা থাকে। আজিৰ কাৰণে মই এটা প্ৰশ্ন জমা দিছিলো আৰু এই প্ৰশ্ন মোৰ প্ৰাপ্ত সূচিকাত ৰচিত আছে। দুৰ্ভাগ্যজনক ভাৱে আজি লিখিত প্ৰশ্ন দেখা গৈছে মাত্ৰ ৩৩ টা enroll আছে whereas তাত মোৰ প্ৰশ্নটো অহা নাই।

**মাননীয় অধ্যক্ষঃ** আপুনি এটা কাম কৰিব, আপোনাৰ কিবা কাম থাকিলে you can come to my chamber after this hour.

**শ্ৰী আব্দুল খালেক (জনীয়া)ঃ** অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষঃ** That is a different issue. We will see to it. We will examine it. I will take you in confidence.

**ডাঃ নোমল মমিন, (বোকাজান)ঃ** অধ্যক্ষ মহোদয়, ইয়াত Starred Question No.2 ত যিটো answer দিছে তাত কাৰ্বি আংলংৰ এটা তথ্য অসম্পূৰ্ণ হৈ আছে।

**মাননীয় অধ্যক্ষঃ** এইটো আমিনুল ইছলাম ডাঙৰীয়াৰ প্ৰশ্ন নহয় জানো, ঠিক আছে, মই আজিয়েই

Minister মাতি আনি কৈ দিম। You give in writing today it self. I will check it.

Now Zero Hour , প্ৰথমতে পবিন্দ্ৰ ডেকাৰ যিখন notice, সেইখনৰ ওপৰত তেখেতক ক'বৰ কাৰণে অনুৰোধ কৰিছো। পাঁচ মিনিটৰ ভিতৰত চমুকৈ ক'লে ভাল হ'ব।

**শ্ৰী পবিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই শূন্যকালীন ঘণ্টাত মোৰ লগতে মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত আৰু মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়া, আমি তিনিজনে মিলি একেলগে এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লয় জানিবৰ বাবে যোৱা ০৬-০২-২০১৮ তাৰিখৰ " নিয়মীয়া বাৰ্তা" নামৰ বাতৰি কাকতত প্ৰকাশিত বাতৰি এটাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো-"চৰকাৰৰ নিৰ্দেশক অংগুষ্ঠ বহু চিমেণ্ট লবীৰ। প্ৰতি বেগ চিমেণ্টত পুনৰ ১০ টকাকৈ বৃদ্ধি। নিয়ন্ত্ৰণহীন বজাৰ,পৰিবহণ ৰাজ সাহাৰ্যৰ নামত ৰাজকোষৰ ধন সৰকোৱা Star, Dalmia,Topcem Black Tiger ৰ মাধমাৰ ৰাজ্যবাসীক "। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি শাক-পাচলি, ফল-মূল আদিৰ উৰ্ধতম মূল্য বৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰিছে। এতিয়া আমাৰ খেৰৰ ঘৰ নাই। এতিয়া আমাৰ সৰ্ব সাধাৰণ ৰাইজে cement, rod ইত্যাদিৰে ঘৰ বনায়। ৰাজ্য খনত হাজাৰ হাজাৰ দৰিদ্ৰ পৰিয়ালে প্ৰধান মন্ত্ৰী গ্ৰামীণ গৃহ আঁচনি সমূহৰ অধীনত ঘৰ সমূহ বনাই আছে। এই সময়তে Star, Dalmia,Topcem Black Tiger এই চাৰিটা চিমেণ্ট কোম্পানীয়ে চৰকাৰৰ লগত চুক্তি থকা স্বত্তেও তেওঁলোকে হঠাৎ প্ৰতি বেগ চিমেণ্টত ১০ টকাকৈ দাম বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে আৰু এই বাতৰি প্ৰকাশ পাইছে। আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ যি চাহিদা, তাৰে ৪৫% হে এই চাৰিটা কোম্পানীয়ে পূৰ্ণ কৰে। যোৱা জানুৱাৰী মাহত তেওঁলোকে ৭ টকাৰ পৰা ১০ টকালৈ ইতিধ্যে দাম বৃদ্ধি কৰিছে। ইয়াৰ আগতে যোৱা বছৰ তেওঁলোকে হঠাৎ ২৫ টকালৈ দাম বৃদ্ধি কৰিছিল আৰু চৰকাৰৰ লগত আলোচনা মৰ্মে ১০ টকা কমাই ১৫ টকালৈ দাম বৃদ্ধি কৰিছিল। আৰু সেই সময়তে চৰকাৰৰ লগত চুক্তি হৈছিল যে চৰকাৰৰ বিনা অনুমতিত বা আলোচনা নোহোৱাকৈ উক্ত চিমেণ্ট কোম্পানী সমূহে মূল্য বৃদ্ধি কৰিব নোৱাৰিব। কিন্তু বাতৰি কাকতত উল্লেখ কৰা অনুযায়ী মূল্যবৃদ্ধিৰ ক্ষেত্ৰত তেওঁলোকে চৰকাৰৰ লগত আলোচনা কৰা নাছিল। গতিকে, তেওঁলোকে এতিয়া আকৌ চিমেণ্টৰ দাম বৃদ্ধি কৰাৰ ফলত যি চিমেণ্টৰ দাম আগতে ৩৯০ টকা আছিল সেইটো ৪০০ টকা হ'ব, ৩৬৫ টকাৰ চিমেণ্ট ৩৭৫ টকালৈ বৃদ্ধি হ'ব আৰু এনেকৈয়ে তেওঁলোকে আমাৰ ৰাইজক মাধমাৰ দিয়াৰ প্ৰচেষ্টা হাতত লৈছে। গতিকে ইয়াৰ দ্বাৰা মই এই বিষয়টোৰ ওপৰত মাননীয় উদ্যোগ মন্ত্ৰীৰ লগতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে তেওঁলোকে পুনৰ দাম বৃদ্ধি কৰিব নোৱাৰে আৰু তাৰ বাবে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে । কাৰণ আপোনালোকেও জানে যে এই Star Cement ৰ বিৰুদ্ধে বহুত অভিযোগ আছে। তেওঁলোকে আমাৰ বনভূমিৰ মাটি বেদখল কৰাৰ অভিযোগ আছে। গতিকে পৰিবহণ ৰাজ সাহাৰ্য লাভ কৰাৰ স্বত্তেও তেওঁলোকে চৰকাৰৰ লগত আলোচনা নকৰাকৈ এনেকৈয়ে মূল্য বৃদ্ধি কৰি ৰাইজক মাধমাৰ সোধোৱাটো আমাৰ কাৰণে এটা উদ্বেগজনক বিষয় হৈ পৰিছে আৰু এই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু চৰকাৰে এই বিষয়ে শীঘ্ৰে ব্যৱস্থা ল'ব বুলি আশা কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পবিন্দ্ৰ ডেকা ডাঙৰীয়াই ইং ০৬-০২-২০১৮ তাৰিখে "নিয়মীয়া বাৰ্তা" নামৰ বাতৰি কাকতত

প্ৰকাশিত "চৰকাৰৰ নিৰ্দেশক অংগুষ্ঠ চিমেণ্ট লবীৰ- প্ৰতি বেগ চিমেণ্টত পুনৰ ১০ টকাকৈ বৃদ্ধি-নিয়ন্ত্ৰণহীন বজাৰ" শীৰ্ষক বাতৰি যিটো আমাৰ শূন্যকালীন ঘণ্টাত উত্থাপন কৰিছে সেইটোৰ ওপৰত আমাৰ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই বিষয়টোৰ ওপৰত বহু দিন আগতেও এনেধৰণৰ কথা এটা হৈছিল। তাৰোপৰি মই নিজেও এই বিষয়টোত হস্তক্ষেপ কৰাৰ পিছত চিমেণ্টৰ দাম কিছু কমিছিল। কিন্তু আকৌ যেতিয়া চিমেণ্টৰ দাম বঢ়ালে তেতিয়া আমি Food & Civil Supply বিভাগক ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ জনালো। তেতিয়া, Food & Civil Supply বিভাগৰ প্ৰধান সচিবে ইয়াৰ ওপৰত এটা গোচৰ ৰুজু কৰিছিল। বাতৰিটোত মই আমাৰ চৰকাৰৰ কথা খিনি মই পঢ়ি দিছো। ইং ০৬-০২-২০১৮ তাৰিখে "নিয়মীয়া বাৰ্তা"ত আমাৰ দৃষ্টি গোচৰ হৈছে। উক্ত বাতৰিটোৰ লগত উদ্যোগ আৰু বাণিজ্য বিভাগ প্ৰকৃতাৰ্থে জড়িত নহয়। এই সংক্ৰান্তত মাননীয় মুখ্য মন্ত্ৰীৰ নিৰ্দেশত ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে ইতিমধ্যে Competition Commission of India ত এক গোচৰ ৰুজু কৰিছে। যাৰ শুনানি বৰ্তমানলৈ চলি আছে। যোৱাকালি যেতিয়া এই বিষয়টোৰ Notice খন গৈছিল, তেতিয়া Food & Civil Supply বিভাগৰ প্ৰধান সচিব ডাঙৰীয়াৰ পৰা মই ইয়াৰ latest correspondence খিনি চাইছো। সেইখিনি চাই মই দেখিবলৈ পাইছো যে, Competition Commission of India আৰু অসম চৰকাৰে এই সম্পৰ্কত বিভিন্ন ধৰণৰ কাম লৈছে। যিহেতুকে বিষয়টো বিবাদমান অৱস্থাত আছে, গতিকে ইয়াত চৰকাৰৰ কৰিবলগীয়া একো নাই। Competition Commission of India এটা independent Commission, গতিকে তাৰ আদেশ অনুযায়ী চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ইয়াৰ পিছত মই মাননীয় সদস্য দেৱব্ৰত শইকীয়াৰ Zero Hour Notice ৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ০৬-০২-২০১৮ তাৰিখে 'অসমীয়া প্ৰতিদিন' আৰু অন্যান্য স্থানীয় সংবাদ পত্ৰ সমূহত প্ৰকাশিত বাতৰি, "নাজিৰা গেলেকী সংযোগী পথ পুনৰ নিৰ্মাণৰ দাবী। গেলেকী তৈল ক্ষেত্ৰ বন্ধত খনন উৎপাদনত ব্যাঘাত"। অধ্যক্ষ মহোদয়, আপুনি অৱগত যে, শিৱসাগৰ জিলাৰ গোটেই অঞ্চলত Oil field related কাম হৈ থাকে যাৰ যোগেৰে দেশৰ চালিকা শক্তি আহৰণ কৰা হয় আৰু চৰকাৰেও Royalty tax, Excise duty সকলোখিনি পাবলৈ সক্ষম হওঁ এই অঞ্চলত অ' এন জি চিৰ যথেষ্ট যান বাহন চলি থাকে যি সমূহৰ বহন যথেষ্ট বেছি। ইয়াৰ ওপৰত অন্যান্য যি শিল বালি ব্যৱসায়ীৰ কয়লা গাড়ী সমূহ চলি থাকে আৰু ইয়াৰ ফলত ৰাস্তা সমূহ খুব সঘনাই বেয়া হোৱা দেখা যায়। লাকুৱা অঞ্চলৰ ৰাস্তা নিৰ্মাণ কৰিব লাগে বুলি চৰকাৰক দাবী জনাবলৈ কিছুদিন আগতে লাকুৱা অইল ফিল্ড অঞ্চলত ৰাস্তা অৱৰোধ কৰা হৈছিল। যিটো ৰাস্তাৰ কথা কোৱা হৈছে এই ৰাস্তাটো নিৰ্মাণৰ বাবে অসম চৰকাৰে ২০১৫-১৬ চনত ১৬ কিঃমিঃ ৰ ৰাস্তাৰ বাবে ৪.৭৬ লাখ মঞ্জুৰী দিছিল আৰু অ' এন জি চিয়ে ২০১৪-১৫ চনত ২৫৩.৫৩ লাখ, ২০১৩-১৪ চনত ৫০ লাখ টকা মঞ্জুৰী দিছিল। কিন্তু এতিয়া ৰাস্তাটো যথেষ্ট বেয়া হৈ যোৱা বাবে ৰাইজে পুনৰ ৰাস্তাটো অৱৰোধ কৰিছে আৰু পুনৰ নিৰ্মাণ কৰিব লাগে বুলি চৰকাৰক দাবী জনাইছে। অকল এই ৰাস্তাটোৱেই নহয় শিঙিবিল, গেলেকী, লক্ষীজান মেকীপুৰ আদি অৰ্থনৈতিক ভাৱে গুৰুত্বপূৰ্ণ ২০০৯-১০ চনতেই ভালকৈ মেৰামতি কৰা হৈছিল অথবা ২০০৮-০৯ চনত চৰকাৰৰ দ্বাৰা মেৰামতি কৰা হৈছিল। কিন্তু যেতিয়া এই ৰাস্তা সমূহ নিৰ্মাণ কৰা হয় তেতিয়া যেনেধৰণৰ load bearing capasity বা কিমান লোড যাব

লাগে এইখিনি trace কৰা হয়। কিন্তু যেতিয়া চৰকাৰে পুঁজি অনুমোদন দিয়ে তেতিয়া সেই ৰাস্তা সমূহ বনাব নিদিয়ে যাৰ বাবে পুঁজি কৰ্তন ৰাস্তা সমূহ উন্নত মানদণ্ডৰে নিৰ্মাণ কৰা নহয়। যাৰ ফলত ৰাস্তা সমূহ সঘনে বেয়া হোৱা পৰিলক্ষিত হয়। উদাহৰন স্বৰূপে যিটো ৰাস্তাৰ কথা কোৱা হৈছে তাত বোধকৰো ৫২ চেণ্টিমিটাৰ লাগে ৰাস্তাৰ thickness কিন্তু ৩০ চেণ্টিমিটাৰ কৈ বনোৱা হৈছে। তাৰ ফলত সঘনাই এই ৰাস্তা সমূহ বেয়া হয়। যিহেতু বহু সংখ্যক লোকে এই ৰাস্তাৰে যাতায়াত কৰিব লাগে। মোৰ মহকুমাৰ আধাসংখ্যক লোকে এই অঞ্চলত বসবাস কৰে। নাজিৰা যিহেতু Head quarter গতিকে ১০ খন পঞ্চায়তৰ মানুহ সেই ৰাস্তাটোৰে যাতায়াত কৰিব লাগে। অত্যন্ত্য ধূলিৰ কাৰণে স্নায়ুৰোগ হয়। spine/cervical problem হয় আৰু ৰাস্তা সমূহৰ দূৰবস্থাৰ বাবে ৰোগী সকল সময়মতে হস্পিটাললৈ আহিবলৈ অসুবিধা হয়। এই সকলো বিলাক সমস্যা মই চৰকাৰক যোৱা সময়ত পত্ৰ যোগে অৱগত কৰিছিলো কিন্তু এতিয়ালৈকে তাৰ কোনো ফলাফল দেখা নাই। যদিও কাষৰীয়া কেইটামান ৰাস্তা খৰিকতীয়া আলি, লাইদৈগড় আলি যোৱা সময়চোৱাত এই সমূহ কাম আৰম্ভ কৰা হৈছিল আৰু ভালধৰণে এতিয়া নিৰ্মাণ হৈ আছে। ইয়াৰ উপৰিও নাগালেণ্ডৰ যিহেতু সীমান্তবৰ্তী অঞ্চল আৰু লগতে বহুতো ক্ষুদ্ৰ চাহ খেতিয়ক আছে যাৰ পৰা import economic acitivity হয় আৰু আমি ৰেভিনিউ আহৰণ কৰি আছো। গতিকে এই ৰাস্তা সমূহৰ strengthening কৰিব লাগে আৰু চৰকাৰৰ ফালৰ পৰা special packager ব্যৱস্থা কৰিব লাগে। গতিকে এই সন্দৰ্ভত মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰি ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** Minister।

**শ্ৰী পৰিমল শুক্লবৈদ্য, গড়কাপ্তানী মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলপতিয়ে যি ৰাস্তাৰ কথা কৈছে, হয় ৰাস্তাৰ অৱস্থা আজিৰ দিনত খুব ভাল নহয়। এতিয়াৰ কথাটো এনেকুৱা হৈছে যে load bearing capacity ৰ ওপৰত নিৰ্ভৰ কৰি DPR বনাব লাগে। আগতে যেনেকৈ DPR বনোৱা হৈছিল, আজিৰ দিনত গাড়ী বাঢ়িছে, লোড বাঢ়িছে naturaly ৰাস্তা বেয়া হৈছে। আপুনি যিহেতু গোটেইখিনি কথা কৈছে যে ৰাস্তা বেয়া হৈছে আমি খুব সোনকালে ৰাস্তা বিলাক মেৰামতি কৰি সুচল কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰীগুনীন দাস আৰু শ্ৰী আমিনুল ইছলাম তেওঁলোক দুখন নটিচ সুকীয়াকৈ দিছে, দুইখন একেধৰণৰ। গতিকে মই দুইজনকে কবৰ বাবে অনুৰোধ কৰিম। শ্ৰী গুনীন্দ্ৰ দাস।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়টো দৃষ্টিগোচৰ কৰিব ওলাইছো। যোৱা ছয় তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত এটা গুৰুত্বপূৰ্ণ বাতৰি পৰিবেশন হৈছিল। " ৰাজ্যৰ লাখ লাখ নিবনুৱাক বঞ্চনাৰ ষড়যন্ত্ৰ একেদিনাই সচিবালয়ৰ কম্পিউটাৰ অপাৰেটৰ, পৰিবহন নিগমৰ কেইবাটাও পদত পৰীক্ষা"। গতিকে অধ্যক্ষ মহোদয় আমাৰ চৰকাৰে আজি দুটা বছৰত কৰ্মসংস্থাপনৰ বাবে বিভিন্ন Interview পতাৰ যো জা চলাইছে আৰু তাতেই আমাৰ নিবনুৱা সকল উৎসাহিত হৈ তেওঁলোকে গাঠিৰ ধন ভাঙি form fill up কৰিছে। দেখা গৈছে Computer Operator ৰ বাবে আমাৰ প্ৰায় ৩১,০০০ নিবনুৱাই application দিছিল। ঠিক তেনেদৰে আমাৰ পৰিবহন নিগমৰ L.D.A., U.D.A. ৰ কাৰণে প্ৰায় ২২,০০০ নিবনুৱাই প্ৰ-পত্ৰ দাখিল কৰিছিল। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে আজি একেদিনাই অহা ১১ তাৰিখ ৰবিবাৰে এই interview অনুষ্ঠিত হোৱাৰ বাবে আমাৰ হাজাৰ হাজাৰ নিবনুৱাই

এটা পৰীক্ষাৰ পৰা তেওঁলোক বাদ পৰি গ'ল । গতিকে মই ভাবো অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিসকলে merit ৰ ভিত্তিত চাকৰি পাব তেওঁলোকক অন্ততঃ সুযোগটো দিব লাগিব যাতে তেওঁলোক interview ত appear হ'ব পাৰে । গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে এই তাৰিখ সলনি কৰে । কাৰণ সেইদিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আমাৰ স্নাকোত্তৰ পৰীক্ষাৰ দূৰশিক্ষা প্ৰতিষ্ঠানটোত পৰীক্ষা অনুষ্ঠিত হ'ব । গতিকে এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব সহকাৰে নিবনুৱা সকলক অন্ততঃ আশাৰ সঞ্চাৰ দিব পাৰে তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম ।

**Hon'ble Speaker** : Shri Aminul Islam. Do you want to add any-thing ?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা কৈছে আচলতে ১১তাৰিখে যি দুটা সাক্ষ্যৎ কৰাৰ কথা আছে এটা হ'ল পৰিবহন বিভাগৰ আৰু আন এটা সচিবালয়ৰ । কথাটো হ'ল common যিসকল কেণ্ডিডেট, যিসকলে দুইটাতে এপ্লাই কৰিছিল হয়তে কত হ'ব নাজানে। গতিকে এই ক্ষেত্ৰত যদি পৰা যায় এটা সাক্ষাৎকাৰৰ দিন যদি সলনি কৰা সম্ভৱ হয় তেনেহলে বিভিন্ন যোগাযোগ চাই লব লাগে । কাৰণ বহুত common কেণ্ডডেট থাকে । গতিকে মই দাবী কৰিছো যিকোনো এটা interview ৰ ডেটটো ঠিক কৰিলে ভাল হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ ডাঙৰীয়া ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰিবহন বিভাগ্ম আৰু Com-puter Operator GAD ৰ যিটো পৰীক্ষা আছে, এই সম্পৰ্কত "প্ৰতিদিন কাকত" ত যিখিনি বাতৰি প্ৰকাশ পাইছে এই বাতৰিটোত আচলতে আমাৰ দৃষ্টি আকৰ্ষণ হৈছে আৰু বাতৰিটো প্ৰকাশিত হোৱাৰ পিছত আমি চিন্তা চৰ্চা কৰিছো । মাননীয় অধ্যক্ষ ডাঙৰীয়া, পৰিবহণ বিভাগে এনেকুৱা ধৰণৰ দুটা পৰীক্ষা একেটা দিনত এবাৰ অনুষ্ঠিত কৰাৰ বাবে আমি postpond কৰিলো । যোৱা কালি MD, Transport ক পৰীক্ষা postpond ৰ বাবে কোৱা হৈছিল আৰু এইটো postpond হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** এইটো আপোনালোকে ভাল "Zero Hour" ত আনিছিলে । ভালকৈ উত্তৰ দিলে আৰু মই আপোনলোক সকলোকে ধন্যবাদ জনাইছো যে মই আজি পোন্ধৰ মিনিটৰ ভিতৰত তিনিটা "Zero Hour" শেষ কৰিছো । আগলৈও এনেকৈ সহায় কৰিব । ইয়াৰ পিছত কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদনখন পাঠ কৰি দিছো । "অসম বিধান সভাৰ নিয়মানুৱলী ২৩০ ৰ অধীনত আমাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক, ৰাজ্যপালৰ ভাষনৰ ওপৰত ধন্যবাদ সূচক যি প্ৰস্তাৱ, সেই প্ৰস্তাৱৰ বিতৰ্কৰ ক্ষেত্ৰত বিভিন্ন দল আৰু নিৰ্দলীয়া সদস্য সকলক আৱণ্টন কৰাৰ কাৰণে অনুষ্ঠিত হৈছিল আৰু সেই মতে আমি সৰ্বসন্মতি ক্ৰমে নিম্নলিখিত দল সমূহৰ বিপৰীতে ৭,৮,৯ আৰু ১২ ফেব্ৰুৱাৰী ২০১৮ তাৰিখত ৰাজ্যপালৰ ভাষনৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ সময় তলত উল্লেখ কৰা ধৰনে আৱন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো ।

মুঠ সময় হ'ব প্ৰায় ৪৮০ মিনিট, ভাৰতীয় জনতা পাৰ্টীৰ ২১৩ মিনিট ( মুখ্যমন্ত্ৰীৰ উত্তৰ সহ) জাতীয় কংগ্ৰেছৰ ৮৭.৫ মিনিট, গণ পৰিষদৰ ৪২ মিনিট, নিৰ্দলীয়াৰ চাৰে তিনি মিনিট, কিন্তু মই মই সেইটো পাচঁ, ছয় বা সাত মিনিটলৈ বৃদ্ধি কৰি দিম । ইয়াৰ উপৰিও সমিতিয়ে পৰিপূৰক দাবী মঞ্জৰা । কাৰণ বেছিকৈ ললে আলোচনা কৰাৰ বাবে অসুবিধা হয় । আশা কৰো এই প্ৰতিবেদন

খননত মাননীয় সদনৰ অনুমতি আছে । মই ধন্যবাদ দিছো বিৰোধী কংগ্ৰেছ দলক । তেওঁলোকে তালিকাখন দিছে । পিছত নাম দি থাকিলে তালিকাখন দিগদাৰ হয় । গতিকে Chief Whip, Secretary আছে । তেওঁলোকক নিজে ভাগ কৰি লব । যাতে আমি সময়ত বেলটো বজাব পাৰো। সময়মতে আমি কামখিনি কৰিব পাৰো । ইয়াৰ পিছত আজিৰ কাৰ্য্যসুচী নং ৩, মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই তেখেতৰ ৫৪ নিয়মৰ অধীনত যিখন notice দিছে সেইখন তেখেতে উত্থাপন কৰিব।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে এই সম্পৰ্কে কবলৈ সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। যোৱা ১৭ জানুৱাৰী তাৰিখে এই বাতৰিটো ওলাইছিল যে, " পৰিবহণ বিভাগৰ লোকো ছিণ্ডিকেটত জড়িত থকাৰ সন্দেহ - জনতা ভৱনৰ সমীপতে কয়লা পৰিবহণৰ ছিণ্ডিকেট, দালাল ধৃত "। গতিকে এইটো এটা অতি গুৰুত্বপূৰ্ণ বাতৰি আৰু বিগত কিছুদিন ধৰি এই বাতৰিটো লৈ বিভিন্ন সংবাদ মাধ্যমতো বহু বিতৰ্ক হৈ আছে আৰু ভয়ংকৰ কথাটো হ'ল যে, ইয়াত যিটো বাতৰি প্ৰকাশ হৈছে, এইটো জনতা ভৱনৰ ওচৰতে ছিণ্ডিকেট চলা কথা। অসমৰ বিভিন্ন ঠাইত কয়লা ছিণ্ডি কেটৰ বাতৰি আমি প্ৰায়ে পাই আছো। যোগীঘোপাত এইটো লৈ কিছুদিন আগত বিষয়া এগৰাকীক মাৰপিট কৰিছে। দুই তিনিদিনমান আগতে এগৰাকী ব্যৱসায়ীক গুলিয়াইছিল। মাৰ্ঘেৰিটাৰ এইটোৰ কাৰণে আন্দোলন হৈ আছে, চৰাইদেউত হৈ আছে। কিন্তু বেলতলাত বা ৰাজধানীৰ ওচৰতেই যদি ছিণ্ডিকেট চলে, এইটো এটা অতি ভয়ংকৰ কথা আৰু পৰিতাপৰ কথা। ইয়াৰ কু-প্ৰভাৱটো বিভিন্ন চেকগেটত এইটো কাৰণেই পৰে যে, কয়লাটোত আজি যিমান ইটা ভাটা বিলাক আছে, তাত কয়লা ব্যৱহাৰ হয়। বহু হোটেলত হয়। তাৰোপৰি অন্যান্য কিছুমান ইণ্ডাষ্ট্ৰিত হয়। যেতিয়া ছিণ্ডিকেট চক্ৰত কয়লাৰ দামটো বাঢ়ি যায়, তেতিয়া আলটিমেটলি ইটাৰ দামটোও বাঢ়ি যায়। হোটেলৰ বিভিন্ন ঠাইত বিশেষকৈ য'ত য'ত কয়লা ব্যৱহাৰ হয়, সেই দাম বিলাক বাঢ়ি যোৱাৰ লগে লগে আলটিমেটলি সৰ্বসাধাৰণ ৰাইজে চাফাৰ কৰিব লাগে। গতিকে এই ক্ষেত্ৰত আমি এটা আশা কৰিছিলো যে, এইবাৰেই নহয়, পূৰ্বৰ চৰকাৰৰ দিনটো বিভিন্ন সময়ত এই ছিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে বহু আন্দোলন হৈছিল। তাৰ পাছতো নতুন চৰকাৰ আহোতেও পৰিবৰ্তনৰ এটা শ্লো-গান দিয়া হৈছিল। আমি ভাবিছিলো যে এই ছিণ্ডিকেট বিলাক বন্ধ হৈ গ'লে অন্ততঃ ইয়াৰ কু-প্ৰভাৱৰ পৰা জনসাধাৰণ ৰক্ষা পৰিব, আৰু ইয়াত মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমান আগতে মাৰ্ঘেৰিটাত মানে এনেকুৱা ৰিপোৰ্ট ওলাইছিল য'ত এচিদ মাইন ড্ৰেইনেইজ যিটোৱে এক পৰিৰেশ বিলাক কুলষিত কৰে। তাৰপাছত সেউজ ন্যায়াধিকৰণে এইটো ৰিপোৰ্ট দিছে যে এটা এটা সেউজ ন্যায়াধিকৰণৰ যিটো পূৰ্বাঞ্চলৰ বিচাৰপীঠ তেওঁলোকে আনকি এইটো কৈছে যে, অসমত বছৰি তিনি হাজাৰ ছয়শ কোটি টকাৰ অবৈধ কয়লা ব্যৱহাৰ হয়। সেউজ ন্যায়ীধিকৰণৰ পূৰ্বাঞ্চলৰ বিচাৰপীঠে এইটো কৈছে। ৩,৬০০ কোটি টকা অবৈধ কয়লা অসমত বছৰি সৰবৰাহ হয়। ক'ল ইণ্ডিয়া লিমিটেড এতিয়ালৈকে ৫৬ খন এহেজাৰ দিছে, যে তেওঁলোকে বিশেষকৈ পূৰ্বাঞ্চলৰ টিপক, টিৰাপ, লিডুত অবৈধ যিবিলাক কয়লাৰ চুৰি কাৰ্য্য হৈ আছে আৰু অবৈধ খনন হৈ আছে, তাত হয় কি ৫০০ পৰা ৬০০-৭০০ শ এহাজাৰলৈকে এটা গ্ৰুপ বনাই যিবিলাক অবৈধ চুৰি কাৰ্য্যত ডড়িত। কিছুমান অস্ত্ৰধাৰী থাকে দম দিয়ে, ক'ল ইণ্ডাষ্ট্ৰি লিমিটেড্ৰ মানুহেও কণ্ট্ৰোল কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** আমি এইবিলাক পঢ়ি আছো। পেপাৰত।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে এই ক্ষেত্ৰত আমি চৰকাৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এইটো বনাঞ্চলতো চলাই আছে অবৈধ ভাৱে। এই গোটেই কেইটাৰ লগতে যোৱা ১৬

জানুৱাৰী তাৰিখে সুদীপ পাল নামৰ এজনক গ্ৰেপ্তাৰ কৰা হ'ল বেলতলাৰ যিজন দালাল, তেওঁৰ ফোন নাম্বাৰৰ পৰা সঞ্জয় সিংহা এজনক গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকে কৈছে, ডি টি অ'ৰ নিৰ্দ্দেশ মতে আমি কৰি আছো আৰু এখন ট্ৰাকৰ পৰা তেওঁলোকে কৈছে যে, অভাৰ লোড হয়। ৯ পৰা ১১ টনৰ ওপৰত হয়, তেনেহ'লে চাৰি হাজাৰ টকা, এঘাৰ টনৰ ওপৰত হ'লে আঠ হাজাৰ টকা, পচিচটনৰ ওপৰত হ'লে যিমান পাৰে চাৰ্চ কৰি পইচাটো লওঁ আৰু কৈছে এখন ট্ৰাকৰ পৰা পঁচিশ টকা ডি টি অ' ক দিব লাগে। বৈশিষ্ট থানাত দুশৰ পৰা তিনিশ, এইজনে স্বীকাৰোক্তি দিয়ে। যিজন দালালক এলাৰ্ট কৰিছে আৰু এই কথাটো আমাৰ সচিবালয়ত একদম ওচৰত। গতিকে এই কথাবিলাকে এটা অশুভ ইংগিত বহন কৰি আছে। অধ্যক্ষ মহোদয়, গতিকে এই ক্ষেত্ৰত মই ভাবো যে, আমি যদি চৰকাৰে অতি সোনকালে ক্ষিপ্ৰ পদক্ষেপ লৈ এই কয়লাৰ ছিণ্ডিকেট আৰু অবৈধ খনন আৰু কয়লাৰ চুৰি কাৰ্য্য, এইকেইটা যদি বন্ধ কৰিব নোৱাৰো আলটিমেটলি আমাৰ সৰ্বসাধাৰণ, জনসাধাৰণ তাৰ কাৰণে হাৰাশাস্তি ভুগিবই লাগিব আৰু আমাৰ যিটো দুৰ্নীতিৰ বিৰুদ্ধে এটা স্বচ্ছ প্ৰশাসন আমি আশা কৰি আছো এইটো সম্ভৱপৰ নহ'ব। গতিকে আপোনাৰ জৰিয়তে মই দৃষ্টিগোচৰ কৰিলো। যাতে অতি সোনকালে ব্যৱস্থা লয়। পুনৰবাৰ আপোনাক ধন্যবাদ জনায় মোৰ বক্তব্য এইখিনিতে সামৰণি মাৰিছো।

**অধ্যক্ষ মহোদয় ঃ** থেংক ইউ।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, যিহেতু কয়লা ছিণ্ডিকেটটো সমগ্ৰ ৰাজ্যত জোকাৰি গৈছে । গতিকে অধ্যক্ষ মহোদয়, আপোনাকে আনুৰোধ কৰিছো যে সদন সমিতি গঠন হ'ব লাগে।

**অধ্যক্ষ মহোদয় ঃ** Please, we will allow five special mentions. I will allow you. This is under Rule 54. Give a notice under Rule 54 or under 301. Please this is not the way of running the house.Minister please... আপুনি নটিচ এটা দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ আমিনুল ডাঙৰীয়াই যিটো বিষয় সদনত উত্থাপন কৰিছে, আণ্ডাৰ ৰুল ৫৪, এই বিষয়টো উত্থাপন কৰাৰ কাৰণে মই তেখেতক ধন্যবাদ দিছো। ধন্যবাদ মই এই কাৰণেই দিছো, যে এই বিষয়টো আচলতে সকলোৰে জনা ভাল আৰু এই বিষয়টো সকলোৰে জ্ঞাত হোৱা ভাল। এতিয়া প্ৰশ্নটো হৈছে যে, মই তেখেতক এই কাৰণেই ধন্যবাদ দিছো যে, তেখেতে এই বিষয়টো সদনৰ মজিয়াত আনিছে, আৰু সদনে এইটো ক্ষেত্ৰত জ্ঞাত হোৱাটো ভাল। অধ্যক্ষ ডাঙৰীয়া ,আমাৰ চৰকাৰ যেতিয়া বি জে পি নেতৃত্বাধীন মিত্ৰযোটৰ চৰকাৰ যিদিনা আহিছিল, প্ৰথমখন কেবিনেটত আমি পূৰ্বৰ চৰকাৰৰ যিমান অবৈধ চেকগেট আছে, আমি সেই চেকগেট প্ৰথম দিনাই উঠাই দিছিলো। তাৰ পাছত ইনটাৰ ষ্টেট তিনিখন চেকগেট আছিল। বকচীঘাট, শ্ৰীৰামপুৰ গেট আদিগড়হাট। অধ্যক্ষ ডাঙৰীয়া, যিদিনা জি এচ টি বিল ইনট্ৰোডিউচ হ'ল, তাৰ পাছদিনাখন আমি তিনিখন গেটো উঠাই দিলো। গতিকে ছিণ্ডিকেট লৈ আমাৰ চৰকাৰে যদি ছিণ্ডিকেটৰ প্ৰতি যদি দুৰ্বল হ'লহেঁতেন, তেনেহ'লে পূৰ্বৰ চৰকাৰৰ দিনত য'তে ত'তে ৰাস্তাত অবৈধ চেকগেট আছে, আমি আৰু চেকগেটৰ সংখ্যা বঢ়াই দিলোহেঁতেন, ইচ্ছা কৰা হ'লে আমি বাকী তিনিখন গেটো নুঠালোহেঁতেন। গতিকে আমাৰ প্ৰথম কেবিনেটৰ সিদ্ধান্ততে এইবিলাক উঠাই দিছো। গতিকে ছিণ্ডিকেটৰ লগত আমাৰ চৰকাৰ জড়িত নহয় আৰু ভৱিষ্যতেও নহ'ব আৰু ছিণ্ডিকেটৰ এই যিটো কথা আছে, কয়লা হওঁক বা অন্য কিবা। এইবিলাকত আমাৰ চৰকাৰে একদম স্পষ্ট আৰু ট্ৰানচ্পাৰেণ্ট নীতিত আগবাঢ়ি যাব। অধ্যক্ষ ডাঙৰীয়া, আজি এই যি বিষয়টো এনেকুৱা ধৰণৰ বিষয়, যে ইয়াত

আমি এই কয়লাৰ এই অভাৰ লোডবিলাক ধৰিব লগা হৈছে কিয় ? যে ৰ'ড চেফ্‌টি আজি চুপ্ৰিম কোৰ্টে মনিটৰ কৰি আছে। কাৰণ এক্সিডেণ্ট ইমান বেছি হৈছে যে, ভাৰতবৰ্ষত প্ৰায় ডেৰলাখতকৈ অধিক মানুহ এক্সিডেণ্টত মৃত্যু হৈছে। অসমত সাতহাজাৰতকৈ অধিক মানুহ এক্সিডেণ্টত মৃত্যু হৈছে। গতিকে চুপ্ৰিম কোৰ্টে ৰ'ড চেফ্‌টি এই গোটেই বিষয়টো চুপ্ৰিম কোৰ্টে মনিটৰ কৰি আছে। গতিকে যিবিলাক অভাৰ লোড ট্ৰাক আহে, আমি ধৰিব লগা হৈছে কিয় ? যে অভাৰ লোড ট্ৰাকবিলাক যেতিয়া আহে, তেতিয়াহ'লে ট্ৰাকখন অভাৰ লোড হৈ ইনবেলেঞ্চ হৈ যায়। ইনবেলেঞ্চ হ'লে এক্সিডেণ্ট হয় আৰু ৰাস্তাও বেয়া হয়, গতিকে চুপ্ৰিম কোৰ্টত মনিটৰত আমি এই অভাৰ লোডিং কথাবিলাক ইনফোৰ্চ কৰি আছো আৰু অভাৰ লোড ট্ৰেঞ্চপোৰ্ট বিভাগ সকলে অভাৰ লোড কৰিব নোৱাৰে। ট্ৰেঞ্চপোৰ্ট বিভাগৰ হাতত না লাঠি, না বন্দুক আছে, না কিবা আছে। গতিকে এই গোটেই বিষয়টোত আমাৰ কেইবাটাও বিভাগ ডড়িত হৈ আছে। আমি ইনফোৰ্চ কৰাৰ ক্ষেত্ৰত এক নম্বৰ পৰিবহণ বিভাগ, দুই নম্বৰ পুলিচ বিভাগ, তিনি নম্বৰ টেক্স, চাৰি নম্বৰ বি আই অ' , পাচঁনম্বৰ জিলা প্ৰশাসন। এনেকৈয়ে কেবাটাও বিষয়, কেইবাটাও ডিপাৰ্টমেণ্ট ইয়াৰ লগত জড়িত হৈ আছে আৰু জইন এটা কমবাইন এফোৰ্ট চলাব লাগিব আৰু কয়লা আৰম্ভ হৈছে। গতিকে মাজৰ একো গণ্ডগোল নাই। এই কেইটা দিনৰ ভিতৰত এটা গণ্ডগোল হৈ থাকে। এই কথা বতৰা বিলাক ওলাই থাকে। গতিকে অধ্যক্ষ ডাঙৰীয়া, মই এটাই কথা ক'লো কোনোবা মাননীয় সদস্যই আমাৰ ৰুলিং পাৰ্টিৰে হওঁক,অপজিশ্যনৰে হওঁক, আপোনালোকৰ হাতত যদি তথ্য থাকে যে, অমুকত এনেকুৱা কথা এটা হৈছে, তথ্য থাকে আমাক দিব আৰু আমি কঠোৰতকৈ কঠোৰ ব্যৱস্থা এই ক্ষেত্ৰত গ্ৰহণ কৰিম। এইটো প্ৰতিশ্ৰুতি দিলো মই সদনৰ মজিয়াত। হান্দ্ৰেড পাৰচেণ্ট অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত মই দুটা তিনিটা কথা কব বিচাৰিছো। এইটো কথা হ'ল যে, সকলো ডি চি, এচ পি আৰু ডি টি অ' আৰু টেক্সৰ অফিচাৰলৈকে প্ৰতিখন জিলাত আমাৰ অভাৰ লোডৰ ট্ৰাক বিলাকক চেক কৰিবলৈ জিলা পৰ্যায়ৰ একচন টেকেন টিম গঠন কৰা হৈছে আৰু তাৰে কপি ইতিমধ্যে অধ্যক্ষ মহোদয়ক দিছে। কয়লা আৰম্ভ হোৱাৰ লগে লগে দিছো। আৰু দ্বিতীয় কথা হ'ল যে, জি এচ টি ৰোধ কৰিবলৈ আমাৰ চেণ্ট্ৰেল জি এচ টি কমিশ্যনাৰকো আমি এখন চিঠি দিছো যে, আপোনালোকেও এইটোত এটা ব্যৱস্থা লব লাগে। জি এচ টি কমিশ্যনাৰ আৰু ষ্টেট টেক্স ডিপাৰ্টমেণ্টলৈকো আমি এই পত্ৰ প্ৰেৰণ কৰিছো। তাৰোপৰি মেঘালয় ষ্টেট ট্ৰেঞ্চপোৰ্ট কমিশ্যনাৰক আমি কৈছো যে, তোমালোকৰ মেঘালয়ৰ পৰা যিখিনি কয়লা আহে গতিকে এট চোৰ্চ তোমালোকে অভাৰ লোডটো বন্ধ কৰিব লাগে। আমি মেঘালয় চৰকাৰকো এইটো কথা তেওঁলোকৰ ট্ৰেঞ্চপোৰ্ট কমিশ্যনাৰলৈকে জনাইছো। গুৱাহাটী মহানগৰীত অভাৰ লোড চেক কৰিবলৈ আমি মনিটৰিং কমিটিত তেওঁলোকে দেইলি এইটো আমাৰ চুপাৰভাইজ আছে। এভ্ৰিডে একদিনো এনেকুৱা বাকী নাই যিদিনা অভাৰ লোড হোৱা নাই। ইভেন সেইদিনাখন মোক কোনোবা এজন বিষয়া, মানে ট্ৰেঞ্চপোৰ্টৰ কোনোবা এজন বিষয়া কিবা এনেকুৱা ধৰণৰ কি বিষয়া মই নাজানো। কিবা এমফোৰ্চমেণ্ট ইঞ্চপেক্টৰ এনেকুৱা কিবা হব আ ৰু মোক কৈছে যে, এইজন বিষয়া এনেকৈ জড়িত আছে কোনোবাই। এনেকৈ টি ভিত কৈ দিলে। মই বোলো ঠিক আছে কমপ্লেইন দিছে। মই আমাৰ নিজৰ বিষয়াক, আমাৰ ডি. টি. ও. ক কৈছো যে আমাৰ কমিচনাৰ আৰু চেকেট্ৰেৰী অথ'ৰেটিক কৈছো যে এফ.আই. আৰ. দি দিয়ক। আমাৰ বিষয়া হলেটো কথা নাই, আমাৰ চৰকাৰী বিষয়াক কিন্তু এফ.আই.আৰ. দি দিছো। গতিকে এইটোৰ ক্ষেত্ৰত কোনো কম্প্ৰমাইজ নাই। ছিণ্ডিকেটৰ ক্ষেত্ৰত কোনো কম্প্ৰমাইজ হ'ব নোৱাৰে। গতিকে মই দৃঢ়তাৰে এই কথাখিনি আপোনা সকলক কলো, আৰু আমি ইতিমধ্যে ডি.আই.ও এচ.পি ক আৰু ওৱেটছ এণ্ড

মেজাৰৰ কণ্ট্ৰলাৰক লৈ অভাৰ লোডৰ ক্ষেত্ৰত আমি তেওঁলোকৰ লগত ইতিমধ্যে আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিছো, আৰু ব্যৱস্থা গ্ৰহণ কৰোতে জি এম চি কমিচনাৰকো কৈছো যে কয়লা ডিপো বিলাক আপোনালোকে দৈনিক ছুপাৰভাইজ কৰিব লাগে। এতিয়া মই এটা কথা মনে মনে ভাবি আছো, আৰু এইটো কথা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো কম যে আমাৰ যিবিলাক কয়লা মেঘালয়, নাগালেণ্ড আৰু অৰুণাচলৰ পৰা আহে, তেওঁলোকৰ কয়লা যদি অসমলৈ আহে আৰু য'ত আহে, তাতে আনলোড কৰাৰ যিটো কোম্পানীৰ কাৰণে কয়লা আনিছে, যদি সেই কয়লা বিহাৰত যায় তেতিয়া বেলতলাত আকৌ কিয় কয়লা জমা কৰিব লাগে? এইটো কৰাৰ যুক্তি কি? সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এই কথাখিনি কম যে, ইয়াতে য'ৰ কয়লা, মেঘালয়ৰ পৰা আহিব, যদি বিহাৰত যাই তেতিয়া ডাইৰেক্ট যাওঁক ইয়াতে আনলোড কৰিব নালাগে। গতিকে আনলোডৰ চিষ্টেমটো সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া চৰকাৰে কৰা নাই। এই আনলোড চিচষ্টেমটো আগৰে পৰা চলি আছে। গতিকে এই আনলোডটো ইয়াত কৰিব নালাগে। ডাইৰেক্ট য'লৈকে আহিছে তালৈকে কয়লা যাওঁক। ইয়াত আনলোড কেতিয়াওঁ হ'ব নালাগে। গতিকে এই কথাখিনি আমি বিবেচনা কৰি আছো অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা আৰু কব বিচাৰিছো, বেছি সময় নলও দুই মিনিট ল'ম। এতিয়া অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কৈছো যে, আজি আমাৰ যিটো অভাৰলোড হৈছে, ফাইন হৈছে, অধ্যক্ষ ডাঙৰীয়া, সেইটো আপোনাৰ জৰিয়তে মাননীয় সদস্য সকলক কৈছো যে ২০১২-১৩ চনত আমাৰ ফাইন ৰিয়েলাইজ হৈছে ৯১ লাখ৫৫ হাজাৰ ৩০০ টকা। ২০১৩-১৪ চনত ফাইন ৰিয়েলাইজ হৈছিল ৯৮ লাখ ৪৭ হাজাৰ ২০০ টকা, ২০১৪-১৫ চনত ফাইন ৰিয়েলাইজ ৯৮ লাখ ৯৭ হাজাৰ ৭০০ টকা। ২০১৫-১৬ চনত যেতিয়া আমাৰ চৰকাৰ আহি গৈছিল। আমাৰ চৰকাৰ অহাৰ পাচত, আধা দিন পালো গোটেই দিন পোৱা নাই। কিয়নো আমাৰ ইলেকচন মিড অফ দা ইয়েৰত হৈছিল। গতিকে আমাৰ চৰকাৰ অহাৰ লগে লগে ১ কোটি ২ লাখ ১১ হাজাৰ ১০০ টকা হ'ল। তাৰ পাচত ২০১৬-১৭ চনত আমাৰ কিমান হ'ল অধ্যক্ষ ডাঙৰীয়া, ফাইন এইটো দেই অভাৰলোড ফাইন ৫ কোটি ১৩ লাখ১০ হাজাৰ টকা। বছৰত ৫ কোটি, আৰু এতিয়া আমাৰ দুমাহ বাকী আছে। দুমাহ বাকী থাকোতে আমাৰ ৪ কোটি ৭১ লাখ ৭৬ হাজাৰ প্ৰায় ৬০০ কোটি টকা হৈছে গতিকে এইটো চাই অনুমান কৰিব পাৰি আমাৰ ৬ কোটি ৭কোটি টকা হ'ব। কিন্তু আগতে ১ কোটি টকাও নহয়। গতিকে ১ কোটি টকা নোহোৱাত, যাৰ চৰকাৰৰ দিনত ১ কোটি টকা নহয়, তেওঁলোকে ছিণ্ডিকেটৰ কথা কয়। যিখন চৰকাৰে ৬ কোটি টকা ফাইন কৰে, তেওঁলোকক ছিণ্ডিকেট কৰা বুলি কয়, এইটো দুখৰ কথা, আচলতে আৰু টকচ্‌ত গৈ এই বিলাক ছিণ্ডিকেট হৈছে, অমুক হৈছে, তমুক হৈছে বুলি কয়। অধ্যক্ষ ডাঙৰীয়া, আৰু মই এটা কথা কওঁ যে আমাৰ আজিৰ দিনটোত যিটো ট্ৰান্সপ'ৰ্ট ৰেভিনিউ, সেইটোত মই ফাইনৰ কথা কলো। ফাইনৰ উপৰিও আমি ট্ৰান্সপ'ৰ্ট ৰ যে ৰেভিনিউ চৰকাৰক দিওঁ, অধ্যক্ষ ডাঙৰীয়া, এইটো শুনিব, ট্ৰান্সপ'ৰ্ট বিভাগৰ ছিণ্ডিকেট হ'লে এই ব্যৱস্থা হ'লহেতেন নে?

১) ২০১২-১৩ চনত ট্ৰান্সপ'টৰ ৰেভিনিউ হৈছিল ৩৮৮ কোটি, ২০১৩-১৪ চনত হ'ল ৩৬১ কোটি টকা ২০১৪-১৫ চনত হ'ল ৩৭৮ কোটি টকা। ৪ কোটিলৈকে যাব পৰা নাই, আৰু আমাৰ চৰকাৰ অহাৰ পাচত ২০১৫-১৬ চনত সেইটো ৪ কোটি ৫৩ লাখ হ'ল। যোৱা বছৰত অৰ্থাৎ পূৰ্ণ বছৰ এটা পালো আৰু সেই বছৰত ৫৪৬ কোটি টকা কালেক্ট কৰিলো। ৫৪৬ কোটি২০.৪৩ শতাংশ মান ইনক্ৰিজ হৈছে অধ্যক্ষ ডাঙৰীয়া, ২০১৭-১৮ চনত জানুৱাৰী মাহলৈকে এতিয়া আমাৰ আৰু বাকী আছে। আমাৰ জানুৱাৰী মাহলৈকে আৰু ৩১ মাৰ্চলৈকে বাকী আছে। গতিকে এইবাৰ অধ্যক্ষ ডাঙৰীয়া

অসম চৰকাৰক ট্ৰান্সপ'ৰ্ট বিভাগে ৰেভিনিউ দিব ৭২০ কোটি টকা । তাৰ পাছত আজি যদি কোনোবাই কয় যে এই বিলাক হৈছে তেতিয়া হলে এই বিলাক ইমান কালেকচন কেনেকৈ হৈছে? গতিকে অধ্যক্ষ ডাঙৰীয়া, এই কথাখিনি কোৱা কাৰণে মই আমাৰ আমিনুল ইছলাম ডাঙৰীয়াক ধন্যবাদ দিছো, এই কথাখিনি অহাটো দৰকাৰ। এইখিনি কথা অসমৰ জনসাধাৰণে জনাটো দৰকাৰ, আৰু সন্মানীয় সদস্য সকলে জনাটো দৰকাৰ। গতিকে এই কথাখিনি মই অধ্যক্ষ ডাঙৰীয়াক স্পষ্টকৈ কলো। সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলা চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে যিটো পদক্ষেপ গ্ৰহণ কৰিছে, এই পদক্ষেপত এই চৰকাৰ সদায় অটল থাকিব। ইয়াত কোনো কম্প্ৰ'মাইজ নহ'ব আৰু ছিণ্ডিকেটৰ ওচৰত এই চৰকাৰে আঁঠু নলয়। এই কথাখিনি মই বিধান সভাৰ মজিয়াত কলো।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্যঃ**- মাননীয় অধ্যক্ষ মহোদয়, ২০১৫-১৬ বিত্তীয় বৰ্ষ শেষ হয় মাৰ্চ মাহত ৩১ তাৰিখে আৰু এখেত সকলৰ চৰকাৰ আহিলে ১৬ চনৰ মে মাহত, কেনেকৈ ১৫-১৬ লৈ তেখেত সকলে কৃতিত্ব লৈ আছে। এইখন সদন পবিত্ৰ সদন।

**মাননীয় অধ্যক্ষ মহোদয় ঃ**- এইটো ২০১৬-১৭ হ'ব। এতিয়া প্ৰশ্ন নং ৪ ৰোল ৩০১ স্পেচিয়েল মেনচনত আজি আমি ২ খন নটিছ লৈছো। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ প্ৰথম তাৰ পাছত শ্ৰী প্ৰদীপ হাজৰিকা। ৫ মিনিট।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, সদস্যঃ**- মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো বিষয়টো উত্থাপন কৰিবৰ কাৰণে আৰু আমাক সুযোগ দিয়া বাবে। মাননীয় অধ্যক্ষ মহোদয়, যুগশঙ্খ কাগজে প্রকাশিত "এনআরসি প্রথম খসড়ায় ১ কোটি ৯০ লক্ষ নাম, এখনও ঝুলে রইল ১ কোটি ৩৯ লক্ষ, নাম না থাকলেও শঙ্কা নয়, অভয় সর্বানন্দ-হাজেলার" বিষয়টি উত্থাপনের সুযোগ দেওয়ায় আমি কৃতজ্ঞতা জানাই।

মাননীয় অধ্যক্ষ মহোদয়, গতানুগতিক উত্তর যেগুলো— বিদেশীর ভিত্তিবর্ষ ১৯৭১ সালের২৫ মার্চ এবং মন্ত্রী মহোদয় বলবেন যে কোন ভারতীয় মানুষের নাম বাদ পরবে না সেই লিস্ট থেকে, সেটা আমরাও জানি। তাতে আমাদের কোন আপত্তি নেই। কিন্তু আমার প্রশ্ন হচ্ছে, মাননীয় অধ্যক্ষ মহোদয় ৩১ ডিসেম্বর নববর্ষের দিনে এনআরসির লিস্টটা প্রকাশিত হল। রাত১২ টায় যখন আমরা দেখতে পারলাম, নববর্ষের উপহার হিসাবে একটা ভুল এনআরসি-র লিস্ট প্রকাশিত হল। অধ্যক্ষ মহোদয়, আমি কিছু তথ্য আমি আপনার সামনে তুলে ধরতে চাই। বিশেষ করে সুপ্রিম কোর্টে আমাদের কো-অর্ডিনেটর হাজেলা বলেছিলেন, অ্যাফিডেভিড দিয়েছিলেন যে ২ কোটি লোকের নথিপত্র ইতিমধ্যেই ভেরিফাই হয়ে গেছে এবং ১৫ জানুয়ারির ভিতরে আরও ৩৮ লক্ষ ভেরিফাই হয়ে যাবে। তার মানে তিনি ২ কোটি ৩৮ লক্ষ লোকের নথিপত্র ভেরিফাই করতে পারবেন ১৫ জানুয়ারির ভেতরে। তখন মাননীয় অধ্যক্ষ মহোদয় সুপ্রিম কোর্ট থেকে যে অর্ডারটা বেরলো, বিশেষ করে ১৫-১২-২০১৭ তে নির্দেশটা এভাবে ছিল যে we have passed a order dated 30-11-2007 directing that the draft NRC is so far as 2.38 claims are concern to be published all are default 31-12-2017, that means ৩১ ডিসেম্বরের মধ্যে২ কোটি ৩৮ লক্ষ মানুষের নাম অন্তর্ভুক্ত করে ফার্স্ট ড্রাফট প্রকাশ করতে হবে। কিন্তু আমরা দেখতে পেলাম যে ১ কোটি ৯০ লাখ মানুষের নাম প্রথম ড্রাফট লিস্টে প্রকাশিত হল। তার মানে হাজেলা সুপ্রিম কোর্টে অ্যাফিডেভিড দিচ্ছেন, সুপ্রিম কোর্ট উনাকে এক ধরনের নির্দেশ দিচ্ছে, কিন্তু প্রকাশিত লিস্টে দেখা যাচ্ছে ৩৮ লক্ষ মানুষের নাম নেই। সেটার কারণ কি? সুপ্রিম কোর্ট একভাবে বলবে, হাজেলা এভাবে বলবেন, গর্ভনমেন্ট একভাবে বলবে—

একজনের সঙ্গে আরেকজনের বক্তব্যে সঙ্গতি নেই।

আমি মনে করি অধ্যক্ষ মহোদয়, সেই ব্যাপারটা নিয়ে অসমের মানুষ খুবই শঙ্কিত। যিনি সুপ্রিম কোর্টকে অবহেলা করতে পারেন, সুপ্রিম কোর্টের অর্ডারকে অবজ্ঞা করতে পারেন, তিনি কি অসমের জনসাধারণকে অবজ্ঞা করতে পারেন না? মাননীয় অধ্যক্ষ মহোদয়, এই যে ১ কোটি ৩৮ লক্ষ মানুষের নাম তালিকায় নেই এর কারণটা কি? কারণটা আমরা জানতে চাই সরকারের কাছ থেকে।

অধ্যক্ষ মহোদয় আমরা দেখতে পেলাম যে কিছু সংখ্যক ডিস্ট্রিক্টে ৮৩ শতাংশ, ৯৩ শতাংশ, ৭২ শতাংশ মানুষের নাম অন্তর্ভুক্ত হয়েছে, তাতে খারাপ পাইনি। সেটা ভালোই হয়েছে। আমাদের কোনও আপত্তি নেই। কিন্তু বিশেষ করে ১৩ টি ডিস্ট্রিক্ট যেখানে ভাষিক সংখ্যলঘু এবং এবং ধর্মীয় সংখ্যালঘুদের বাস, তাতে intentionally 40%,45% 30% নাম অন্তর্ভুক্ত হলো। চা বাগানের শ্রমিক— 'ওআই' হিসাবে ওদের নাম ঢোকানো হয়েছে যদি ধরা হয়, তাহলে চা উপজাতিদের নাম বাদ দিলে ভাষিক সংখালঘু, ধর্মীয় সংখ্যালঘুদের মাত্র ২০ থেকে২৫ শতাংশ নাম ঢুকেছে তালিকায়। সেটার কারণটা কি? এনআরসির ড্রাফটে ভাষিক সংখ্যালঘু, ধর্মীয় সংখ্যালঘুদের মাত্র ২০ থেকে ২৫ শতাংশ নাম থাকবে, এর কারণটা কি? ভাষিক সংখ্যালঘুর ২০ শতাংশ নাম ঢুকবে তালিকায়, তার কারণ কি? কারণটা আমরা এই সদনে জানতে চাই। মন্ত্রীর স্পেসিফিক উত্তর আমরা জানতে চাই।

মাননীয় অধ্যক্ষ মহোদয়, পরিবারের মুরব্বী যার লিগ্যাসি আমরা ব্যবহার করলাম, আমার পরিবারের মুরব্বীর লিগ্যাসি আমরা ব্যবহার করলাম, যার লিগ্যাসি ব্যবহার করলাম, তার নাম এলো না, বাবার নাম স্থান পেল না, মা-র নাম এলো না। কিন্তু যে ছেলেটার বয়স মাত্র ১ বছর, সেই ১ বছরের ছেলেটার নাম এনআরসি র ড্রাফটে ঠাঁই পেল। সেই ছেলেটা কোথা থেকে এলো? যদি ওর মা, বাবার নাম না থাকে, তাহলে ছেলেটার নাম কোথা থেকে আসবে? এই যে একটা অসঙ্গতি,এন আর সির ড্রাফট পাব্লিকেশনে পরিকল্পিত ভাবে যে জিনিসগুলি হচ্ছে, আজ সদনে যাতে মন্ত্রী সেই কথাগুলি আমাদের Clearly বুঝিয়ে দেন, সেটাই চাই আমি। সুপ্রিম কোর্ট একদিকে বিভিন্ন রায় দিচ্ছে, কিন্তু আমরা দেখতে পারছি হাজেলা এক ফর্মুলায় কাজ করছেন। যে ফর্মুলায় উনি কাজ করবেন, তাতে সরকারের যদি সংযোগ না থাকে কী করে চলবে? একদিকে বলা হয়, সুপ্রিম কোর্টের মনিটরিংয়ে কাজ চলছে, অথচ সেই মডেলিটিসগুলো বিধানসভা থেকে ঠিক করা হয়েছে, অনেক দল, মত নিয়ে ঠিক করা হয়েছে। কিন্তু মডেলিটিসগুলির কোনও ঠিক নেই, কোন কথার ঠিক নেই। হাজেলা এক কথা বলছেন, এক ফর্মুলা ঠিক করছেন, এই যে একটা অসঙ্গতি, তাতে এক বিভীষিকাময় পরিস্থিতি সৃষ্টি হয়েছে।

অধ্যক্ষ মহোদয়, সরকার যাতে এই বিষয়ে একটু concern হয় এবং প্রকৃত ভারতীয় মানুষের নাম যাতে এনআরসির লিস্ট থেকে বাদ না পড়ে, সেটা দেখতে হবে। আরও দুটো কথা বলছি, বিশেষ করে ভেরিফিকেশনের জন্য বিভিন্ন রাজ্যে Document পাঠানো হয়েছে। অধ্যক্ষ মহোদয়, আমরা জানতে পেরেছি ২০, ৩০, ৫০ শতাংশ নথিপত্র ভেরিফাই হয়ে বিভিন্ন রাজ্য থেকে এসেছে। কিন্তু যাদের ডকুমেন্টসগুলো ভেরিফাই হয়ে আসবে না, ওদের ক্ষেত্রে কি করা হবে? মাননীয় অধ্যক্ষ মহোদয়, আমার একটা suggestion থাকবে যাতে Indian evidence act মতে মানুষের মতামত নিয়ে যাদের নথিপত্র ভেরিফিকেশন হয়ে আসবে না, ওদের যাতে পুঙ্খনাপুঙ্খভাবে বিচার করা হয়। যারা বয়োজ্যোষ্ঠ মানুষ রয়েছেন, তাদের নাম যাতে Indian evidence act মেনে যাচাই করে এনআরসি-র লিস্টে ঢোকানো হয, সেজন্য আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে

অনুরোধ করছি।

‘ওআই’ নিয়ে একটা বিতর্ক ছিল যে কারা ‘ওআই’ এবং কারা ‘ওআই’ নয়। সুপ্রিম কোর্টের যে রায় আমরা দেখতে পারলাম, আমরা বিধায়করা কেস করেছিলাম, সেই রায়ে আমরা দেখতে পেলাম কে original inhabitant এবং কে original inhabitant নয় সেটা দেখার জন্য এনআরসি হচ্ছে না। বিশেষ করে citizenship act- এ ভারতীয় নাগরিকের কথা বলা হয়েছে, কে original inhabitant কে original inhabitant সেটা বলা হয়নি।

মাননীয় অধ্যক্ষ মহোদয়, একটা তথ্য আমি আজ এই পবিত্র সদনে জানাতে চাই ভারতবর্ষ যখন undivided ছিল ,যখন partition হয়, তখন করিমগঞ্জ, কাছাড়, হাইলাকান্দি শ্রীহট্ট জেলায় ছিল। তখন আমরা কিন্তু by choice বলেছি যে না আমরা পূর্ব পাকি স্তানে যাব না, আমরা ভারতেই থাকতে চাই। অতএব অনেকেই migrated হয়ে এই অসমে এসেছেন। এবং আমি মনে করি ভূমিপুত্র এবং খিলঞ্জিয়া যদি বলতে হয় তাহলে বাঙালিদেরকে বলতে হবে। কিন্তু এমন একটা পরিবেশ গড়ে তোলা হয়েছে, সেই পরিবেশে প্রত্যেক বাঙালি না কি যে ১৯৭১ সালের ৫ মার্চের পর এই অঞ্চলে এসেছেন। যারা এই অসমে জন্মগ্রহণ করল, যারা ১০০, ২০০, ৩০০,৫০০ বছর ধরে বসবাস করছে, ওদের নাম কিন্তু এন আর সি-র লিস্টে নাই। অধ্যক্ষ মহোদয়, এই ব্যাপারটা যে পরিকল্পিতভাবে করা হয়েছে, একজন বিধায়ক হিসাবে আমি মনে করি বিধানসভার প্রত্যেক সদস্যের কাছে এটা পরিতাপের বিষয়।২০০৫ সালে মাননীয় মুখ্যমন্ত্রী সর্বানন্দ সনোয়াল ‘ডি’ ভোটার নিয়ে একটা কেস করেছিলেন এবং এর রায়ে পরিষ্কারভাবে লিখা ছিল যে বিদেশি নোটিশ যদি কাউকে দেওয়া হয় তাহলে সেখানে কারণটা দর্শাতে হবে। কিন্তু আমরা দেখতে পারছি আজকের দিনে যাকে তাকে বিদেশি নোটিশ দেওয়া হচ্ছে। ক'দিন আগে একজন আর্মি অফিসারকে নোটিশ দেওয়া হয়েছিল। পরে যদিও পুলিশ গিয়ে মাফ চেয়েছিল। কিন্তু ultimately প্রকৃত ভারতীয়দের যে হেনস্তা করা হচ্ছে, সেটা পরিতাপের বিষয়। মাননীয় অধ্যক্ষ মহোদয়, আমি আর বিশেষ কিছু বলব না। আমাদের বরাকে যে লিস্ট প্রকাশিত হল তাতে ৯৫ শতাংশ মানুষের নাম ভুল। ভুল মানে কি, আমি আপনাকে একটা দৃষ্টান্ত দিচ্ছি। নাম ছিল ‘তারক পাল’, লিস্টে নাম এসেছে ‘তার কপাল’। এইভাবে ৯৫ শতাংশ মানুষের নাম ভুল। বিশেষ করে আমি একটা কথা বলতে চাই যে

জাতির জনক মহাত্মা গান্ধী বলেছিলেন, গুজরাট যদি গুজরাটির জন্য হয়, বিহার যদি বিহারির জন্য, বেঙ্গল যদি বেঙ্গলির জন্য হয়, অসম যদি অসমিয়াদের জন্য হয়, তাহলে ভারতীয়দের জন্য কোন জায়গা থাকবে ? আমরা চাই ভারতীয় হিসাবে বাসবাস করতে। আম্বেদকর বলেছিলেন, We are Indian firsty and lastly.... জীবনের প্রথম দিন থেকে আমরা ভারতেই বাস করতে চাই সেটাই আমাদের ফার্স্ট পরিচয়, সেটাই আমাদের লাস্ট পরিচয়। এভাবে যাতে ভাষিক সংখ্যালঘু, ধর্মীয় সংখ্যালঘুদের জন্য একটা সুন্দর পরিবেশ গড়ে তোলা হয় এবং এনআরসি নিয়ে আমাদের সরকার Concern থাকে এবং ভারতীয়দের মৌলিক অধিকার যাতে খর্ব করা না হয়, সেটাই আমি চাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থই যিখিনি বক্তব্য ৰাখিলে,সেইখিনি শুণিলো । কথাখিনি ঠিকে আছে । অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই দুটা কথা কব বিচাৰিছো । প্ৰথম কথাটো হ'ল - ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে এন আৰ চি প্ৰিপাৰেশ্যনৰ গোটেই প্ৰক্ৰিয়াটো মনিটৰিং কৰি আছে । অসম চৰকাৰে তাত ফেচিলিটি প্ৰভাইড কৰিছে ।আমি অফিচাৰ দিছো, ল'জিষ্টিক সুবিধা দিছো, গোতেইখিনি সুবিধায়ে প্ৰভাইড

কৰিছো । দ্বিতীয় গুৰুত্বপূৰ্ণ কথাটো হ'ল - প্ৰতিজন ভাৰতীয় নাগৰিকৰে বি জে পিয়ে হওঁক , কংগ্ৰেচেই হওঁক , চি পি এমেই হওঁক ,চি পি আইয়েই হওঁক, আৰু এ আই ইউ ডি এফেই হওঁক যি পাৰ্টিয়েই নহওঁক কিয় প্ৰতিজন ভাৰতীয় নাগৰিকৰে এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰাত সহযোগিতা কৰাটো কৰ্তব্য । এন আৰ চি বিষয়টো লৈ কোনেও ৰাজনীতি কৰাটো উচিত নহয়। আমিও নকৰো,আনেও কৰিব নালাগে । আমি কোৰা নাই কোনোবাই ৰাজনীতি কৰিছে বুলি আৰু সেইবাবেই আমি গোটেই বিষয়টো বিশ্বাসত লৈছো । আমি সকলোকে লৈ এন আৰ চি বিষয়টো সুন্দৰভাৱে আগবঢ়াই লৈ যাব বিচাৰিছো । এইটো নহয় যে আমি অকল বি জে পিয়েই এন আৰ চি ৰ কামটো কৰি আছো । আমি কোনো বিশেষ দলক লৈ এই কামটো কৰিব বিচৰা নাই । গতিকে আমি সকলোকে লৈ এই এন আৰ চি খন প্ৰস্তুত কৰিব বিচাৰিছো । এন আৰ চি বিষয়টো আমি এটা ইচ্যু হিচাপে আমাৰ মগজুত বহুদিনৰপৰাই লৈ আছো প্ৰায় ১৯৭৫-৭৬ চনৰ পৰাই। আমাৰ মাজত এন আৰ চিক লৈ এটা আনষ্টেবিলিটি চলি আছে । এই আনষ্টেবিলিটি মানুহৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰাব লাগে। One NRC for all and for ever. এন আৰ চি খন প্ৰস্তুত হৈ যোৱাৰ লগে লগে এন আৰ চি বিষয়টো চলিউশ্যন হ'ব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰৰ হৈ এটা কথাই কব বিচাৰো যে-- কোনো ভৰতীয় নাগৰিকেই নাগৰিক পঞ্জীৰ সংশোধনীৰ ক্ষেত্ৰত দ্বিধাবোধ কৰিব নালাগে । এটা কথা স্পষ্ট যে প্ৰতিজন ভাৰতীয় নাগৰিকৰে নাম এন আৰ চিত সন্নিবিষ্ট হ'বই। যদি খছৰাত কাৰোবাৰ নাম নাথাকিলেও তেওঁৰ নাম নুঠাকৈ নাথাকে, যদিহে তেওঁ প্ৰকৃত ভাৰতীয় . নাগৰিক হয় । কোনো বিদেশীৰ নাম যে এন আৰ চিত নোসোমাই এইটো কথা স্পষ্ট আৰু ক্লিয়াৰ । এই ক্ষেত্ৰত ছুপ্ৰিম কোৰ্টে মনিটৰ কৰি আছে । গতিকে, এই গোটেই বিষয়টো আমি সকলোৱে এটা প'জেটিভ দৃষ্টিভংগীৰে লৈ যাব লাগে, যাতে আমি এই বিষয়টো লৈ পেলাই আৰু আলোচনা কৰি থাকিব নালাগে আৰু আমাৰ মাজতো যাতে কোনো আনষ্টেবিলিটি নাথাকে। সকলো মাননীয় সদস্যই বিগত দিনত যিদৰে সহায়-সহযোগিতা আগবঢ়াইছে, তেনেকুৰা ধৰণৰ সহায়-সহযোগিতা আমি আগন্তুক দিনবোৰতো আপোনালোকৰ পৰা বিচাৰিছো। এই সহায়-সহযোগিতা আগবঢ়াই গলে, আমাৰ অসমখনৰ বৰ্তমান যি দুঃচিন্তা, দুৰ্ভাৱনা চলি আছে সেইটো দুৰ হ'ব । গতিকে, এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰাত সহযোগিতা কৰাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰে কৰ্তব্য। ।

এই বিষয়টো আমি পজিটিভ দৃষ্টি ভঙ্গীৰে লৈ যাব লাগে যাতে অসমৰ বাবে ফৰ এভাৰ আমি এই বিষয়টো আলোচনা কৰি থাকিব নালাগে। আমাৰ ক্ষেত্ৰত ইয়াক লৈ যাতে ৰাজনীতি নাথাকে গতিকে আমাৰ সকলো মাননীয় সদস্যই বিগত দিনত যেনেধৰণে সকলোৱে এইক্ষেত্ৰত আমাক সহায় সহযোগ কৰিছিল তেনেধৰণৰ সহায় সহযোগ আগন্তুক দিনতো আপোনালোকৰ পৰা আমি বিচাৰিছো। এই সহায় সহযোগ আপোনালোকে আমাক আগবঢ়াই গ'লে বৰ্ত্তমান কিছুমানৰ মনত যিটো দুশ্চিন্তা দুৰ্ভাৱনা হৈছে সেইখিনি আঁতৰি যাব। মাননীয় অধ্যক্ষ মহোদয় এই ক্ষেত্ৰত মই এটা কথা জনাব বিচাৰিছো যে মাননীয় উচ্চতম ন্যায়ালয়ে ৰিট পিটিচন চি নং-৫৬২ / ২০১২ আবেদনৰ ওপৰত ৩০-১১-২০১৭ ইংৰাজী তাৰিখে দিয়া হুকুম অনুসৰি ২০১৭ চনৰ ৩১ ডিচেম্বৰত মাজৰাতি অন্তত ইতিমধ্যে সম্পূৰ্ণকৈ পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন হোৱা ১ কোটি ৯০ লাখ আবেদনকাৰীৰ নাম অৰ্ন্তভূক্ত কৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আংশিক খঁচৰা প্ৰকাশ কৰা হয়। ১ কোটি ৩৯ লাখ অবশিষ্ট আবেদনকাৰী সৰ্ন্দভত পৰীক্ষণ প্ৰক্ৰিয়াৰ কাম দ্ৰুত গতিত আগবাঢ়িছে। গতিকে , সেইসকল লোকে এতিয়া আবেদন নাইবা নথি-পত্ৰ দাখিল কৰা আৰশ্যক নাই । ইতিমধ্যে এন আৰ চি উন্নীতকৰণ সন্দৰ্ভত অসমীয়া , বাংলা, বড়ো , আৰু ইংৰাজী ভাষাত প্ৰকাশিত ও প্ৰচাৰিত ৰাজ্যখনৰ দৈনিক

বাতৰি কাকত সমূহৰ উপৰিও বৈদ্যুতিক মাধ্যমৰ যোগেদি প্ৰচাৰিত ৰাজহুৱা ঘোষণামৰ্মে জনসাধাৰণক বিতংভাৱে অৱগত কৰা হৈছে। এন আৰ চি কৰ্তৃপক্ষৰ দ্বাৰা প্ৰচাৰিত ৰাজহুৱা ঘোষণা যোগে এই কথাও জনসাধাৰণক স্পষ্টভাৱে জনোৱা হৈছে যে, ২০১৭ চনৰ ৩১ ডিচেম্বৰ তাৰিখে প্ৰকাশিত আংশিক খচৰা এন আৰ চি ( পাৰ্ট পাপ্লিকেচন অৱ ড্ৰাফট্ ) প্ৰকাশৰ পিচত আংশিক খচৰাত নাম নথকা আবেদনকাৰীসকলে তেওলোকৰ আবেদন নাকচ হোৱা বুলি ভাবি ভয় বা আশংকা কৰিব নালাগে। আংশিক খচৰা এন আৰ চিত নাম অৰ্ন্তভূক্ত নোহোৱা আবেদনকাৰীসকলৰ নথি-পত্ৰৰ পৰীক্ষণ সম্পূৰ্ণ হোৱা সাপেক্ষে তেওলোকৰ নাম যোগ্যতাৰ ভিত্তিত পৰৱৰ্ত্তী সময়ত সম্পূৰ্ণ কৈ প্ৰকাশিত খচৰা এন আৰ চি ( কমপ্লিট ড্ৰাফট্ এন আৰ চিত) অৰ্ন্তভূক্ত কৰা হ'ব। ইয়াৰ লগত ইংৰাজী , অসমীয়া, বাংলা আৰু বৰো ভাষাত প্ৰকাশিত প্ৰচাৰ পত্ৰ ( লিফট লেট) আৰু বিজ্ঞাপন ( এডভাৰটাইজমেন্টৰ প্ৰতিলিপি জ্ঞাতাৰ্থে সংলগ্ন কৰা হ'ল। গতিকে অধ্যক্ষ মহোদয় মাননীয় সদস্যগৰাকীয়ে যিটো বিষয় ইয়াত উত্থাপন কৰিছে সেই বিষয়টোৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এটা কথা ক'ব বিচাৰিছো যে আমাৰ কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে, কিছুমান মানুহৰ নাম ওলোৱা নাই। কিছুমান মানুহৰ দেউতাকৰ নাম উঠিছে লৰাৰ নাম উঠা নাই। এনেকুৱা হৈছে কিন্তু এইটো বহু ডাঙৰ এক্চাৰচাইজ। গতিকে যদি ভাৰতীয় নাগৰিক হয় তেওঁলোকৰ নাম নিশ্চয় অৰ্ন্তভুক্তি কৰিব পৰা যাব। সেই কাৰণে এই বিষয়টো লৈ কোনোধৰণৰ আশংকা কৰাটো উচিত নহ'ব। এইটো ক্ষেত্ৰত আমাৰ চৰকাৰে সম্পূৰ্ণ আস্বস্থ কৰিছো যে, প্ৰতিজন ভাৰতীয় নাগৰিকৰ নাম এন আৰ চিত অৰ্ন্তভূক্ত হ'ব । ধন্যবাদ

(বিৰোধী পক্ষৰ পৰা মন্তব্য উফৰি আহে.... সদনত হুলস্থুল....... ।)

**শ্ৰীশ্বেৰমান আলি আহমেদঃ** অধ্যক্ষ মহোদয়, ৩০১ত ডিচকাচনৰ প্ৰভিজন আছে।

**মাননীয় অধ্যক্ষঃ** NO argument please, tomorrow you will give a another question notice don't worry. To day I can't allow , please sit down. No Rules, please see the Rules এতিয়া প্ৰদীপ হাজৰিকা ডাঙৰীয়া।

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং নিয়মৰ অধীনত ৩ ফেব্ৰুৱাৰী দৈনিক জনমভূমি কাকতত প্ৰকাশিত 'অস্তিত্ব লোপ পোৱাৰ দিশত নামদাঙৰ শিলৰ সাঁকো। ডাষ্টবিনত পৰিনত হৈছে দুয়োকাষ।' এই অতি গুৰুত্বপূৰ্ণ বিষয়টোত মই মন্ত্ৰী তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আহোম স্বৰ্গদেউৱে নিৰ্মাণ কৰা এই খন সাকো। তেতিয়া ঘোঁৰা- হাতী- গৰু গাড়ী তেনেকুৱা ধৰণৰ যান-বাহন বিলাক আছিল। এতিয়াৰ যিবিলাক হেভী ভেহিকেল আছে তেতিয়া সেইবিলাক নাছিলে। অধ্যক্ষ মহোদয়, ১৭০৩ চনত স্বৰ্গদেউ ৰুদ্ৰ সিংহই এই শিলৰ সাকোঁখন নিৰ্মাণ কৰিছিলে। তেতিয়া স্বৰ্গদেউ ৰুদ্ৰ সিংহই এই নামদাঙৰ শিলৰ সাকোঁখন নিৰ্মাণ কৰিছিলে। ১৭০৩ চনত স্বৰ্গদেউ ৰুদ্ৰ সিংহই এই নামদাঙৰ শিলৰ সাঁকোৰ লগতে শিৱ সাগৰত আৰু প্ৰায় ১০খন মান শিল সাঁকো তেতিয়া নিৰ্মাণ কৰিছিল। এই শিল সাঁকোখন বৰ্ত্তমানো আছে আৰু এতিয়াও কাৰ্য্যক্ষম হৈ আছে আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ নামদাঙ নদীত এই শিল সাঁকোখন আছে। অধ্যক্ষ মহোদয় সংৰক্ষণৰ অভাৱত বহু ঐতিহ্যপূৰ্ণ তথ্য যোৱা সময়ছোৱাত আমাৰ দেশখনে হেৰুৱালে। আজিৰ তাৰিখত বহু তথ্য বিচাৰি পাবলৈ নাই কাৰণ বহু মূল্যবান তথ্য সেইসময়ত সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা নহ'ল। এতিয়া সংৰক্ষণ নোহোৱাৰ কাৰণে বহু গুৰুত্বপূৰ্ন বস্তু আমি হেৰুৱালো। সেইটো সময়ত আচলতে গুৰুত্বপূৰ্ণ বস্তুৰ ওপৰত, এনে ধৰণৰ কৃতি চিহ্ন বিলাক সংৰক্ষণৰ ব্যৱস্থা আছিলে। আমি এতিয়া দেখিছো যে,

শ্ৰীকৃষ্ণ থকা দ্বাৰকা এতিয়া সাগৰৰ তলিত পাইছে। এতিয়া সেই দ্বাৰকা উলিয়াই আনি লিখি পেলাই ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত এই কথাবিলাক আনিছে। মানে হেৰাই যোৱা তথ্যবিলাক সাগৰৰ তলিৰ পৰাই উদ্ধাৰ কৰি আনি তথ্যবিলাক সংৰক্ষণৰ ব্যৱস্থা কৰিছে। কিন্তু যিবিলাক তথ্যৰ ক্ষেত্ৰত ইমান কষ্ট কৰিব নালাগে, যিবিলাক তথ্য এটা জাতিৰ এখন সমাজৰ ইতিহাস জড়িত হৈ আছে। সেইবিলাক সমল ঠিকমতে ৰাখিবৰ কাৰণে চৰকাৰে ঠিকমতে ৰাখিব লাগিছিল। এতিয়া আমি দেখিছো যে এনেধৰণৰ মূল্যবান প্ৰাচীন কৃতিচিহ্ন ৰাজ্যখনৰ বিভিন্ন স্থানত চুকে কোনে টুকুৰা টুকুৰ হৈ পৰি আছে আৰু লাহে লাহে এই দুমূৰ্ল্য কৃতিচিহ্নবোৰ জহি খহি যাব ধৰিছে। তাৰ এটা জ্বলন্ত প্ৰমান হ'ল নামদাঙৰ এই শিলৰ সাঁকোখন। এই শিলৰ সাঁকোখনৰ ওপৰেদি সেই সময়ত হাতী-ঘোঁৰা- গৰু গাড়ী গৈছিল , এতিয়া কিন্তু এই শিল সাকোঁখনৰ ওপৰেদি ১০০ টনৰ গাড়ীও চলিছে। হাজাৰ টনৰ গাড়ীও এইখনৰ ওপৰেদি ডেইলী হাজাৰ হাজাৰ পাৰ হৈ গৈছে । গধুৰ যান বাহনৰ ভাৰ এই শিলৰ সাকোঁখনে আজিও বহন কৰি আছে। ১৯৫০ চনত ইয়াত যেতিয়া বৃহৎ আৰ্থ কুইক হৈছিল তেতিয়াও কিন্তু এই শিল সাঁকোখন কোনো ক্ষতি হোৱা নাছিল। ইমান ফ্লাড হৈছে তথাপিও কিন্তু ইয়াক অকনো লৰাব পৰা নাই। আমাৰ দিখৌ দলংখনো বৃটিছে ১৯৩৫ চনত বনাইছিলে। কিন্তু সেই ব্ৰীজখন এতিয়া বন্ধ হৈ গ'ল । কাৰণ যিটো কপিকল লগা ঘৰ আছিল সেইটো অকামিলা হৈ গ'ল। কাম নহয় কাৰণে এতিয়া দলংখন বন্ধ হৈ গ'ল। হাওৱা ব্ৰীজ ১৯৩৬ত হৈছিলে, সেইখন এতিয়াও চলি আছে। এই নামদাঙৰ শিলৰ সাঁকোখন ৩০০ বছৰ হৈ গ'ল। এইখনৰ ক্ষেত্ৰত বিশেষভাৱে লক্ষণীয় কথাটো হ'ল অধ্যক্ষ মহোদয় কিয় এইখন সংৰক্ষণৰ গুৰুত্ব দিব লাগে, এচপৰা শিল নগা পাহাৰৰ পৰা ইয়ালৈ লৈ অনা হৈছিল। আমি নিজে দেখা নাই কিন্তু যিবোৰ কথা বাগৰি আহিছে সেই বাগৰি অহা কথাবোৰ হ'ল এই গোটা শিলটো নামদাঙেদি পানীদিয়েই বগৰাই আনি আজি গাড়ী যাবলৈ ৰাস্তা উলিয়াই দিছিল। আপোনাালোকে যদি বিহুবৰলৈ যায় তাত দিখৌ নৈত দেখিব তাত এনেধৰণৰ ডাঙৰ ডাঙৰ শিল বগৰাই আনি শিলটো তাত পাতি কাৰিকৰে কাটি পেলাই পানী যাব পৰা ৰাস্তা উলিয়াই দিছিল। অধ্যক্ষ মহোদয় নামদাঙ এখন অতি সুন্দৰ নৈ আছিল । নামদাং, দিচাং, দিখৌ, জাজি , ধনশিৰি নৈকেইখন নগা পাহাৰৰ পৰা ওলোৱা, আপুনি জানে । এতিয়া নৈখন তেতিয়া বহু ধুনীয়া আছিল কিন্তু এতিয়া আপোনালোকে তেনেকুৱা নেদেখে কাৰণ তাত জাতি লাওৰ দৰে আকৃতি হৈছে, ক'ৰবাত জাবৰৰ দম হৈছে। তেতিয়া তাত পানী যাবলৈ ৫ টা ক্লিয়েৰেন্স বা পানী যাবলৈ বাট আছিল কিন্তু তাত এতিয়া দুটাহে পানী যোৱা বাট আছে । পেপাৰতে া দুট া পানী যোৱা বাটৰ ফটো ওলাইছে।

**মাননীয় অধ্যক্ষঃ** প্লিজ বি চৰ্ট । আই কেন্ট এলাও মাচ্ছ মোৰ টাইম।

**শ্ৰীপ্ৰদীপ হাজৰিকাঃ** মই আপোনাক, অধ্যক্ষ মহোদয়, এইটোৱে ক'ব বিচাৰিছো যে ঐতিহাসিক শিৱ সাগৰৰ প্ৰাচীন কালৰ স্বৰ্গদেউসকলে নিৰ্মানি কৰি যোৱ া বা আন শাসনকৰ্ত্তাসকলে কৰি যোৱা বহু ঐতিহাসিক কৃতিচিহ্ন যিবিলাকৰ সংৰক্ষণ হ'ব লাগিছিল, হোৱা নাই। বিশেষকৈ শিল সাঁকোৰ দৰে কৃতি চিহ্নবিলাক যিবিলাকৰ ওপৰেদি যাতায়ত ব্যৱস্থা গঢ়ি তুলিছিল আৰু সেই সময়ত প্ৰাকৃতিকভাৱে এই বিলাক গঢ়ি উঠিছিল । ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত এই নামদাঙৰ শিলৰ সাঁকোখন আজিও আছে , সেই কাৰণে আমাৰ বিভাগে বিশেষভাৱে তৎপৰতা লৈ এই কৃতি চিহ্নবিলাক সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। .নামদাং,জাঁজী, ধনশিৰি এইবিলাক আমাৰ নগা পাহাৰৰ পৰা ওলোৱা, এতিয়া জাতি লাও ফাৰ্ম হৈছে জাৱৰৰ দম হৈছে। আৰু হোৱা কাৰণে ৫ টা clear-ance ৰ পৰা দুটাহে আছে। মাননীয় অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে ঐতিহাসিক শিৱসাগৰত

এনেধৰণৰ বহুতো ঐতিহাসিক চিহ্ন বনাই থোৱা আছে। সেই বিলাক সংৰক্ষণ হ'ব লাগিছিল, কিন্তু হোৱা নাই। বিশেষ ভাবে প্ৰাকৃতিক নদ-নদীৰ ওপৰত যিবোৰ শিলসাঁকো আছে, যাৰ জৰিয়তে যাতায়তৰ সুন্দৰ ব্যৱস্থা আছে তাৰ সংৰক্ষণ হ'ব লাগে। যিহেতু এইখন **৩৭** নং ৰাষ্ট্ৰীয় হাইৱেৰ ওপৰত আছে। সেইকাৰণে আমাৰ বিভাগে বিশেষকৈ তৎপৰতা লৈ ইয়াৰ অন্তত দুয়োটা ফালে মানে নামদাং শিলসাঁকোখনৰ দুয়ো ফালে এশ মিটাৰ চাফা কৰি গোটেই দলংখন সুন্দৰকৈ উলিয়াই তাক সম্পূৰ্ণ সংৰক্ষণ কৰিব লাগে। যিধৰণে আমাৰ পশ্চিমীয়া দেশ বিলাকত তেওঁলোকৰ বস্তুবিলাক মিউজিয়াত সংৰক্ষণ কৰিছে, তেনেকৈ আমাৰ ঐতিহাসিক চিহ্নবোৰ বনাই সুন্দৰকৈ সংৰক্ষণ কৰিব পাৰি। upstream ত 100 meter, downstream ত 100 meter ঠিকঠাক কৰি তাৰ পানীযোৱা ৰাস্তা কেইটা চাফা কৰি দলং খনৰ ওপৰত গুৰুত্ব দিব লাগে। আপোনালোকৰ কাৰণে যে আজি ইমান দিন যানবাহন কঢ়িয়াই দেশৰ কাম-কাজ চলাই আছিল এই দলং খনে। সেইকাৰণে দলংখনৰ ওপৰত গুৰুত্ব দিয়াতো মই বিচাৰিছো আৰু ইয়াৰ লগতে এনেধৰণৰ আৰু যিখিনি শিল সাঁকো আছে, সেইখিনিও আপোনালোকে চোৱা চিতা কৰাতো মই বিচাৰিছো। এই কথাখিনিকে মই সদনত দাঙি ধৰি মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিলো, আৰু মই ভাৱিছো তেখেতে বিশেষ তৎপৰতাৰে এই কামখিনি কৰিব। ধন্যবাদ।

**माननीয় অধ্যক্ষ** ঃThank you, Minister please.

**শ্ৰী পৰিমল শুক্লবৈদ্য, গড়কপ্তানী বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াই খুব গুৰুত্বপূৰ্ণ এটা বিষয় ইয়াতে উত্থাপন কৰিলে আৰু ধুনীয়াকৈ কিছুমান কথা কৈছে। এই নামদাংৰ শিলসাঁকোখন আমাৰ এটা ইতিহাসৰ স্বাক্ষৰ হৈ আছে। ই আমাৰ বাবে এক গৌৰৱ উজ্জ্বল বিষয় খুব প্ৰয়োজনীয় কথা আপুনি ইয়াত উত্থাপন কৰিছে। সেই সন্দৰ্ভত মই কিছুমান কথা কব বিচাৰিছো। এই **৩৭** নং ৰাষ্ট্ৰীয় ঘাইপথত নুমলিগড়ৰ পৰা ডিব্ৰুগড়লৈ পথচোৰাত নাম সেতু অৱস্থিত। এইটো National Highway and Infrastructure Development Corporation Limited. এইটোক আমি NHIDCL কওঁ। এই NHIDCL ক চাৰিলেন যুক্ত পদলৈ উন্নীতকৰণৰ কাম চলি আছে। ইয়াৰে জাঁজীৰ পৰা ডিমৌ ভিতৰত নামদাং শিলসাঁকোখন অৱস্থিত। NHIDCL ৰ তথ্য অনুসৰি যিটো চাৰিলেন যুক্ত ৰাস্তা নিৰ্মাণ হৈ আছে, এইটো বাইপাছ হৈ যাব। এই চাৰিলেন যুক্ত পথটো নামদাং শিলসাঁকোৰ বাওঁফালে realignment ৰ ব্যৱস্থা কৰা হৈছে। realignment কৰি এইটো আমাৰ বেলেগকৈ ৰখা হ'ব। realignment ৰ **৩৭** নং ৰাষ্ট্ৰীয় ঘাইপথৰ **৫০২.২৭৫** কিমি. পৰা আৰম্ভ হৈ **২.৯৮২** কিমি. শেষ হ'ব। এই চাৰিলেন যুক্ত পথ নিৰ্মাণৰ কাম শেষ হ'লে সকলো যানবাহন চাৰিলেন যুক্ত পথৰে যাতায়ত কৰিব পাৰিব। তেতিয়া নামদাং শিলসাঁকোৰ সংৰক্ষণৰ ব্যৱস্থা আমি হাতত লব পাৰিম। **২০১৫** চনলৈ নামদাং শিলসাঁকো গড়কাপ্তানী বিভাগৰ অধীনত আছিল। পাছত আকৌ NHIDCL ত গ'ল, আৰু এই সাঁকোখন সহ দাঁতি কাষৰীয়া অঞ্চলটো উপযুক্ত ভাৱে চোৱা চিতা কৰি ৰখা হৈছিল। পৰৱৰ্তীসময়ত চাৰিলেন যুক্ত পথ নিৰ্মাণৰ বাবে ইয়াক NHIDCL লৈ হস্তান্তৰ কৰা হৈছিল। উক্ত অঞ্চলটো ঘন বসতীপূৰ্ণ হোৱাৰ বাবে ইয়াক পৰিস্কাৰ পৰিচন্ন কৰি ৰখাৰ প্ৰয়োজন আছে, এই সন্দৰ্ভত সাঁকোখনৰ গুৰুত্ব উপলদ্ধি কৰি NHIDCL সৈতে যোগাযোগ কৰি থকা হৈছে আৰু অতি সোনকালে NHIDCL য়ে যাৱতীয়া ব্যৱস্থা লব। NHIDCLৰ বাইপাছৰে যেতিয়া পৰ্ণোদ্যমে গাড়ী অহা যোৱা কৰিব, এই নামদাং সেঁতুখন আমি যিমান পাৰি সংৰক্ষণ কৰিব চেষ্টা কৰিম। এইটো গুৰুত্ব পূৰ্ণ কথা। এই চেষ্টা চলিব আমাৰ বিভাগৰ ফালৰ আৰু আপুনি যিটো কৈছে দুয়োপিনে জনসংখ্যা

বাঢ়িছে, ইয়াৰ বাবে যোৰাবাৰ চাৰিটা বানপানী হৈ গৈছে চাৰিও ফালে, কিছুমান জাৰৱ আছিল, যাতে জাৰৱৰ কাৰণে নামদাং সেঁতুৰ কোনো খতি নহয় তেওঁলোকে চাব, মই ভাবো যে এই গুৰুত্ব পূৰ্ণ যি আলোচনা উত্থাপন কৰিলে, ইয়াক আমাৰ বিভাগৰ ফালৰ পৰা আমি যিমান খিনি চেষ্টা কৰিব লগীয়া হয়, আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসুচী নং ৫, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সুচক প্ৰস্তাৱৰ ওপৰত বিতৰ্ক। মই ইতিমধ্যে দেৱানন্দ হাজৰিকাই যি ধন্যবাদ সুচক প্ৰস্তাৱ উত্থাপন কৰিছিল, তাৰ ওপৰত মই দুখন সংশোধনী জাননী পাইছো। প্ৰথমখন সংশোধনী জাননী সদস্য হাফিজ বছিৰ আহমেদৰ আৰু তেখেতৰ **১২** জন সহযোগীয়ে দিছিল। মই তেখেতসকলৰ মাজৰ যিকোনো এজনক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেৱানন্দ হাজৰিকাই যিটো ধন্যবাদ সুচক প্ৰস্তাৱ আনিছিল ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপ ৰত । আমি ভাৱো ৰাজ্যপাল মহোদয়ে যিটো ভাষণৰ লিখিত প্ৰতিলিপি আছে, সেই লিখিত প্ৰতিলিপিৰ **২** নং পৃষ্ঠাৰ **৭** আৰু **৮** নং শাৰীত থকা নিম্নোলিখিত কথাখিনি সংযোগ কৰা হওঁক। সন্মানীয় সদস্য সকল, এই কথা আমি আটাইয়ে জানো যে আমাৰ ৰাজ্যখনৰ প্ৰতি মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ কোনো সদিচ্ছা নাই।এই কথাটো সংযোজন কৰিবলৈ আমি প্ৰস্তাৱ দিলো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত মই আৰু এটা সংশোধনী প্ৰস্তাৱ পাইছো । এই প্ৰস্তাৱ সন্মানীয় সদস্য দেৱব্ৰত শইকীয়া আৰু **৫** জনে দিছিল। মই তেখেত সকলৰ মাজৰ এজনক দেৱব্ৰত শইকীয়া নাই যদি এইটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**কাৰ্য্যসূচী নং ৫ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত বিতৰ্ক।**

**শ্ৰীৰূপজ্যোতি কুৰ্মী,মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শাসকীয় দলৰ মাননীয় সদস্য শ্ৰীদেৱানন্দ হাজৰিকাই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মহামান্য ৰাজ্যপালৰ ভাষণত এশাৰি লাইন আমাৰ বিৰোধীৰ তৰফৰ পৰা সংযোগ কৰিবলৈ অনুৰোধ জনাইছো। মহামান্য ৰাজ্যপালৰ ভাষণত ‘‘আমাৰ ৰাজ্যখনৰ প্ৰতি মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ কোনো সদ্ইচ্ছা নাই’’ এই বাক্যটি সংযোগ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। এতিয়া মই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত বিতৰ্ক শীৰ্ষক আলোচনালৈ যাব বিচাৰিছো। প্ৰথমে মই প্ৰস্তাৱকৰ্ত্তা মাননীয় সদস্য শ্ৰীদেৱানন্দ হাজৰিকাক প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীদেৱানন্দ হাজৰিকা, বিহপুৰীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি ৬ ফেব্ৰুৱাৰীৰ দিনা অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ প্ৰদান কৰিছিলে সেই ভাষণৰ ওপৰত আমি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছিলো। ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা যি তিনিটা সংশোধনী তেখেতসকলে আগবঢ়াইছে তাৰ কোনো ভিত্তি নাই বুলি মই ভাবিছো আৰু মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত আমি অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছে। অধ্যক্ষ মহোদয়, এটা জাতিৰ উন্নতিৰ কাৰণে আটাইতকৈ ডাঙৰ কথাটো হৈছে সেই জাতিৰ যিসকল লোকে জাতিটোক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰি ধৰে তেওঁলোকৰ সদ্ইচ্ছাৰ অতি প্ৰয়োজনীয়তা আছে। যদি সদ্ইচ্ছা নাথাকে আৰু জাতিৰ প্ৰতি বা দেশখনৰ প্ৰতি কাম কৰাৰ যদি প্ৰবল ইচ্ছা নাথাকে তেতিয়া হ’লে সেই জাতিয়ে কেতিয়াও উন্নতি কৰিব নোৱাৰে। আমি যদি উদাহৰণ হিচাপে চাওঁ তেতিয়াহ’লে আমি জাপান আৰু চাইনাৰ বিষয়ে কব পাৰো, এনেকুৱা বহু ৰাষ্ট্ৰ আছে যাৰ

লোকসকল স্বাভিমান, তেখেসকলৰ কৰ্মশক্তি আৰু অদম্য উৎসাহে দেশখনক প্ৰগতিৰ পথত আগুৱাই লৈ যায়। এই অদম্য উৎসাহ আমি আমাৰ ৰাজ্যখনত বহু বছৰ ধৰি দেখা পোৱা নাছিলো। ইয়াৰে কিছুমান উদাহৰণ মই ক'ব বিচাৰিছো যে আমাৰ ভাৰতবৰ্ষত আশী শতাংশ মানুহ গাঁৱত বাস কৰে। এই গাঁৱৰ মানুহৰ উন্নতি নহ'লে, দেশৰ বা আমাৰ জাতিটোৰ উন্নতি হ'ব নোৱাৰে, সঁচা কথা। এই জাতিৰ উন্নতিৰ কাৰণে আমাৰ যি বিলাক কাম-কাজ হয় সেই কামবোৰ পঞ্চায়তৰ যোগেদি হয়। এটা আচৰিত কথা যে এম.জি.এন.ৰেগা আইন অৰ্থাৎ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিশ্চিত নিয়োগ আইন এই কথাটো সাধাৰণ ৰাইজক সৌ সিদিনালৈ কোনেও বুজাই দিয়া নাছিল, গাঁৱৰ মানুহে দেখি আহিছে যে এম.জি.এন.ৰেগা আইনৰ যোগেদি কিছুমান ঠিকাদাৰ সৃষ্টি কৰা হৈছে যিটো নিয়মৰ বাহিৰত। এম.জি.এন.ৰেগা আইনৰ অধীনত দুখীয়া শ্ৰেণীৰ মানুহে দৈনিক হাজিৰা কৰাৰ এটা পৰিবেশ গঠন কৰা হৈছে, ১৬৩ টকা হাজিৰা দিয়া হয় আৰু ১০০ দিনৰ মজুৰী দিয়া হয়। ৫০ জন মানুহে যদি জবকাৰ্ড পায় তেতিয়া হ'লে পঞ্চাশ জনৰ ওপৰত এজন মেড দিয়ে আৰু যদি মেটেৰিয়েল থাকে তেতিয়া ভেণ্ডৰৰ কাৰণে এপইনমেন্ট দিয়া হয়। আমি যেতিয়া আহিছিলো বিধায়ক হৈ তেতিয়া আমাক কোৱা হৈছিলে যে এই কাম আমুকে কৰিলে তামুকে কৰিলে। আমি আচৰিত হৈছিলো, এনৰেগা আইনখন পঢ়ি বুজিলো যে এই আইনখনৰ যোগেদি বিগত দিনবোৰত সকলো ক্ষেত্ৰত মানুহক ঠগি অহাৰ বাদে একো হোৱা নাছিল। গোটেই কথা বিলাক চালি-জাৰি চাই পঞ্চায়তৰ মানুহৰ লগত সভা আদি পতা হ'ল তেতিয়া আমি গম পালো কাম কৰিবৰ কাৰণে এই আইনৰ অধীনত যথেষ্ট ধন আহে আৰু গাওঁ সমূহৰ যথেষ্ট উন্নতি কৰিব পৰা যায়। উদাহৰণ স্বৰূপে মই যদি মোৰ নিজৰ সমষ্টিটোৰ কথা কওঁ যোৱা কেইদিনমানৰ ভিতৰত মোৰ সমষ্টিটোত এমজিএনৰেগা আইনৰ অধীনত ষাঠিটা পকীপথ নিৰ্মাণ কৰা হয়, যিটো যোৱা পোন্ধৰ বছৰে হোৱা নাছিল। একত্ৰিশটা কেঁচা ৰাস্তা হৈছে। এই বিলাকৰ পৰা আমি ক'ব পাৰো যে আমাৰ চৰকাৰখনৰ ৰাইজৰ প্ৰতি সদ্‌ইচ্ছা আছেনে নাই, ৰাইজৰ উন্নতিৰ প্ৰতি আমাৰ চৰকাৰখন সচেতন হয়নে নহয়। আমাৰ চৰকাৰখন কোনো শোষণ আৰু শাসন কৰিবলৈ অহা নাই, আমাৰ চৰকাৰখনে সেৱাৰ মনোভাবেৰে শাসনৰ ভাৰ গ্ৰহণ কৰিছে। মহোদয়, এখন দেশৰ উন্নতিৰ কাৰণে বহুটো বস্তু লাগে, Sidleton Mackinson said "Civilization depends on how much you invent on discover." আজিৰ দিনত যদি উদ্যোগ স্থাপন নহয় তেতিয়া হ'লে কোনো দেশে উন্নতি কৰিব নোৱাৰে। 'বাণিজ্যে বসতি লক্ষ্মী' এতিয়া আমি তাক আখৰে আখৰে গম পাইছো, চানক্যই কৈ গৈছে। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা বৃটিছে আহি ভাৰতবৰ্ষ দখল কৰি দুশ বছৰ শাসন কৰিলে। কিহৰ বলত? বেপাৰ বাণিজ্যৰ বলত। কিন্তু আমাৰ অসমত একাষৰীয়া ৰাজ্য বুলি ইয়াক কোনেও চাবলৈ নাহে, অলপ আগতে আমাৰ মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াই কৈ গৈছে যে কোনোবা এজন জইণ্ট ডাইৰেক্টৰৰ ইঙ্গিতত অসমৰ উন্নতি অনুন্নতি নিৰ্ভৰ কৰি আছিল। অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ দিনত সেই কথা বিলাক উপলব্ধি কৰিলে আৰু তাৰ পিছত শ্বিলঙত ড'নাৰ মন্ত্ৰনালয়ৰ কাৰ্য্যালয় খুলিলে আৰু এটা সম্পূৰ্ণ বিভাগে আজি গোটেই উত্তৰ-পূৰৰ ৰাজ্যৰ উন্নতিৰ বাবে কাম কৰি আহিছে। এয়াজানো সদ্‌ইচ্ছাৰ ভিতৰত নপৰে। ইয়াৰ পিছত যেতিয়া আকৌ মোদী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ হ'ল তেখেতে কলে উত্তৰ-পূৰ্বাঞ্চলক উন্নতি নকৰিলে, দেশৰ কোনো উন্নতি নহয়। আঠখন ৰাজ্যক অষ্টলক্ষ্মী নাম দিছে। সেইকাৰণে কাম কৰাৰ প'লিচি উদ্ভাৱন কৰিলে। আগতে কৈছিলে লুক নৰ্থ ইষ্ট, আজি কয় এক্ট ফৰ নৰ্থইষ্ট - নৰ্থইষ্টৰ বাবে কাম কৰা। সেয়েহে আজি ভাৰত চৰকাৰৰ প্ৰতিটো বিভাগে আজি ইয়াত উন্নয়নৰ কাম বিলাকত চকু দি আহিছে।

অসমখনক এটা ইণ্ডাষ্ট্রিয়েল হাব, এটা বিজনেচ হাব বনাবৰ কাৰণে চেষ্টা কৰিছে। যাতে ইয়াত নানন ধৰণৰ উদ্যোগ হয় আৰু ইয়াৰ উদ্যোগত যিবিলাক বস্তু উৎপাদন হ'ব সেইবিলাকে যাতে এখন সুন্দৰ বজাৰ পায়। সেই বজাৰ বিলাকৰ কাৰণে আমাৰ এচিয়ান কান্ট্রি বিলাকৰ লগত যোগাযোগ কৰা হৈছে। ব্রহ্মপুত্র নদীৰ খনন কাৰ্য্য হাতত লৈছে আৰু সাগৰ খননৰ কাৰণে ভাৰত চৰকাৰে দুশপঞ্চাশ কোটি টকা বাংলাদেশক দিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ উদ্যোগত যি বিলাক বস্তু উৎপাদন হব, সেই বিলাকে এখন সুন্দৰ বজাৰ পায়। এই বজাৰৰ কাৰণে Asian Countries বিলাকৰ লগত যোগাযোগ কৰা হৈছে.। ব্ৰহ্মপুত্ৰ নদীৰ খনন কাৰ্য্য হাতত লৈছে আৰু সাগৰ পাবৰ কাৰণে ভাৰত চৰকাৰে ২৫০ কোটি টকা বাংলাদেশক দিছে, বৰাকৰ খনন কাৰ্য্য ইতিমধ্যে প্ৰায় সম্পন্ন হব ধৰিছে। নদীৰ পথৰে যি বস্তু খুব কম পইচাত Destinaion পাব গৈ সেই বস্তু হয়টো এয়াৰ বা ট্ৰেইন বা ট্ৰাকেৰে লৈ গলে হয়টো বহুত বেছি খৰচ পৰিব পাৰে। Asian Countries বিলাকৰ কাৰণে উত্তৰ পূৰ্বাঞ্চলৰ অসমত 'বিজনেছ হাট' ক্ৰিয়েট কৰিব বিচাৰিছো। প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ সদিচ্ছা নাই বুলি ইয়াত উল্লেখ কৰিছে। আমাৰ এমেণ্ডমেণ্টত মই সেইটো Nullify কৰিছো। এই সদিচ্ছা নথকা হলে আজি আমাৰ ইয়াত ৩ আৰু ৪ তাৰিখে Advantage Assam নহ'ল হেতেন য'ত নেকি ২৩খন বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধি Including Head of the State প্ৰায় ৫ হাজাৰ বিনিয়োগ কাৰীয়ে আহি গুৱাহাটী পালেহি। মই অসম চৰকাৰক ধন্যবাদ জনাইছো। প্ৰতিটো ডিপাৰ্টমেণ্টক ধন্যবাদ জনাইছো, এটা কথাৰ কাৰণে যে আমি কি আছিল আমাৰ কি আছে আৰু আমাৰ সম্ভাৱনীয়তা কি আছে এই গোটেই কথাখিনি সুন্দৰ কৈ এই Advantage Assam ৰ জড়িয়তে প্ৰতিফলিত কৰিলে। তাকে দেখি দেশী বিদেশী বিনিয়োগ কাৰী সকলৰ পৰা এতিয়া ২০০খন মেমোৰেণ্ডাম চাইন কৰা হ'ল যত নেকি ১ লাখ কোটি টকা বিনিয়োগৰ কাৰণে প্ৰতিশ্ৰুতি বদ্ধ। অসম চৰকাৰ ও পিছপৰি থকা নাই। Industrial corridor বনাই দিছে। গুৱাহাটীৰ পৰা টিহু লৈকে ৫০০ মিটাৰ ৰাষ্টাৰ কাষে কাষে Industrial corridor বনাইছে। তাতে আকৌ কোনোৱা নেতাই ডিঙি ফালি ফালি কৈছে যে অসমৰ কৃষকৰ মাটি লব বিচাৰিছে। অসম চৰকাৰে সকলো সময়তে কৈ আছে কৃষকৰ বিনা অনুমতিত ইচ্ছাৰ বিৰুদ্ধে কেতিয়াও অসম চৰকাৰৰ মাটি নলয় আৰু কাম নকৰে। এই Industrial Policy ৰ বিনিয়োগৰ কাৰণে অসমত যদি ন ন Industry সৃষ্টি হয় তেতিয়া হ'লে হাজাৰ হাজাৰ ডেকা লৰাই বাহিৰৰ ৰাজ্যত গৈ সৰু সৰু চাকৰি কৰি ঘুৰি ফুৰিব নালাগে। মই আৰু কিছুমান কথা কওঁ অসম চৰকাৰে আগতে কি কৰিছিল, এতিয়া কি কৰিছে। PMGSY ৰাষ্টাৰ কথা কওঁ,মোৰ সমষ্টিৰ কথা কওঁ। অন্য সমষ্টি বিলাকৰ কথা নকওঁ। PMGSY মোৰ সমষ্টিটোত কেতিয়াও নেদেখো। একেলগে ২৫ টা ৰাষ্টা ৯খন দলং পাৰলৈ সমৰ্থ হৈছো। আগতে কিয় নাপালো, আগতে যি দুই তিনিটা ৰাষ্টা আহিছিলে সেই কাম কিন্তু আমাৰ চৰকাৰৰ দিনত হে কমপ্লিট কৰিব পৰা হৈছে। আৰু কিছুমান এতিয়াও পৰি আছে। ইয়াৰ ভিতৰৰ ৰহস্য বিলাক মই ইয়াত ভাঙিবলৈ নাযাওঁ। কাৰণ এইটো নিয়মৰ বাহিৰৰ কথা হয়টো হৈ যাব পাৰে। শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিখিনি পদক্ষেপ লৈছে, এইয়া অভূতপূৰ্ব বুলি মই কব বিচাৰিছো। শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত যি পদক্ষেপ ললে বহু হাজাৰ শিক্ষকক এপইণ্টমেণ্ট দিলে, গুণগত মানৰ কাৰণে টেট পৰীক্ষা কৰি Teacher Efficiency Test পাতি কেন্দ্ৰীয় চৰকাৰে যেনেকৈ Central Teacher Efficiency Test পাতে তেনেকৈ পাতি যোগ্য শিক্ষকক ঠায়ে ঠায়ে ভৰ্ত্তি কৰি দিছে। দশম শ্ৰেণীৰ কিতাপ চৰকাৰে যোগান ধৰিছে। আৰু এটা কথা মই ইয়াত ডাঠি কব

পাৰোযে এইবাৰ আমাৰ শিক্ষাত চৰকাৰে যি কথা দিছিলে, সেই কথা ৰাখিলে, নবেম্বৰ মাহতে কিতাপ গৈ Destination পাইছে। আগতে বাজেট ৰ ৩ মাহ যোৱাৰ পিছত ও হয়টো কিতাপ নাপাই মই নিজে যাওঁ। মই নাৰায়ণপুৰৰ বি ই অ' অফিচৰ কিতাপ বিতৰণৰ সময়ত আছিলো। প্ৰতিটো বিষয়ৰ ১০০ শতাংশ কিতাপ আহিছে.। যি বিলাক আমি ৰাইজক আশ্বাস দিছিলো ছোৱালীক স্কুটী দিয়াৰ কথা, সেই প্ৰতিশ্ৰুতি ৰাখিলে। সৌ সিদিনা ১০০০ খন স্কুটী আমাৰ চৰকাৰে যোগ্য জনলৈ বিতৰণ কৰিলে। আগত আমি বহুত প্ৰতিশ্ৰুতি শুনি আহিছিলো। কিন্তু প্ৰতিশ্ৰুতি ধোঁৱা চাঙত। শ্বহীদ আঁচনিৰ জৰিয়তে হাজাৰ হাজাৰ দুখীয়া মানুহে শিক্ষাৰ ক্ষেত্ৰত আৰু স্বাস্থ্য ক্ষেত্ৰত পইচা পাইছে । মোৰ সমষ্টিতে যোৱাবাৰ মই ২৫ লাখ টকা শিক্ষাৰ ক্ষেত্ৰত, ২৫ লাখ টকা স্বাস্থ্য ৰ ক্ষেত্ৰত বিতৰণ কৰিছো। এই সহায় চৰকাৰে নকৰা হ'লে সেই দুখীয়া মানুহ বিলাকে সৰু সৰা বেমাৰতে কেতিয়াবা গৈ নিজৰ জীৱন বিপন্ন কৰি হয়টো প্ৰাণ হেৰুবাৰ লগা হৈছিল বা হলহেতেন। অটল অমৃত অভিযান এক অভিলাষী আঁচনি ২৫ ডিচেম্বৰ ২০১৬ ৰ পৰা এই আঁচনিখন হাতত লোৱা হ'ল। এই আঁচনিৰ যোগেদি ২ লাখ টকা পৰ্য্যন্ত ৬টা বিশেষ বেমাৰৰ কাৰণে চিকিৎসাৰ সাহাৰ্য্য পাইছে। মোৰ সমষ্টিতে ১৪০জন মানে পালে। তাৰ পিছটো ১২ বছৰৰ তলৰ শিশুৰ কাৰণে যি আঁচনি তাৰ সম্পূৰ্ণ খৰচ চৰকাৰৰ পৰা পাব। সৌ সিদিনা মোৰ সমষ্টিৰ এজন লৰাই তেওঁৰ ব্লাডৰ প্ৰব্লেম হোৱা কাৰণে ১৪ লাখ টকা চৰকাৰে খৰচ কৰিছে। অকমানি লৰাটোৰ কাৰণে তেনেকুৱা ধৰণে আৰু ১০, ১২টা মান শিশুৰ কাৰণে এতিয়া চিকিৎসা চলি আছে ১২ লাখ ১০ লাখ কৈ । এনেধৰণে শিক্ষাৰ ক্ষেত্ৰত Fees মাফ কৰি দিছে। আৰু মই কালি টিভিত দেখা পালো যিবোৰ কলেজত Fees মাফ কৰাইছে, সেই বিলাকক Compansate কৰি দিছে অসম চৰকাৰেআমি ইলেক্সশ্যনৰ সময়ত কথা দিছিলো, যিবিলাক অতি দুৰ্গম ঠাই য'ত নেকি বিজুলী মানুহে কেতিয়াও দেখা পোৱা নাই, সেই বিলাকত আমি বিজুলি দিম। মোৰ সমিষ্টিতে ২১খন গাওঁ নদীৰ মাজত আছে, যিবোৰ ঠাইলৈ বিজুলী সংযোগৰ ব্যৱস্থা কৰিব পৰা অৱস্থাত নাই এতিয়া সেই গাওঁ বিলাকত আমি Solar lamp দি দিলো। কথা দি আমি কথা ৰাখিছো। আৰু কেইখন মান গাঁৱত বিজুলী সংযোগৰ ব্যৱস্থা কৰিব পাৰি নদীৰ ওপৰেদি তাত লাইন নি পোহৰাই দিয়া হৈছে। সেইয়া আমি কথা দি কথা ৰাখিছো। MLA ৰ Local area development ৰ যিখিনি পইচা আহে, সেই পইচাখিনিৰ কথা মই কওঁ আগতে পইচা কৰবাত কৰবাত চটিয়াই দিছিল, কি কামত, কেনেকৈ আৰু ক'ত খৰচ হ'ল সেই কথা কোনোৱে গম নাপায়। আমি আঁচনি বিলাক এনে ধৰণে দিছো, যাতে কিবা এটা কাম সম্পূৰ্ণ হয়, এনেধৰণে দিয়া হৈছে। এতিয়া ৰাইজে বুজি পাইছে, এই চৰকাৰখনে নিষ্ঠাৰে ৰাইজৰ কাৰণে কাম কৰি আছে, স্বচ্ছ ভাৱে কাম কৰি আছে। যেতিয়াই স্বচ্ছতাৰ কথা কয় তেতিয়া বিৰোধীয়ে আকৌ জাঙুৰ খাই উঠে। এতিয়া যি ধৰণে ৰাষ্টা পদুলি বিলাক হব ধৰিছে, অসম প্ৰগতি পথত এই কথাটো দ্বিতীয়বাৰ ইয়াত নকলেও হব। উপাধ্যক্ষ মহোদয়, চকাৰ যেতিয়া আৱিস্কাৰ হৈছিল, তেতিয়াই সভ্যতাৰ বিকশিত হোৱাৰ Movement টো আৰম্ভ হৈছিল। কিন্তু অসমত চকা ৰূদ্ধ হৈ গল। যোৱা ১৫ বছৰে ৰাষ্টা পদূলি নোহোৱাৰ বাবে, বিশেষকৈ মোৰ সমষ্টিত। মোৰ লক্ষীমপুৰৰ টাউনৰ হস্পিতাললৈ মোৰ ঠাইৰ পৰা প্ৰসুতিক লৈ যাবলৈ ভয় লাগে কাৰণ যদিহে ৰাষ্টাতে প্ৰসৱ কৰে । এতিয়া আপুনি যাওঁক। সুন্দৰ ৰাষ্টা বুলি কয় নহয়, এইবোৰ আমাৰ চৰকাৰৰ দিনত সম্ভৱ হ'ল। আমাৰ চৰকাৰৰ দিনত আমি কন্ট্ৰেকটৰৰ লগত আমাৰ কাৰবাৰ নাই। লক্ষিমপুৰৰ টাউনৰ হস্পিটাললৈ প্ৰসুতিক লৈ যাওতে ৰাষ্টাতে প্ৰসৱ কৰে। এতিয়া সুন্দৰ ৰাষ্টা বুলি যে কয় আমাৰ চৰকাৰৰ দিনত সম্ভৱ হ'ল। আমাৰ চৰকাৰৰ দিনত আমাৰ কনট্ৰাকটৰৰ লগত কাৰবাৰ নাই,

বিভাগীয় ইঞ্জিনিয়াৰৰ লগত আছে। দিশপুৰৰ অফিচাৰৰ লগতহে কথা। কনট্ৰাকটৰৰ লগত কাৰবাৰ নাই বুলি কওঁতে ৰাইজে নিশ্চয় বুজি পাইছে যে আমি কি কাৰবাৰ নকৰো। সেই কাৰণে আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছিলে খিলায়েঙ্গভি নেহি খায়েঙ্গিভি নেহি, এই নীতিৰে আমি আগবাঢ়ি গৈ আছো। এতিয়া এই এমেগুমেণ্ড কেইটাৰ ঠাই ক'ত, প্ৰজাহিতকৰৰ কাৰণে কাম কৰি আছে, ৮ খনকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং এতিয়া দিব, প্ৰপোজ হৈ গ'ল। তেজপুৰত ঠিক থাক কৰিবৰ কাৰণে গুৱাহাটী বিমান বন্দৰটো এটা অত্যাধুনিক বিমান বন্দৰ বনাবৰ কাৰণে ফাউণ্ডেচন ইতিমধ্যে কৰিলে। ১২০০ কোটিতকৈ অধিক টকা প্ৰথম অৱস্থাত তাত খৰচ কৰিব ভাৰত চৰকাৰে। মোদী ডাঙৰীয়াৰ সদ ইচ্ছা নাই বুলি কোৱাটো এটা আচৰিত কথা। এন আৰ চি ৰ ওপৰত নানা ধৰণৰ কথা। কৰবাত নাম এটা ভুল হৈছে, হস্তীৰো পিছলে পাও সৎজনৰো বুৰে নাও। কৰবাত ভুল হৈ যাব পাৰে। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ এন আৰ চি খন হব লাগে বুলি, কৰিব লাগে বুলি দিনে-ৰাতিয়া কাম কৰিলে আৰু কৈছে সদ্ ইচ্ছা নাই। অথচ কোনো কোনেৰে গৈ কেচ দিলে, যে এন আৰ চি বন্ধ কৰিব লাগে। এতিয়া কোনোবা ১০ টা গোষ্ঠীয়ে এন আৰ চি বন্ধ কৰিব লাগে বুলি মহামান্য চুপ্ৰিম কোৰ্টত কেচ দিছে। কোনোবা এজন লোকে কৈছে এদভাণ্টেজ অসমত যিমান টকা বিনিয়োগ কৰাৰ কাৰণে মেমোৰেণ্ডাম অব আণ্ডাৰষ্টেন্দিঙত চহী হৈছে, তাৰ বোলে দহ শতাংশ ও কাম নহয়। মোৰ ভাল লাগিল শুনি, মই তেখেতক লগ পালে মোৰ হাত খন চোৱাম যে মোৰ আগলৈ কি হব লগীয়া আছে, ভৱিষ্যত বাণী কৰিছিল 10%3 বোলে নাহে। দুখন চৰকাৰৰ মাজত এখন চৰকাৰৰ লগত এটা Business Tiecon এ যেতিয়া চহী কৰে বা মেমোৰেণ্ডাম অব আণ্ডাৰষ্টেনডিঙত চহী কৰাৰ পিছত যদি বিজ্ঞ লোকে তেনেধৰণৰ কথা কয় তেতিয়াহলে আমি ৰাজনীতি কৰি নিজে হঁহাৰ বাহিৰে একো অৰ্থ নহব। I Feel I can not but laugh. প্ৰতিটো বিভাগে স্বচ্ছতাৰে কাম কৰি আছে, ইয়াৰ আগতে দুইনম্বৰী কৰি চৰকাৰী চাকৰি পোৱা এ পি এচ বিষয়া এ চি এচ বিষয়া আজি বহুখিনি জেলত আছে। যি জনৰ ছত্ৰছায়ত যি চৰকাৰৰ ছত্ৰচায়াত অসম পাব্লিক চাৰ্ভিচ কমিচন চলি আছিলে সেই আসম পাব্লিক চাৰ্ভিচ কমিচনৰ হেড জন এতিয়া জেলত, অতি লজ্জাজনক কথা। আমি ভাৰতবৰ্ষত এনেকুৱা নজিৰ কতো দেখা নাই। বহু কেইজন উচ্চ পদস্থ বিষয়া অসম চৰকাৰৰ এতিয়া জেলত আছে। গাওঁ পঞ্চায়ত তথা জি এচ আৰ এচ পৰ্যান্ত, এজন জি আৰ এচ এ ১০০০ টকা ঘোচ খাব বিচাৰোতে মোৰ সমষ্টিত জেলত সোমাব লগা হ'ল। পঞ্চায়ত সভানেত্ৰীয়ে দুইনম্বৰী কৰি টকা উঠোৱাত জেলত আছে। ঠিক তেনেকুৱা খবৰ বহু সমষ্টিৰ পৰা আমি পাই আছো। আমি দুৰ্নীতিৰ বিৰুদ্ধে কাম কৰি আছো। দুৰ্নীতি বিৰুদ্ধে কাম কৰাটো স্বচ্চতা নহয় নেকি? যদি দুৰ্নীতি কৰাটো স্বচ্চতা হয় তেনেহলে এইখন দেশ থাকিবনে? লাচিত বৰফুকনে কৈছিলে যে দেশতকৈ মোমাই ডাঙৰ নহয়। আমি সেই ভাষাৰে ভাৰো। স্বজন প্ৰীতি আমাৰ নাই, আমাৰ মিটিং বোৰত আমি কওঁ যে এজন বিধায়ক বা এজন মন্ত্ৰী হৈ যোৱাৰ পিছত তেওঁৰ পিছফালে পাৰ্টিৰ নেগুৰদাল নাথাকে। মই যদি বিহপুৰীয়া সমষ্টিৰ বিধায়ক হওঁ তেতিয়াহলে বিহপুৰীয়া বাসীৰ কাৰণে কাম কৰিব লাগিব। কোনো কংগ্ৰেছ, এজিপি, বিজেপি তেনে কোনো কাৰবাৰ নাই। সকলোৰে সমান উন্নতি কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ এটা উদ্দেশ্য অন্ত'দয়া। সমাজৰ একেবাৰে পিছত থকা যিজন মানুহ, যিজনে আজিও চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে, তেওঁ একো নাজানে সেই মানুহ জনক লৈ আনি এজন গৰ্বেৰে কব পৰা হওঁক এজন ভাৰতীয় নাগৰিক বুলি, তেনেকুৱা আমাৰ প্ৰচেষ্টা আমাৰ চৰকাৰ খনৰ চলি আছে। আমি চৰকাৰৰ লগত কাম কৰা চিপাহীবোৰেও সেই কামত ব্ৰতী হৈ আছো। মাননীয় মহামান্য ৰাজ্যপাল মহোদয়ে যি ভাষণ

দিছিলে তাত অসমৰ কাৰণে কৰা কামবোৰৰ উন্নতিৰ খতিয়ান দিছিলে। এই খতিয়ান খন শুনিবলৈ ধৈৰ্য্য নাই, শুনাৰ পিছত যদি আলোচনা হ'ল হেতেন আমি ভাল পালো হেতেন, যে এইখিনি ভুল কৰিছে এইখিনি শুদ্ধ কৰিছে। গোটেই ৰাতি পঢ়ি তিনিটা কৰি দিলে, বোলে তিনি ঠাইত তিনিটা শুদ্ধ কৰি দিব লাগে। এইটো শুদ্ধ নহয় যিটো সত্য সেইটো সত্যয়ে। সত্য কথা কবৰ কাৰণে সাহস কৰিব লাগিব। যি চৰকাৰে নহওক যদি ভাল কাম কৰিছে তেতিয়াহলে সেই চৰকাৰক প্ৰশংসা কৰাৰ কাৰণে যথেষ্ট সাহস লাগে। এই সাহস অসমৰ প্ৰতিজন নাগৰিকৰ পৰা বিচাৰিছো। আজি এই চৰকাৰ খনৰ স্বচ্ছতাৰ কাৰণে, নিষ্ঠাৰ কাৰণে, একাগ্ৰতাৰ কাৰণে যি ধৰণে কাম বোৰ আহি আছে হয়তো কাৰোবাৰ ভৰিৰ তলৰ পৰা যেন মাটি এৰাই যাব ধৰিছে, সেইবাবে আবুল তাবুল বকিছে। মোৰ সমষ্টিত ৰাষ্টাবোৰ উদ্বোধন কৰাৰ পিছত ৰাতি ৰাতি ফলি বোৰ ভাঙিপেলাইছে। ফলি ভাঙিলেও ৰাষ্টা হব। আমি এটা নামহে লিখিছিলো, নাম লিখাটো আমাৰ বৰ ইনটাৰেষ্ট নাই। আমাৰ কাম কৰাত ইনটাৰেষ্ট। আজি মই এই সদনৰ পৰা সেই সকলক সকীয়াই দিব বিচাৰিছো, যে তেনে দুস্কৃতিৰ পৰা তেওঁলোক বিৰত থাকক। মানুহৰ মাজত কব বিচাৰে যে এইবোৰ ফলি এনেই লগাইছে, কাম নহয় কেতিয়াও, কোৱাৰ পিছতে এমাহৰ ভিতৰতে কাম আৰম্ভই হৈ গ'ল। উপাধ্যক্ষ মহোদয়, বিশেষ কথা নকওঁ আৰু বহুত বক্তা হয়তো কব লগীয়া আছে, গতিকে মই আজি মহামান্য ৰাজ্যপালৰ যি ভাষন সেই ভাষন দিয়াৰ কাৰণে তেখেতক ধন্যবাদ দিয়াৰ লগতে মই চিৰকৃতজ্ঞ হৈ থাকিম আমাৰ চৰকাৰে কৰা ভাল ভাল কাম বিলাকৰ খতিয়ান এখন সদনত দাঙি ধৰিছে আৰু আমাৰ সন্মানীয় বিৰোধী সকলক অনুৰোধ কৰিম যে তেখেত সকলে যি এমেণ্ডমেণ্ড দিছে সেয়া যেন উঠাই লয়। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয়া সদস্যা অজন্তা নেওঁগ ডাঙৰীয়ানী আপোনাক ১৫ মিনিত সময় কবলৈ দিয়া হ'ল।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শাসকীয় দলে মহামান্য ৰাজ্যপালৰ ভাষনত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই দুষাৰমান কব বিচাৰিছো। মাননীয় ৰাজ্যপাল গৰাকী আমাৰ ৰাজ্যখনৰ সাংবিধানিক মুৰব্বী। তেখেতৰ বক্তব্যই ৰাজ্যখনৰ কাম কাজ আৰু অসমৰ জনসাধৰণৰ আশা আশংকাৰ এক দিশ নিৰ্ণয় কৰে। ৰাজ্যপাল গৰাকীয়ে এইবাৰ ৬-০২-২০১৮ তাৰিখৰ ভাষনত কৈছে যে বিগত বাজেট অধিবেশনৰ পৰবৰ্ত্তীকাল চোৱা আমাৰ ৰাজ্যখনৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। লগতে তেখেতে কৈছে যে এই ক্ষেত্ৰত অন্যতম এক গুৰুত্ব পূৰ্ণ প্ৰয়াস হৈছে বৰ্তমান চলি থকা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নতিকৰণ প্ৰক্ৰিয়া। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নতিকৰণ ইয়াৰ চুপ্ৰীম কোৰ্টৰ নিৰ্দ্দেশত ইয়াৰ কামকাজ বিলাক চলি আছে আৰু যোৱা ৩১-১২-২০১৭ তাৰিখে প্ৰথম খন খচৰা প্ৰকাশ পাইছে আৰু অসমৰ ৰাইজে অতি আগ্ৰহেৰে বাট চাই আছে যে এখন পুৰ্ণাঙ্গ ৰাষ্ট্ৰীয় নাগৰীক পঞ্জী হব আৰু প্ৰকৃত ভাৰতীয়ৰ নাম তাত অন্তৰ্ভূক্ত হব। এজনো অবৈধ নাগৰিকৰ নাম তাত অন্তৰ্ভূক্ত নাথাকিব। এই কথাখিনিত আমি সকলো একমত। আমি দল মত নিৰ্বিশেষে এখন বিদেশী মুক্ত অসম বিচাৰিছো আৰু এখন শুদ্ধ এন আৰ চি বিচাৰিছো। ইয়াত আমাৰ কোনো দ্বিমত নাই।. ৩০ জানুৱাৰী ২০১৭ সেই সময়ত ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ দিছিল তাত এটা কথা কোৱা হৈছিল যে,অসম চুক্তি আমাৰ আখৰে আখৰে ৰূপায়ণ কৰাটো এটা প্ৰধান অগ্ৰাধিকাৰৰ বিষয়। আমি এই ক্ষেত্ৰত সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ আৰু লগতে এইটোও কৈছিল আমাৰ সকলো নাগৰিকে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা লাভ কৰি থাকিব অআৰু আমাৰ জাতি মাটি আৰু ভেটি অক্ষুন্ন থকাৰ বাবে পৰিচয় ,ঐতিহ্য আৰু আত্মসন্মান অক্ষুন্ন ৰখা হ'ব। অসম চুক্তি

আখৰে আখৰে পালন কৰাটো এই চৰকাৰখনৰ এটা অগ্ৰাধিকাৰৰ বিষয় আৰু আমি সকলোৱে বিচাৰো যে, অসম চুক্তিৰ প্ৰত্যেকটো দফাই আখৰে আখৰে ৰূপায়ণ হ'ব লাগে। এতিয়া উপাধ্যক্ষ মহোদয়, যোৱা সময়ছোৱাত আমাৰ ৰাজ্যখনত এটা বিষয়ে আমাৰ জনসাধাৰণক ছুই আছে আৰু সেই বিষয়টো হৈছে নাগৰিকত্ব সংশোধনী বিধেয়ক। এই নাগৰিকত্ব সংশোধনী বিধেয়কখন কি ? যে কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ নাগৰিক আইনখন সংশোধনী আৰু বাংলাদেশ,পাকিস্থান আৰু আফগানিস্থানৰ পৰা আহিব খোজা হিন্দু, জৈন, পাৰ্চি আৰু খ্ৰীষ্টান ব্যক্তি সকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিবৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰিছে, ইয়াক আইনত পৰিণত কৰিবৰ বাবে চেষ্টা কৰিছে আৰু এই নাগৰিকত্ব সংশোধনী বিধেয়কখনৰ মূল উদ্দেশ্য যে,বাংলাদেশৰ হিন্দু ধৰ্মালম্বী লোকসকলক নাগৰিকত্ব দিয়া, এইটো স্পষ্ট। উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱত সংশোধনী বিধেয়কখন যদি আইনত পৰিণত হয় তেতিয়াহলে আমি আজি যি অসম চুক্তিৰ কথা কৈছো,এই অসম চুক্তিৰ প্ৰতি ভাবুকি আহি পৰিব ।অসমৰ ভাষা ,সংস্কৃতিলৈ ভাবুকি আহি পৰিব। আমি সকলোৱে জানো যে, ব্ৰীটিছ অহাৰ পাছত আমাৰ ৰাজ্যখনত ১৭৩৮ চনৰ পৰা ১৮৭২ চনলৈ প্ৰায় ৩৬ বছৰ কালছোৱা আমাৰ অসমীয়া ভাষা আমাৰ স্কুলৰ পৰা আদালতৰ পৰা বিতাৰিত হৈছিল আৰু সেই সময়ত খ্ৰীষ্টান মিছনেৰী সকল আৰু অসমৰ সেইসময়ৰ প্ৰথিতযশা সাহিত্যিক আনন্দৰাম ঢেকিয়াল ফুকন,পণ্ডিত হেমচন্দ্ৰ বৰুৱা হঁতৰ একান্ত প্ৰচেষ্টাত অসমীয়া ভাষাক পুনৰ পৰিচয় কৰা হৈছিল আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাহঁতে অসমীয়া ভাষাক পুনৰ আধুনিক যুগলৈ লৈ গৈছিল। গতিকে অধ্যক্ষ মহোদয়, এইখন অসম। ইয়াত অসমীয়া ভাষা সংযোগী ভাষা। গতিকে সেইসকল ব্যক্তি যিসকল ব্যক্তিৰ প্ৰচেষ্টাত পুনৰ অসমীয়া ভাষা ঘুৰি আহিল,প্ৰাণ পাবলৈ সক্ষম হ'ল সেইসকল ব্যক্তিৰ যি ত্যাগ সেই ত্যাগক আজি আমি জাতি,মাটি,ভেটিৰ কথা কৈ অপমান কৰা নাইনে ?গতিকে আজি ধৰ্মৰ নামত বিদেশী ভাগ ভাগ কৰাৰ যি প্ৰচেষ্টা চলিছে,এই প্ৰচেষ্টা যদি অব্যাহত থাকে তেতিয়া অসম চুক্তি এখন উকা দলিলত পৰিণত হ'ব অপাধ্যক্ষ মহোদয়। অসম চুক্তি ইতিমধ্যে সাংবিধানিক মৰ্য্যদা পাইছে। আমাৰ ৰসৰাজ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা দেৰে কৈছিল স্বদেশ চৰতিৰ মাতৃভাষা মঙ্গল মন্দিৰৰ সিংহদ্বাৰ হৈছে মাতৃবাষা। আজি সেই মাতৃভাষাৰ প্ৰতিয়ে ভাবুকি আহিছে। উপাধ্যক্ষ মহোদয় মাতৃভাষাৰ প্ৰতি যদি আমি প্ৰকৃত সন্মান কৰিব নোৱাৰো তেনেহলে ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি হিচাপেআহি ইয়াত আমি কাৰ কাৰণে ৰাজনীতি কৰিম ? যদি আমাৰ ভাষাৰ প্ৰতিয়ে ভাবুকি আহে। অতি দুখেৰে এই কথাখিনি কৈছো যে, আজি হিন্দুত্ব হৈছে বিশাল জীৱন পদ্ধতি ইয়াতমানুহৰ বিচাৰ ধৰ্ম আৰু জাত পাতেৰে কৰা নহয়। আজি মানুহৰ বিচাৰ কৰা হয় মানবীয় দৃষ্টিকোনেৰে। সেইকাৰণে, মই আপোনাৰ জৰিয়তে দাবী কৰিছো যে, এই যিখন নাগৰিকত্ব সংশোধনী বিধেয়ক এই বিধেয়কখন বাতিল হ'ব লাগে আৰু অসম বিধান সভাৰ ইয়াত সকলো মাননীয় সদস্য সকলোৱে উপস্থিত আছে গতিকে অসমৰ মানুহৰ আবেগ অনুভুতি ইয়াত জড়িত হৈ আছে। গতিকে এনেকুৱা এখন বিধেয়ক যাতে কেন্দ্ৰীয় চৰকাৰে আইনত পৰিণত নকৰে আমি সকলোৱে একত্ৰিত হৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে আৰু দ্বিতীয়তে, ইয়াত ৰাজ্যপাল মহোদয়ে কৈছে যে, মোৰ চৰকাৰে বিগত সপ্তাহত গুৱাহাটীত 'এডভান্টেজ আচাম' শীৰ্ষক বিশ্ব বিনিয়োগ কাৰী সন্মিলনৰ আয়োজন কৰিছিল। এসিন্মিলনখন আয়োজন কৰিছে আমি তাত সকলোৱে সহমত কৰিছো যে অসমলৈ বিনিয়োগকাৰী সকল আহিব লাগে। অসমত উদ্যোগীকৰণ হ'ব লাগে তাত আমাৰ কাৰো দ্বিমত নাই কাৰণে যে, আমাৰ আশী শতাংশ কৃষিভুমি আছে আৰু এই কৃষিভুমি সকলত যি আন্ত:গাথনিৰ প্ৰয়োজন সেই আন্ত:গাথনি আমি এতিয়াও ক্ৰিয়েট কৰিব পৰা নাই।

ৰাজ্যখনৰ টি নিবনুৱা সমস্যা আছে সেই নিবনুৱা সমস্যা যদি নাইকীয়া কৰিব লাগে তেনেহলে উদ্যোগীকৰণ লাগিব। বিশ্বত যি অৰ্থনৈতিক পৰিবেশৰ সৃষ্টি হৈছে গ্লবেলাইজেচনৰ যুগ বুলি কৈছো।বিশ্বায়নৰ যুগ। বিশ্বায়নৰ যুগত আমাৰ বিশ্ব অৰ্থনীতিৰ লগত বা আমাৰ ৰাষ্ট্ৰ অৰ্থনীতিৰ লগত আমাৰ অসমে যদি খোজত খোজ মিলাই চলিব লাগে তেতিয়াহলে আমি এইসকল ব্যক্তিৰ লগত উদ্যোগীকৰণৰ লগত প্ৰাইভেটাইজেচনৰ লগত সেই লোক সকলৰ পৰা কিছু সহায় সহযোগীতা লব লাগিব। আমাৰ ইয়াত মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে। মই মন্ত্ৰী ডাঙৰীয়াক কেইটামান পৰামৰ্স আগবঢ়াম। সেই পৰামৰ্শবোৰ হৈছে, আমাৰ ৰাজ্যত যিবিলাক ৰুগ্ন উদ্যোগ আছে, আপুনি জানেই আমাৰ কিমান ৰুগ্ন উদ্যোগ আছে। আমাৰ ৰাজ্যখনত সম্ভাৱনীয়তা আছে। উদ্যোগ এটা স্থাপন কৰা হৈছিল। আজি মোৰ জিলাখনতে দুটাকৈ উদ্যোগ আছিল। কুশল কোৱৰৰ নামত সূতা কল আছে,চেনী কল আছে. অসমৰ জাগীৰোডত কাগজকল আছে। কাছাৰ পঞ্চজননত কাগজ কল আছে। আজি বিভিন্ন ধৰণৰ ঠাইত যিবিলাক ৰুগ্ন উদ্যোগ আছে সেই ৰুগ্ন উদ্যোগ বিলাক পুণৰ জীৱিত কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে। আমি আৰু ভাল পালোহেঁতেন চৰকাৰক ধন্যবাদ দিলোহেঁতেন যদি সেইখন অধিবেশনত এই ৰুগ্ন উদ্যোগবিলাকক পুনৰ জীৱিত কৰাৰ কাৰণে ব্যৱস্থা কৰিলেহেঁতেন। আজি হয়, উদ্যোগপতি বিলাক বাহিৰৰ পৰা আহিছে, ৰিলাইঞ্চ কোম্পানী, টাটা ছনচ্,চেঞ্চুৰি প্লাইউডচ্, স্পাইচ জেড, পতঞ্জলি এইবিলাক বৃহৎ বৃহৎ উদ্যোগপতি আহিছে আৰু এই উদ্যোগপতি বিলাকে নিশ্চয় তেওঁলোকৰ লাভালাভৰ বাবে কাম কৰিব। এতিয়া আমাৰ কথা হ'ল যে, আমাৰ ৰাজ্যখনত লাভ হ'ব লাগে , ৰাজ্যখন অৰ্থনৈতিকভাৱে আগবাঢ়িব লাগে আৰু ইয়াৰ জৰিয়তে এই উদ্যোগপতি বিলাকে যেতিয়া অসমত উদ্যোগ স্থাপন কৰিব আহিব তেতিয়া চৰকাৰে লাখ লাখ হেক্টৰ ভুমি সেই উদ্যোগ পতিক দিব লাগিব। লগতে বিদ্যুৎৰো যোগান ধৰিব লাগিব। এতিয়া কথা হ'ল যে, কৃষকসকলে তেওঁলোকৰ মাটি অধিগ্ৰহণ কৰা হ'ব। এনেকুৱা উদাহৰণ নেদেখা নহয়,এনেকুৱা উদাহৰণ আমি আগতেও দেখিছো। আজি এনেকুৱা ভাইবৱেট গুজৰাটৰ নামত এনেকুৱা ধৰণৰ সন্মিলন পতা হৈছিল আৰু তাৰ ফলত গুজৰাটত যথেষ্ট পৰিনাণে উদ্যোগীকৰণ হ'ল। গুজৰাটত যেতিয়া উদ্যোগীকৰণ হ'ল তাত ব্যক্তিগত খণ্ডত যিখিনি কৃষিভুমি আছিল কৃষিভুমি বিলাক অধিগ্ৰহণ কৰিলে চৰকাৰে। অধিগ্ৰহণ কৰাৰ পিছত লাখ লাখ কৃষক ৰাস্তাত আহিবলগীয়া পৰিস্থিতি হ'ল। সেইকাৰণে গুজৰাটত আজি বিদ্ৰোহ হৈছে ,আজি আমাৰ ওচৰৰে পশ্চিমবঙ্গতো কৃষক সকলৰ মাজত বিদ্ৰোহ হৈছে। নন্দীগ্ৰাম,চিংগোৰ এইবোৰতো বিদ্ৰোহ হৈছে। গতিকে মই এইটো ৰাজ্যচৰকাৰৰ দুষ্টিগোচৰ কৰিছো যে, কৃষক সকলৰ মাজত যদি কৃষি ভুমি লোৱাৰ পাছত যাতে তেওঁলোকৰ সম্পত্তি এই পুজি পতি বিলাক কৃষিগত কৰাৰ পাছত ,কৃষক সকলৰ তেওঁলোকৰ যিটো স্বাৰ্থ সেই স্বাৰ্থ যাতে সুৰক্ষিত হৈ থাকে। ইয়াৰ পৰা যিমানখিনি এমপ্লিমেণ্ট জেনেৰেচন হ'ব সেই এমপ্লিমেণ্ট জেনেৰেচনখিনি এচিউৰড্ হ'ব লাগিব যে, কিমান এমপ্লিমেণ্ট জেনেৰেচন হৈছে তাৰ পৰা। আমাৰ কৃষক সকলে কিমান এমপ্লিমেণ্ট পাব তাৰ পৰা সেই কথাখিনি চৰকাৰে দৃষ্টিগোচৰ দিব লাগিব। কাৰণ আমি দেখিছো বিদেশলৈ যাওঁতে চিংগাপুৰত। চিংগাপুৰ দেখিবলৈ অতি সুন্দৰ। তাত ডাঙৰ ডাঙৰ পাৰ্ক আছে। বাহিৰখন অতি সুন্দৰ । তাত যিখিনি থলুৱা মানুহে তেওঁলোকে আমাক কৈছিল যে, গোটেই চিংগাপুৰখন চাইনিচ এগ্ৰিচনত আছে। আজি বাণিজ্য উদ্যোগীকৰণৰ নামত যাতে এইটো এগ্ৰিচন নহয়। এটা বাণিজ্যক আগ্ৰাসন যাতে আমাৰ ৰাজ্যখনত নহয় তাকে চাবলৈ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। তেনেকুৱা সমস্যা অসমলৈ যাতে নাহে নহলে অসমৰ মানুহে আমাৰ

কব যে, বিৰোধী পক্ষক দোষ দিব যে, আমি আঙুলিয়াই দিয়া নাই এই কথাবিলাক। গতিকে আমি আপোনাক আঙুলিয়াই দিছো । .গতিকে আমি আপোনাক আঙুলিয়াই দিছো যে যি সকল বৃহৎ পুঁজিপতি ইয়ালৈ আহিব, Tata আহিব, Reliance আহিব, Adani আহিব, এই সকল ডাঙৰ ডাঙৰ পুঁজিপতি বিলাকে যাতে অসমৰ কৃষি ভূমিক ক্ষতি গ্রস্ত নকৰে। আজি ইয়াৰ লগতে আমি আমাৰ যি পাৰিপাৰ্শ্বিকতা, ecological balance আৰু socio-economic heritage সেই সকলো বোৰ ৰক্ষা কৰিব লাগিব। গতিকে আমাৰ পাৰিপাৰ্শ্বিকতা আৰু cultural heritage সকলোৰে মাজত যাতে balance থাকে আৰু অসমৰ স্বাৰ্থ সুৰক্ষা থাকে এইখিনি কথাকে মই আপোনাক অনুৰোধ জনালো। এইখিনি লক্ষ্য ৰাখিয়েই আমি উদ্যোগীকৰণৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব। এনেকুৰা নহয় যে আমাৰ ৰাজ্যত উদ্যোগীকৰণ হৈছে, ৰাস্তা-ঘাট বাঢ়িছে বুলিয়েই অঞ্চলটোৰ উন্নয়ন হৈছে। বিশ্বৰ ডাঙৰ ডাঙৰ অৰ্থনীতিৰ মাজত Growth and Development ৰ বিষয়টো চৰ্চা হৈ থাকে। আজি GDP growth হ'লেই দুখীয়া মানুহৰ উন্নয়ন নুবুজায়। আমি বিচাৰিছো সঁচা অৰ্থত অসমৰ দুখীয়া মানুহৰ, কৃষকৰ বা নিবনুৱা যুৱক যুৱতী সকলৰ সংস্থাপন হ'ব লাগে আৰু তেওঁলোকৰ উন্নয়ন হ'ব লাগে। আজি উদ্যোগীকৰণ যি প্ৰচেষ্টাৰে আগবাঢ়িছে সেই প্ৰচেষ্টাত যাতে এইবিলাক হেঙাৰ নহয় সেইখিনি আপোনালোকে চাব লাগিব। প্ৰত্যেকজন নিবনুৱাৰ সমস্যাৰ কাৰণে যি কাম-কাজ খিনিৰে আগ বাঢ়িছে সেইখিনিৰ প্ৰতি আপোনালোকে যাতে বিশেষ গুৰুত্ব দিয়ে তাৰ কাৰণে মোৰ ফালৰ পৰা এই খিনি বক্তব্য ৰাখিছো। লগতে উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছো যে আমাৰ কিছু সময় আগতে পাটোৱাৰী ডাঙৰীয়াই কৈছিল যে, Look East Policy য়ে একো কৰা নাই। উপাধ্যক্ষ মহোদয়, আচলতে কথাটো এনেকুৰা নহয়। Government is a continuous process. এই যিবিলাক Policy লোৱা হয়, সেইবিলাকৰ কিছু কাম হোৱাৰ পিছত ই এটা পৰ্যায় পায়। তাৰ পিছত আকৌ নতুন পৰ্যায় হয়। আজি আপোনালোকে চাওঁক যে, Millennium Development Goal (MDG), তাৰ লক্ষ্য ২০০০ চনৰ পৰা ২০১৫ চনলৈকে আছিল আৰু এইবাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াই Sustainable Development Goal (SDG) ৰ ওপৰত এটা পদক্ষেপ লৈছে । গতিকে এইবিলাক দীঘলীয়া প্ৰক্ৰিয়া। প্ৰথমতে, Look East Policy, তাৰ পিছত Act East Policy আহিছে। গতিকে, Look East Policy ৰ ক্ষেত্ৰত যে আমাৰ দিনত চৰকাৰে একো কৰা নাই সেইটো কথা মই কেতিয়াও নকওঁ। উপাধ্যক্ষ মহোদয়, এইখিনি কথা মই নিজে কোৱা নাই। আপোনালোকৰ এই event টো যেতিয়া হৈ গ'ল, সেইটো বিভিন্ন বাতৰি কাকতত বিভিন্ন ধৰণে প্ৰকাশ পাইছে। কিছুমানে কৈছে, "ব্যক্তিগত খণ্ডৰ কেঁকোৰা চেপাত অসমৰ অৰ্থনৈতিক ভৱিষ্যত।" আমাৰ বিৰোধী সকলকো কৈছে যে এই সম্পৰ্কত বিৰোধীয়ে একো মতা নাই। সেয়েহে মই আপোনালোকৰ চৰকাৰক দৃষ্টি গোচৰ কৰিব বিচাৰিছো। এইখিনিতে, দৈনিক জনমভূমি কাকতৰ সম্পাদকীয়ত তেখেতসকলে কৈছে যে , 'দেশ-বিদেশৰ উদ্যোগপতি সকলে শ শ, হাজাৰ হাজাৰ কোটি টকা বিনিয়োগ কৰিবলৈ অহাৰ বাবে অসমত নিশ্চয় অনুকূল পৰিবেশ লাগিব।' বৰ্তমান অসমত তেনে পৰিবেশ উদ্যোগপতি সকলে দেখা পাইছে। বিশেষকৈ উগ্ৰপন্থী, সন্ত্ৰাসবাদী সংগঠনৰ প্ৰভাৱ তথা হিংসাত্মক কাৰ্যকলাপ হ্ৰাস পোৱা আৰু ৰাজ্যখনত এক স্বাভাৱিক শান্তিপূৰ্ণ পৰিৱেশ সৃষ্টি হোৱা বাবেই দেশ-বিদেশৰ উদ্যোগপতি সকলে অসমত উদ্যোগ স্থাপন কৰিবলৈ, বাণিজ্যিক প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ আগ্ৰহ দেখুৱাইছে। এনেদৰে স্বাভাৱিক পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত পূৰ্বৰ তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰৰ ভূমিকা নিশ্চয় গুৰুত্বপূৰ্ণ। তৰুণ গগৈ ডাঙৰীয়াৰ ১৫ বছৰ কাৰ্যকালত

অসমৰ আইন শৃংখলাৰ পৰিস্থিতি যথেষ্ট উন্নত হ'ল। গুৱাহাটীত ৰাষ্ট্ৰীয় আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ শান্তিপূৰ্ণ ভাৱে অনুষ্ঠিত কৰাটো সম্ভৱ হ'ল। একাধিক পঞ্চতাৰকা হোটেল, সৰুসজাই ষ্টেডিয়ামকে ধৰি একাধিক অত্যাধুনিক ষ্টেডিয়াম স্থাপনত পূৰ্বৰ চৰকাৰে লোৱা ভূমিকাৰ বাবেই আজি এক "বিশ্ব বিনিয়োগকাৰী" শীৰ্ষক সন্মিলনৰে আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন সহজসাধ্য হ'ল বুলি ক'ব পাৰি। এইখিনি মই কোৱা কথা নহয়, উপাধ্যক্ষ মহোদয়, এইখিনি ইয়াত কৈছে। তৃতীয়তে, আজি আমাৰ অসমত বিগত সময়ছোৱাৰ যি মূল বিষয় আছে, এই মূল বিষয় সমূহ কিন্তু ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অন্তৰ্ভূক্ত হোৱা নাই। এই মূল বিষয়বোৰ এৰাই চলা হৈছে। আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল মূল্যবৃদ্ধি। মূল্যবৃদ্ধিয়ে আমাৰ সমাজখনক জুৰুলা কৰি পেলাইছে। পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি, ৰন্ধন গেছৰ মূল্য বৃদ্ধি এই সকলোবোৰ কথা কিন্তু মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত উদ্ধৃতি নাই। বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতিবোৰ আগৰ ভাষণত দিয়া হ'ল। এই প্ৰতিশ্ৰুতিবোৰ মই পুনৰবাৰ উল্লেখ নকৰো। আগৰ ভাষণত এই প্ৰতিশ্ৰুতিবোৰ আছিল কিন্তু এইখনত নাইকিয়া হৈ গ'ল। উপাধ্যক্ষ মহোদয়, মই দেখিলো যে বহু প্ৰতিশ্ৰুতি ইয়াত আধৰুৱা হৈ গ'ল। নতুনকৈ ৰাজ্যপাল ডাঙৰীয়াই ভাষণত বহুখিনি কথা কৈছে সেইখিনি যদি আমি চাওঁ, মই ইয়াকে ক'ব পাৰিম যে ৰাজ্যপাল ডাঙৰীয়াই অসমৰ জনসাধাৰণৰ মূল যিবোৰ সমস্যা সেই সমস্যাবোৰ বাস্তৱ ৰূপত কেনেধৰণে সমাধান কৰা যাব তাৰ কোনো উপায়ৰ বাট তেওঁৰ ভাষণত উল্লেখ নাই। বান সমস্যা, গৰা-খহনীয়া এই সমস্যা বোৰ নাইকিয়া কৰাৰ উপায় কি! ইয়াত বিভিন্ন ধৰণৰ আঁচনিৰ কথা কোৱা হৈছে, কিন্তু মূল যিবোৰ সমস্যা সেইবোৰ সমাধানৰ বাস্তৱ সন্মত প্ৰতিশ্ৰুতি বা প্ৰক্ৰিয়াটো ভাষণত উল্লেখ নাই। গতিকে উপাধ্যক্ষ মহোদয়, মই ক'ব খুজিছো যে ৰাজ্যপাল ডাঙৰীয়াই অসমৰ বাস্তৱ সমস্যাবোৰ এৰাই চলিছে, সমস্যাবোৰৰ সমাধানৰ কোনো সূত্ৰ নাই গতিকে অসমৰ জন সাধাৰণৰ আশা-আকাংক্ষা তেখেতৰ ভাষণত প্ৰতিফলিত হোৱা নাই। আমাৰ দলৰ সতীৰ্থ বিধায়ক সকল আছে তেখেত সকলে বাকী কথাৰ ওপৰত বক্তব্য ৰাখিব। মই এইখিনি কথাৰে ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**উপাধ্যক্ষ মহোদয়ঃ** এতিয়া মাননীয় সদস্য শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়া।

**শ্ৰী বৃন্দাবন গোস্বামী, (তেজপুৰ)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই আমাৰ এই বিধান সভাত দাঙি ধৰা বক্তব্য আৰু ভাষণৰ সমৰ্থনত কেইটামান কথা ক'ব বিচাৰিছো। তেখেতৰ ভাষণতপ্ৰত্যেকটো বিষয়কে গুৰুত্ব দিয়া হৈছে যদিও Advantage Assam ক সৰ্বাধিক গুৰত্ব দিয়া হৈছে। তেখেতে Advantage Assam ক বিশ্ব বিনিয়োগকাৰী সন্মিলন হিচাপে আয়োজন কৰা বুলি কৈছে। যিয়ে আমাক দেশ তথা সমগ্ৰ বিশ্বৰ পৰা অহা শীৰ্ষ উদ্যোগপতি, ব্যৱসায়ী, দক্ষ ব্যক্তি, কূটনীতিবিদ, নীতি নিৰ্ধাৰণকাৰী সকলৰ সন্মুখত ৰাজ্যখনক প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত এক সুযোগ প্ৰদান কৰিছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বিশ্বায়নৰ ফলত সমগ্ৰ পৃথিৱীত অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ এক ব্যাপক পৰিৱৰ্তন হৈছে। এনে ধৰণৰ পৰিৱৰ্তনৰ পৰা আমাৰ উত্তৰ-পূৰ্বাঞ্চলো আঁতৰি নাথাকে। আজিৰ এই পৰিৱৰ্তিত পৰিস্থিতিত, Globalisation ৰ ফলত প্ৰত্যেকে নিজক সক্ষম কৰি এই প্ৰতিযোগিতামূলক পৃথিৱীখনত নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰাৰ কাৰণে প্ৰয়াস আৰম্ভ কৰিছে। এই কাম প্ৰাক্তন প্ৰধান মন্ত্ৰী মনমোহন সিং ডাঙৰীয়া থাকোতে বিশ্বায়নৰ বিষয়বোৰ উত্থাপন কৰি তেখেত সকলে আনিছিল। আৰু আঞ্চলিক শক্তি হিচাপে আমি কেতবোৰ কথাত বিৰোধিতা কৰিছিলো। আজিৰ পৰিৱৰ্তিত পৰিস্থিতিত সেই সময়ৰ Look East Policy ৰ যিটো ধাৰণা দিছিল পৰিবহণ মন্ত্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই

সেই সময়ত Still will Road টো যোগাযোগৰ এক বিস্তৃত এলেকা কৰি South East Asia ত যোগাযোগৰ মাধ্যম কৰি তুলিছিল। মই তেওঁৰ লগত এই Map বোৰ আঁকি মেলি চাই আছো। আজি পৃথিৱীৰ পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিত চীনৰ অৰ্থনৈতিক উন্নয়নৰ বিকাশৰ পৰিপ্ৰেক্ষিতত South East Asia ৰ প্ৰাধান্য বাঢ়িছে। কিছু বছৰ আগতে ওবামা ডাঙৰীয়াই South East Asia ত পৰিভ্ৰমণ কৰি যোৱাৰ পিছত আমাৰ প্ৰধান মন্ত্ৰী সকলো গৈছিল। এতিয়া সকলোৰে দৃষ্টি বজাৰ (Market)ৰ ওপৰত। সেইকাৰণে আন্তৰ্জাতিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱেশৰ পৰিপ্ৰেক্ষিতত এসময়ত যিদৰে কাশ্মীৰৰ প্ৰাধান্য বাঢ়িছিল, এতিয়া উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাধান্য বাঢ়িছে। এনে পৰিপ্ৰেক্ষিতত এই অঞ্চলৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠী যিবোৰ ইয়াত আছে এইবোৰে কেনেধৰণে তিষ্ঠি থাকিব আৰু পৰিৱৰ্তিত এই পৰিস্থিতিক আমি যদি আওকাণ কৰো, তাৰ লগত যদি আমি নিজকে মিলাই যোৱাৰ প্ৰচেষ্টাও নকৰো আমি ইয়াত নিঃশেষ হৈ যাম। আজি আমি সমৰ্থন জনাইছো, কাৰণ সমৃদ্ধিশালী অৰ্থনীতিৰে অসমৰ উন্নয়ন বিচৰা Advantage Assam ৰ জৰিয়তে বিশ্ব বিনিয়োগ কাৰী সন্মিলনৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ আছে। Advantage Assam ৰ এই সন্মিলনত digital hub যিটো সেইটো অসমত গঢ় দিয়াৰ কথা ঘোষণা কৰিছে, প্ৰায় ১ লাখ কোটি বিনিয়োগৰ চুক্তি হৈছিল। ASEAN দেশ সমূহৰ বিমান সংযোগ হ'ব গুৱাহাটীৰ পৰা ।৪০০০ কোটি টকাৰ ব্যয়ৰে অসমৰ লগত চট্টগ্ৰামৰ সাগৰীয় যোগাযোগ ব্যৱস্থা সংযোগ হ'ব। লীলাবাৰী, ডিব্ৰুগড়, যোৰহাটৰ লগতে এতিয়া নতুনকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ গুৱাহাটীৰ পৰা শিলচৰলৈ কেন্দ্ৰ কৰি যিবোৰ Airport আছে, সেইবোৰ পৰৱৰ্তী সময়ত যোগাযোগ ব্যৱস্থাত সৰ্বাধিক গুৰুত্ব দিয়াৰ চেষ্টা বৰ্তমান চৰকাৰে কৰিব যদিও ডিব্ৰুগড়, লীলাবাৰীত Spice Jet য়ে ব্যৱস্থা লৈছে যে তেওঁলোকে বিশেষকৈ উৰাজাহাজেৰে যিটো যোগাযোগ ব্যৱস্থা তাত গুৱাহাটীক কেন্দ্ৰ কৰিব। পূৰ্বৰ চৰকাৰৰ দিনত ইয়াক আৰ্ন্তজাতিক কেন্দ্ৰ হিচাবে লৈছিল যদিও ই কাৰ্য্যকৰী হোৱা নাই। কিন্তু অহা সময়চোৱাত South East Asia ৰ দেশ সমূহৰ লগত যোগাযোগৰ কাৰণে বৰ্তমানৰ চৰকাৰে এই Advantage Assam ক সমৰ্থন জনাই কেইটামান পৰামৰ্শ দিবলৈ বিচাৰিছো। যিটো আৰ্ন্তজাতিক পথ হ'ব কলিকতা, বাংলাদেশ হৈ ইম্ফলেদি। এই ৰাস্তাটোৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাখন অন্ধকাৰত থাকিব। গতিকে আমি আশা কৰিম থাইলেণ্ড , মালয়েচিয়া, ইন্দোনেচিয়া, কোৰিয়া, চাউথ কোৰিয়া, লাউচ, জাপানলৈকে আমি যদি ডিমাপুৰেদিও ওলাই যাব পাৰো ইম্ফলৰ লগত আৰু যদি Stil well লৈ দি যদিও চীনৰ কাষেৰে যাবগৈ তথাপিও আমাৰ চৰকাৰে চেষ্টা কৰক Stil well road ৰ কাষেদি জাপানলৈ যদি আমি সম্পৰ্ক ৰাখিব পাৰো, তেতিয়াহ'লে পৃথিৱীখনৰ লগত অন্ধকাৰত থাকিব বিচৰা ব্ৰহ্মপুত্ৰ উপত্যকাটোকো আমি সংলগ্ন কৰিম আৰু তেতিয়াহে এই শুভফল বিলাক পাম। লগতে এই ক্ষেত্ৰত অসমত চাৰিখনকৈ নতুন দলং হ'ব বুলি আমাক ৰাজ্যপালৰ ভাষণত কৈছে। নিমাতীঘাটৰ লগত মাজুলী, দিচাংৰ লগত ঠিক একেদৰে গহপুৰ, নুমলীগড় এই বিলাকৰ সিদ্ধান্ত লৈছে আৰু যোগাযোগ ব্যৱস্থা স্বাভাৱিকতেই এটা অৰ্থনৈতিক বিকাশত উন্নত হ'ব লাগিব, নহ'লে ইয়াত টকা বিনিয়োগ কৰিবলৈ কোনো নাহিব। ১ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ দিছে। আমাৰ হাতত মূলধন নাই। এতিয়া আমাৰ চৰকাৰে চাবলগীয়া যিবিলাক বিষয়ৰ ক্ষেত্ৰত ইয়াত তেওঁলোক আহিছে এইক্ষেত্ৰত spice jet য়েও কৈছে বেলেগ কেইবাটায়েও কৈছে যে যিটো আকাশীযানৰ ব্যৱস্থা সেইটো কৰিব। আমাৰ ৰাজ্যখনৰ উত্তৰ, দক্ষিণ, পূব, পশ্চিম এই আটাইকেইখন জিলাৰ লগতে যাতে সুসম্পৰ্ক থাকে। গুৱাহাটীৰ যোগেদি যাতে আৰ্ন্তজাতিক যোগাযোগ বিলাক হয় তাৰ যোগেদি অৰুনাচল, নাগালেণ্ড এই দুইটা

অংশৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ যোগাযোগ ব্যৱস্থাৰ সম্পৰ্ক থাকি ব। ঠিক একেদৰে মেঘালয়, মিজোৰাম, মণিপুৰৰ লগত সম্পৰ্ক থাকিব। মই আকৌ সেইকাৰণে দোহাৰিছো এই দুয়োটা পথৰ ক্ষেত্ৰত যাতে সৰ্বাধিক গুৰুত্ব আমাৰ চৰকাৰে দিয়ে। বাংলাদেশৰ পৰ্টৰ ক্ষেত্ৰত এটা সময়ত আন্দোলন হৈছিল। চিটাগঙৰ যোগেদি যিটো বাণিজ্যিক সম্পৰ্ক হ'ব সেইটো নিশ্চয় অহা দিনত আমাৰ কাৰণে সুচল হ'ব। এই সন্মিলনত অষ্ট্ৰেলিয়া, বাংলাদেশ, কম্বোদিয়া, জাৰ্মানী, হংকং, ভূটান, ইজৰাইল, ইটালী, চেক গণৰাজ্য, জাপান, ইন্দোনেচিয়া, লাউচ, দক্ষিণ কোৰিয়া, নেদাৰলেণ্ড, ম্যানমাৰ, নেপাল, চিংগাপুৰ, থাইলেণ্ড, ইংলেণ্ড, আৰৱ, ভিয়েটনাম আৰু আমেৰিকাৰ প্ৰতিনিধিয়ে ইয়াত যোগদান কৰিছিল। লগতে দেশ বিদেশৰ বহুটো প্ৰখ্যাত উদ্যোগপতিও ইয়ালৈ আহিছিল। ইতিমধ্যে অসম আৰু উত্তৰ প্ৰদেশৰ মাজত চিকিৎসাৰ ক্ষেত্ৰতো এটা বুজাবুজি হৈছে। গতিকে এই দিশটো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ। অধ্যক্ষ ডাঙৰীয়া, এই চুক্তি বিলাক পৰীক্ষা কৰি চাবৰ কাৰণে ৰাজ্য চৰকাৰে Invest Assam নামৰ এটা mechanism প্ৰস্তুত কৰা হ'ব বুলি আৰু বুজাবুজিৰ চুক্তি বিলাক পৰ্য্যালোচনা কৰি বিনিয়োগকাৰীৰ ধনেৰে অসমৰ সৰ্বসাধাৰন ৰাইজৰ আৰ্থিক দিশটো কেনেকৈ উজ্জ্বল হ'ব সেই বিষয় বিলাক চাব লাগে বুলি ইয়াত উল্লেখ কৰিছে। উপাধ্যক্ষ ডাঙৰীয়া spice jet য়ে সাগৰীয় প্লেনৰ কথাও কৈছে। ইয়াত যিবিলাক আশা সেই আশা বিলাক যদি সঠিক ভাৱে আগবাঢ়ি যায় মই ভাৱো যে আমাৰ অৰ্থনৈতিক বিকাশত আটাইতকৈ অনগ্ৰসৰ এই অঞ্চলটোত যথেষ্ট সুবিধাজনক হ'ব। ১৯৬৯ চনত দ্বিতীয়টো তেল শোধানাগাৰৰ কাৰণে আমি জেললৈ গৈছিলোঁ আৰু দ্বিতীয় তেল শোধানাগাৰটো এটা পেট্ৰোকেমিকেল উদ্যোগ হিচাবে বঙাইগাওঁত বনাই ল'লে। ১৯৮৩ চনৰ সদৌ অসম ছাত্ৰ সন্থাই এখন দীঘলীয়া আবেদন সেই সময়ৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক দিছিল যে পেট্ৰোকেমিকেলচ্‌ৰ raw' মেটেৰিয়েলেৰে আমি ৫ হাজাৰ উদ্যোগ গঢ়িব পাৰোঁ। এতিয়া মই আশা কৰিম বৰ্তমান বিনিয়োগ কৰিবলৈ অহা এনেবোৰ উদ্যোগ য'ত আমাৰ ধন আহিব তাত যাতে আমাৰ এনেবোৰ সম্পদৰ ভিত্তিত উদ্যোগ গঢ়িব পৰা যায়। যোগাযোগ ব্যৱস্থা যদি উন্নত হৈ যায় তেন্তে উত্তৰ পূৰ্বাঞ্চলৰ এই ৰাজ্যখনক শক্তিশালী ৰূপে গঢ় দিব পৰা যাব আৰু তেতিয়া South East Asia ৰ যিখন বজাৰ এই বজাৰখনৰ দুৱাৰ মুখেই নহয় ইয়াৰ জনসাধাৰণেও সেই ব্যৱসায়ত অংশীদাৰ হ'ব পাৰিব। তাৰ কাৰণে এটা শুভ আৰম্ভণি আজি হৈছে। মই আমাৰ বিৰোধী পক্ষত বহা সকলকো অনুৰোধ জনাইছোঁ যে ইয়াৰ বিৰোধিতা নকৰিব। আপোনালোকৰ সহযোগিতা সকলোৰে কাম্য। কাৰণ এই কাম বিলাক আপোনালোকেও বিচাৰিছে আৰু আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীয়েও বাতৰি কাকতত দিয়া মই দেখিছোঁ যে Act East policy তাৰ যিটো looks আছিল এই ধাৰণাটো তেখেত সকলেই কৰিছিল। গতিকে আমি সকলোৱে সহযোগ কৰোঁ। এইটো কথা ঠিক যে এনে কৰোতে খিলঞ্জীয়া জাতি জনগোষ্ঠী সমূহৰ অৰ্থনৈতিক বিকাশত যাতে হেঙাৰ নহয় সেই কথা নজৰ দিব লাগিব। গতিকে আমি মিত্ৰজোঁটৰ অংশীদাৰ আৰু অসম গণ পৰিষদৰ সদস্য হিচাপে আমাৰ বক্তব্যত সুস্পষ্ট যে Advantage Assam ৰ advantage আমাক দিব লাগে। সুবিধাখিনি ল'ব লাগে। আমাৰ দুখ আৰু দুৰ্যোগত সৰ্বস্বান্ত হোৱা এই অঞ্চলৰ জাতি জনগোষ্ঠী সমূহৰ অৰ্থনৈতিক বিকাশৰ আৰু আৰ্থিক মানদণ্ড যাতে উন্নত কৰিব পাৰোঁ। তেওঁলোকে বিনিয়োগ কৰিবলৈ আহিব, ধন বিনিয়োগ কৰিলে মুনাফা দিবই লাগিব। তেওঁলোকক সুযোগ সুবিধাখিনি আমি দিব লাগিব। আমাৰ যিহেতু ধনবিত নাই তেওঁলোকৰ মুলধনেৰে যাতে আমি ৰাজ্যখন স্বনিৰ্ভৰশীল হৈ উঠিব পাৰো। আজি মহাৰাষ্ট্ৰই কাকো একো নোকোৱাকৈ নিজে দিল্লী চৰকাৰক টকা দিব পাৰে। গুজৰাটে দিব পাৰে। কিন্তু আমি দিল্লীৰ মূখলৈ চাই থকা ৰাজ্যখনে বাৰম্বাৰ ৰাস্তাঘাট হ'বনে নহ'ব,

আমাৰ উন্নয়নৰ কাম কৰিব পাৰিম নে নোৱাৰিম , এইধৰণে দিল্লীৰ মুখলৈ চাই থাকিব লাগে। গতিকে বৰ্তমান চৰকাৰে এটা দৃঢ় স্থিতি লওঁক আন আন ৰাজ্যৰ দৰে আমি আত্মনিৰ্ভৰশীল হ'ব পাৰো আৰু যিখিনি ধন বিনিয়োগ কৰিব তাৰ ওপৰত তেওঁলোকে লাভ ল'ব। কিন্তু একে সময়তে যাতে লাভ আৰু সুবিধা লৈ ৰাজ্যখনক স্বনিৰ্ভৰশীল , অৰ্থনৈতিক ভাৱে আগবাঢ়া এখন ৰাজ্যলৈ যাতে পৰিণত কৰিব পাৰোঁ সেই চেষ্টা কৰিবৰ কাৰণে মই আহ্বান জনাইছো আৰু আমি এই শুভ আৰম্ভনি তথা প্ৰচেষ্টাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছোঁ আৰু ৰাজ্যপালে সঠিক ভাৱে সৰ্বাংগীণ গুৰুত্ব দি তেখেতৰ বক্তব্যত এই বিষয়টোক এক মূল বিষয় হিচাবে সদনত দাঙি ধৰিছে মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টোৰ উপৰিও ইয়াত ইমানবোৰ গুৰুত্ব পূৰ্ণ বিষয় আছে মই গোটেইখিনি ক'ব নোৱাৰিম। কিন্তু দুই এটা বিষয় মই তাত উল্লেখ কৰিম। ক্ৰীড়াৰ ক্ষেত্ৰটো সৰ্বাধিক গুৰুত্ব দিছে। এইবাৰ চৰকাৰে ৰেভিনিউ village বিলাকক লৈ মুখ্যমন্ত্ৰী উন্নয়নৰ যিটো কাৰ্য্যসুচী লৈছে ইয়াত এটা ভাল কাম কৰিছে যে আমাৰ ক্ৰীড়াৰ ক্ষেত্ৰখনক গাওঁৰ মাজলৈ লৈ যাবৰ কাৰণে আজি ২০ লাখকৈ টকা একোখন ক্ৰীড়াক্ষেত্ৰ তৈয়াৰৰ কাৰণে দিছে। আমাৰ অংকিতা বড়োৰ দৰে প্ৰতিভাশালী খেলুৱৈ আছে। সেইদিনাখন আমি দেখা পাইছোঁ ইয়াত অভিভাৱক আৰু ছোৱালী জনীৰ নিজৰ দক্ষতাইহে কৰিছে। তাত আমাৰ contribution নাছিল। ক্ৰীড়াৰ ক্ষেত্ৰত চাহ বাগিছাৰ শ্ৰমিকৰ ল'ৰা ছোৱালীক অকল চাহ বাগিছাৰ নহয়, চাহ জনগোষ্ঠী বুলি কৈছে। তেওঁলোকৰ মাজতো এটা উদ্যম গঢ়ি তোলাৰ প্ৰচেষ্টা চলাইছে। প্ৰত্যেকটো দিশতে চৰকাৰখনে লোৱা এনে ব্যৱস্থাৰ আমি ধন্যবাদ জনাইছোঁ আৰু অধ্যক্ষ ডাঙৰীয়া আমি ক্ৰীড়াৰ ক্ষেত্ৰখনত যথেষ্ট সম্ভাৱনাৰ কথা কোৱাই নহয় কাৰ্য্যকৰী ভাৱে লোৱা ব্যৱস্থাৰ বিষয়েও ইয়াত উল্লেখ কৰিছে।

অধ্যক্ষ ডাঙৰীয়া, ক্ৰীড়াৰ ক্ষেত্ৰখনত ভালেবোৰ সম্ভাৱনাৰ কথা কোৱাই নহয়, কাৰ্য্যকৰী ভাৱে লোৱা ব্যৱস্থাৰ বিষয়েও ইয়াত উল্লেখ কৰিছে। অধ্যক্ষ ডাঙৰীয়া, গুণোৎসৱৰ বিষয়ে উল্লেখ কৰিছে। আমাৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ১৯৮৬ চনৰ যিখন পুথি তাত গুণৰ বিষয়ে বিশালভাৱে বিস্তৃতভাৱে ব্যাখ্যা কৰিছে আৰু এই সময়ত অন্ততঃ আজি চৰকাৰে গুণোৎসৱৰ যি কাৰ্য্যসূচী লৈছে মই নিজ স্কুলবিলাকলৈ গৈছো আৰু এইবাৰ দেখা পাইছো স্কুলৰ শিক্ষকে নিজৰ পকেটৰ পইচাৰে, অভিভাৱকেও আহি স্কুলখনত ৰং দি স্কুলখন আটক ধুনীয়া কৰি তুলিছে। এই যে ইনভোল্টমেণ্ট,জনসাধাৰণৰ, শিক্ষকৰ, সকলোৰে যিটো ইনভোল্টমেণ্ট হৈছে আৰু তাৰ যোগেদি এই দুটা মাহত যিটো শৃংখলাবদ্ধতা আৰু এক নতুন পৰিবেশ সৃষ্টি হৈছে, ইয়াক আগবঢ়াই নিয়াৰ প্ৰচেষ্টা চৰকাৰে আগবঢ়াওক আৰু এই কাৰ্য্যসূচী লগে লগে ভালেবোৰ বিষয় ইয়ালৈ আহিছে। মই আশা কৰিম যাতে আমাৰ চৰকাৰে vernacular, মাতৃভাষাৰ শিক্ষানুষ্ঠান বিলাকৰ যিটো এটা উদ্যম আৰু পৰিবেশ আহিছে তাক যাতে সঠিক ভাৱে লৈ যায়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি ইয়াৰ লগতে মই অনুৰোধ কৰিছোঁ। মিচিং ভাষা আমাৰ বিদ্যালয়সমূহত দিয়া হৈছে, বড়ো ভাষাই বহু কষ্ট, বহু ত্যাগ বহু শ্বহীদৰ ত্যাগেৰে তেওঁলোকে এই ভাষাটো প্ৰতিষ্ঠা কৰিছে। যোৱাকালি অমৃত মিত্ৰ নামৰ এগৰাকী সাহিত্যিকে সৰু সৰু ক্ষুদ্ৰ ভাষা বিলাকৰ বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব দি বক্তব্য দিছে। মই আশা কৰিম আমাৰ চৰকাৰেও এই দিশ বিলাকৰ প্ৰতি সৰ্বাধিক গুৰুত্ব দিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এম এচ ডি পি ৰ আজি আমাৰ বিৰোধী সকলে ভয় কৰিবলগীয়া নাই। ইয়াৰ আগত পাঁচশ কোটি টকা এম এচ ডি পি ত আহিছিল। কোনো খা-খৰৰ নাপালে। বৰপেটাত পূৰ্বৰ শাসকীয় বিধায়কে আপত্তি কৰিছে যে আমাৰ টকাবিলাক সঠিকভাৱে ব্যৱহাৰ নহ'ল, পাঁচশ কোটি টকা। কিন্তু এইবাৰ এই চৰকাৰ অহাৰ পাছত এম এচ ডি পি মাইনৰিটি সকলৰ কাৰণে, ডেভলপমেণ্টৰ কাৰণে যি ধন আহিছে, সেইটো

তাৰে মুকলিভাৱে আলোচনা কৰি ব্লক পর্যায়ত জিলা পর্য্যায়ত কমিটি গঠন কৰি প্রপ'জেল আনিম আৰু সেই বিলাক টেণ্ডাৰৰ যোগেদি দিয়াৰ যিটো ব্যৱস্থা কৰিছে, তাৰ ফলত বহু সংখ্যালঘু অঞ্চলত স্কুল বিলাকে চাৰিলাখ, পাঁচলাখকে পাইছে। বজাৰ নির্মাণত পচিশ লাখকে পাইছে। এই মুকলি মুৰীয়াভাৱে স্বচ্ছভাৱে কথাবিলাক ওলাইছে। এইবিলাকত আদৰণি জনোৱাটো আটাইৰে পক্ষত বাঞ্চনীয়। মই ভাবো যে চৰকাৰ এই বিষয়বিলাক ৰাজ্যপাল মহোদয়ে ইয়াত উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ গুৰুত্বপূর্ণ বিষয়টো এন আৰ চি। সীমান্ত চীল কৰা, অসম চুক্তি ৰূপায়ণ। মই আটাই কেইটা একেলগে আনিছো, আটাই কেইটা বিষয় তেখেতে ইয়াত উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এখন শুদ্ধ এন আৰ চি প্রস্তুত কৰি সম্পুর্ণ কৰা দৰকাৰ। কাৰণ দশক দশক জুৰি আমাৰ ৰাজ্যখনে একেটা সমস্যাক লৈ সকলো উন্নয়ন সকলো নতুন জীৱন গঢ়াৰ চিন্তা ভাৱনাৰ পৰা দুৰত থাকি মাত্র সন্ত্রাস শংকাৰ মাজত জীৱন অতিবাহিত কৰিছে। এখন শুদ্ধ সঠিক এন আৰ চিত যুগ যুগ ধৰি জাতীয় জীৱনৰ খহনীয়াৰ সৃষ্টি কৰা, জাতীয় জীৱনক উদ্ভ্রান্ত কৰি ৰখা এই পৰিৱেশৰ সমাপ্তি লাগে। সি সম্ভৱ হ'ব শুদ্ধ এন আৰ চি ৰ যোগেদি। গতিে ভাৰতবর্ষৰ জনগোষ্ঠীয় বিচাৰ বিবেচনা বিলাক যদি আমি চাওঁ, দেখা যায়। অসমীয়া সৰু জাতি জনগোষ্ঠীতে ইতিমধ্যে থার্টি ফৰ পাৰচেণ্ট অর্থাৎ চৌত্রিছ ভাগ জনসংখ্যা বৃদ্ধি আমাৰ ৰাজ্যত হৈছে। ৰাষ্ট্রীয় হাৰতকৈ চৌত্রিছ শতাংশ হাৰ বৃদ্ধি এনে সময়ত আমি অধিক মানুহ লব নোৱাৰো অধ্যক্ষ ডাঙৰীয়া, ইয়াত উল্লেখ কৰিছে। আজি বানত আক্রান্ত লাখ লাখ মানুহ, চাহ বাগিচাত অজস্র ভুমিহীন মানুহৰ হাঁহাকাৰ। এইটো আলোচনাত মই যোৱাবাৰৰ কথা কোৱা নাই অধ্যক্ষ মহোদয়। মোৰ মনত পৰিছে আলোচনা কৰি থাকোতে বেলতলাত পৰি থকা মানুহৰ হাহাকাৰ। আপোনাক এজন বিশিষ্ট নেতাই ফোন কৰি কৈছিল যে, শুই থকা বিলাকক জগাই দিব নালাগে। জগাই নিদিলেও উঠিব। আপুনি এটা ভাল কাম কৰিলে। ইয়াৰ ভালফল আমি সমাজত দেখা পাইছো। চাহ জনগোষ্ঠী ৰাইজৰ মনত এতিয়া এটা ধাৰণা হৈছে যে আমাৰ কাৰণে ভবা মানুহ ইয়াত আছে। এনেকুৱা এটা মেচেজ গৈছে। কিন্তু তেওঁলোকক আজি চৰকাৰে কমিটি গঠন কৰি দিছে যাতে চাহ জনগোষ্ঠী ৰাইজৰ ভূমিহীন লোকক আমি মাটি দিব পাৰোঁ। কিন্তু ভূমি এটা মূল সমস্যা ইয়াত উল্লেখ কৰিছে। ভূমি সম্পর্কত পূর্বৰ চৰকাৰখনৰ দিনত ৰাজহ বিভাগটোৰে যি গুৰুত্ব পাব লাগিছিল পোৱা নাই। আজি ৰেকর্ড আদি নাই, কিন্তু ইয়াত ডিজিটেল কৰা কথা কৈছে। আটাইতকৈ প্রয়োজনীয় কথা ভূমিৰ ক্ষেত্রত শুদ্ধ তথ্য-পাতি আমাক লাগিব। দুই লাখ আঠাইচ হাজাৰ হেক্টৰ মাটি গ'ল, নদীয়ে খহাই নিলে ৩৪ শতাংশ মানুহ ইয়াত সোমাই পৰিল। কিন্তু মাটি দখল কৰিলে। মাটি এতিয়া নাই। আৰু মানুহ আমি ল'ব নোৱাৰো। আৰু সেই কাৰণে সর্বসন্মতভাৱে এই বিধান সভাৰ মজিয়াত অসম চুক্তি ৰূপায়ণ কৰিব লাগে বুলি আমি ইয়াত সিদ্ধান্ত লৈছিলো। আমাক কংগ্রেছেও সমর্থন দিছে, এ আই ইউ ডি এফেও দিছে। আমি আটাইয়ে সিদ্ধান্ত লৈছো যে, এয়াত নতুনকৈ সিদ্ধান্ত লোৱাৰ প্রয়োজন নাই। ইয়াত উল্লেখ কৰিছে অসম চুক্তি সঠিকভাৱে ৰূপায়ণ হ'ব। ইতিমধ্যে এটা কার্য্যালয় মুকলি কৰিছে। এখন শ্বহীদ উদ্যান, শ্বহীদৰ প্রতি দিবলৈ ঠিক কৰিছে। নির্যাতিতা সকলৰ প্রতিও চৰকাৰে পৰাখিনি সহায় আগবঢ়াইছে। কিন্তু মুল বিষয়টোৰ ক্ষেত্রত মই ভাবোঁ যে, আপোচহীন ভাৱে এই চৰকাৰে কাম আৰম্ভ কৰি নিয়ক। সীমা ছীল বিষয়টোৰ ওপৰত কওঁ যে সীমান্তত আজি যদি চীনলৈ এজন মানুহ বিদেশী যায় গুলিয়াই মাৰে। আমি গুলিয়াই মাৰিবলৈ কোৱা নাই। আমি সকলোকে লৈ মানবীয়তাৰ চিন্তা ভাৱনাৰে এই সমস্যা সমাধানৰ পক্ষ আছে। কিন্তু সদায় উন্মুক্ত হৈ থাকিব এইটো হ'ব নোৱাৰে। তেজপুৰত ৰহিংগীয়া সকলৰ দুখৰ লগত সমভাগী। তাত যিবিলাক খবৰ ওলাইছে, সেইবিলাক অমানবীয়

কামৰ আমি বিৰোধী। অসম গণ পৰিষদে সদায় বিৰোধিতা কৰিছে। দুবাৰকৈ চৰকাৰ কৰিও আমি তেনেকুৱা ইনহিউমেন কাম কৰা নাই। আজি আমি যিখন চৰকাৰ কৰিছোঁ, এই চৰকাৰখনো সন্মিলিত চৰকাৰ। এই চৰকাৰ খনেও ইনহিউমেন অমানৱীয় কামৰ পক্ষপাতি নহয়। আমি থকা খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ প্ৰতি আমাক (ইনহিউমেনয?) ব্যৱহাৰ কৰা হৈছে। আৰু সেই কাৰণে অধ্যক্ষ মহোদয় ডাঙৰীয়া, আপোনাৰ যোগেদি মই ইয়াক সমৰ্থন জনালো। ইয়াত আটাইতকৈ ইতিবাচক দিশ হৈছে, সীমান্তলৈ ছীল কৰিব, আনকি নদীৰ ওপৰতো সতৰ্ক দৃষ্টি ৰখা হব বুলি ঘোষণা কৰিছে। স্বাভাৱিকতে মই যিসকলে বিৰোধিতা কৰিছে, তেখেতসকলোকে আহ্বান জনাইছো। এইখন সমৰ্থন কৰক। যি কাম আগতে কৰিব পৰা নহ'ল, সেই কামখিনি কৰক। চৰকাৰখনক সহায়ৰ হাত আগবঢ়াম। যি প্ৰতিশ্ৰুতি তেখেতসকলে দিছে, মাননীয় অধ্যক্ষ ডাঙৰীয়া...

**মাননীয় অধ্যক্ষ ঃ** পাৰিলে সামৰিব। আপোনাৰ অলৰেডি শেষ হৈছে।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** অধ্যক্ষ ডাঙৰীয়া, কৃষি ক্ষেত্ৰখনতো ভালেখিনি কাম লৈছে। Solar energy ৰে এহাজাৰ ওপৰৰ চেলো টিউৱেল বিলাক কৰিব। এইবাৰ ট্ৰেক্টৰ দিবৰ কাৰণে ব্যৱস্থা কৰিছে.। যিটো চিফ মিনিষ্টাৰ উন্নয়নৰ ঘোষনা যিখন আছে, তাৰ যোগেদি কৰাৰ ব্যৱস্থা কৰা হৈছে। গতিকে আমাৰ কৃষি ক্ষেত্ৰখনৰ ভালেখিনি সাৰ লৈছে আৰু Advantage Assam ভালেবোৰ গ্ৰুপৰ লগত দেখা পাইছো। সকলোৰে সৰ্বাধিক গুৰুত্ব দিছে। কিন্তু এই বিষয়বিলাকত ৰাজ্যপাল গৰাকীয়ে এনে কেতবোৰ গুৰত্বপূৰ্ণ দিশ উন্মোচন কৰিছে, যত আমাৰ প্ৰত্যেকে অংশীদাৰ হোৱা উচিত। আৰু চৰকাৰখনকো এই দিশবিলাক আগবঢ়াই নিয়াৰ কাৰণে আমি অনুৰোধ জনাম। পি,ডব্লিউ ডি বিভাগে আগৰ তিনি হোজাৰ নশ কিলোমিটাৰ ঠাইত সাত হাজাৰ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ আগবঢ়াই নিয়াৰ প্ৰচেষ্টা ইতিমধ্যে আৰম্ভ কৰিছে। মই ভাল  পাইছো আমাৰ সিদিনাৰ নিউজটো দেখি। মই গৌৰব কৰা নাই। আমাৰ এগৰাকী কংগ্ৰেছৰ বিধায়ক , তেখেতে চাৰিটা ৰাস্তা একেদিনাই মুকলি কৰিছে। বাতৰি কাকতত দেখিছো, কাম আৰম্ভ কৰিছে। বোধহয় দক্ষিণ শালমাৰত। বাটপথৰ উন্নয়ন আটাইতকে প্ৰয়োজন। যদি আমি বাহিৰৰ মানুহক ইয়াত আমন্ত্ৰণ কৰো যোগাযোগ ভাল হ'ব লাগিব। গাৱেঁ ভুঞে থকা বাট সমূহৰ ক্ষেত্ৰত ইতিমধ্যে চৰকাৰে ভালেবোৰ আঁচনি লৈছে। আৰু বহুত কাম পি,ডব্লিউ ডি বিভাগে আগবঢ়াই নিছে। সিদিনালৈকে যিমানবোৰ মানুহৰ আপত্তি আছিল , তাৰ পৰিৱৰ্তন ঘটিছে। আৰু মই অনুৰোধ কৰিম কোৱালিটিৰ লগত কমপ্ৰমাইজ নকৰিব কাৰণে। লগতে মই আমাৰ বিভাগটোক অনুৰোধ কৰো যাতে তেখেতসকলে (এনাৰচেনিক?) কৰক, low-est যিটো কাম এককোটি সেইটো যাতে ষাঠি লাখত নিদিয়ে। আপোনালোকে আইন কৰক। আপোনলোকৰ পি ডব্লিউ ডিৰ এক্ট যিখন আছে, তাত বাই ৰুল কিছুমান কৰক। আৰু নতুন ৰুল কেতবোৰ কৰক যাতে কামৰ কোৱালিটি নষ্ট নহয়। এবছৰৰ পাচত যদি ৰাষ্টা ভাঙি যায়? এককোটিৰ কাম যদি ষাঠি লাখ, চল্লিছ লাখ বিশ শতাংশৰ তলত মাৰে,তেওঁলোকক আমি দিবলগীয়া হয়, কোৰ্টত যাব ই-টেণ্ডাৰিং কৰিব, কিন্তু কোৱালিটিৰ ক্ষেত্ৰত কমপ্ৰমাইজ নকৰাকৈ যিবোৰ আসোঁৱাহ আছে, মই  পি ডব্লিউ ডি মিনিষ্টাৰক অনুৰোধ কৰিছোঁ এইবিলাক আপোনলোকে সংশোধন কৰি লওঁক। অধিক ক্ষমতা দৰকাৰ হ'লে ইঞ্জিনীয়াৰ সকলক দিয়ক আৰু তেওঁলোকৰ ওপৰত চকু ৰাখক। এই ভাষণত আমি কেতবোৰ পৰামৰ্শমূলক বিষয় মই দাঙি ধৰিছো আৰু কামবোৰ কৰি যাওতে বহু সময়ত খেলি-মেলি হয়। খেলি-মেলি হোৱাৰ কাৰণ বিলাক আইনৰ কাৰণে চাবোৰডিনেট লেজিলেশ্যনৰ মই ভাবো যে, সেই বিলাকৰ বিষয়ে চোৱা আটাইতকৈ প্ৰয়োজন হৈ পৰিছে। গতিকে অধ্যক্ষ মহোদয়, অহা সময়চোৱাত ৰাজ্যপালে যিবোৰ গুৰুত্বপূৰ্ণ বিষয় ইয়াত উল্লেখ কৰিছে, আৰু

মই পূণৰবাৰ  ৰাজহ বিভাগক অনুৰোধ কৰো যে ভুমি আইনখ ভালকৈ পৰ্য্যালোচনা কৰক। এই বিলাকৰ সংশোধন কৰি মাটিৰ ওপৰত অধিকাৰ আৰু মাটিৰ সুৰক্ষা দিয়াৰ বিষয়টোত সৰ্বাধিক গুৰুত্ব দিব লাগিব। কাৰণ আগৰ সময়চোৱাত  তেজপুৰতে মই দেখা পাইছো অধ্যক্ষ ডাঙৰীয়া, কি ধৰণে  ব্যাপক ভাৱে অন্যায় অনিয়ম কৰি মাটি বিলাক হস্তান্তৰ হৈছে। গতিকে ৰাজহ বিভাগৰ ক্ষেত্ৰত বহু কথাৰ ইতিবাচক দিশ আছে, এই দিশত চাওঁক। শেষত মই তেজপুৰৰ  এটা কথা কৈ সামৰিছোঁ, হেৰিটেজ চিটি । ইয়াত মই দেখিছো যে পৰ্য্যটনত সাংঘাটিক গুৰুত্ব দিছে। জ্যোতি বিষ্ণু ইউনিভাৰচিটি অফ আৰ্ট এণ্ড কালচাৰ ( Jyoti Bishnu University of Art and Culture) ৰ বিষয়ে ইয়াত যি ঘোষণা কৰা হৈছিল সেইখন আগবঢ়াব লাগে। আই.এচ.বি.টি অৰ্থাৎ ইন্টাৰ ষ্টেট বাছষ্টেণ্ড আমাৰ পৰিবহন মন্ত্ৰীয়ে ইয়াত উল্লেখ কৰিছিল। সেই কামখিনিও আমি আগবঢ়াই নিব লাগে। তেজপুৰ আটাইতকৈ প্ৰাচীন চহৰ। এই চহৰৰ মঠ-মন্দিৰ সমুহ পৰ্য্যটন বিভাগৰ যোগেদি,যিবিলাক ইয়াত উল্লেখ কৰিছে, সেই দিশ বিলাক চাই তেজপুৰক অসমৰ ভৌগলিক, ৰাজনৈতিক, সামাজিক আৰু হেৰিটেজ চিটি হিচাপে গঢ় দিয়া প্ৰয়োজন, যিহেতু উত্তৰ পাৰত এইখনেই মূল চহৰ, ইয়াৰ লগত চাৰিওফালে সম্পৰ্ক আছে। এতিয়া তাত ভালেখিনি উদ্যোগ গঢ় লৈ উঠিছে। আৰ্মিৰ হেড কোৱাৰ্টাৰ, ফুড কৰ্পৰেচনৰ হেড কোৱাৰ্টাৰ, জিলাৰ হেড কোৱাৰ্টাৰ আদি ভালেখিনি উদ্যোগ অহাৰ ফলত যান-জঁট যথেষ্ট বৃদ্ধি পাইছে লগতে তাত বাট পথ সমূহো যথেষ্ট শোচনীয় হৈছে। গতিকে মই অনুৰোধ কৰিছোঁ যাতে পৰ্য্যটনৰ তিনিটা কেন্দ্ৰ গুৱাহাটী, শিৱসাগৰ আৰু তেজপুৰক হেৰিটেজ চিটি হিচাপে লৈ আগবঢ়াৰ ব্যৱস্থা কৰে। ৰাজ্যপাল ডাঙৰীয়াই দিয়া ইতিবাচক দিশ সমুহ মই অতি চমুকৈ উল্লেখ কৰিব বিচাৰিছো আৰু আশা কৰো  আমাৰ বিৰোধী সকলো একমত হ'ব। আমি সকলোৱে এই ক্ষেত্ৰত সহায় আগবঢ়াম, মই আকৌ দোহাৰিছোঁ এই অঞ্চলৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠী সকলৰ স্ব-অধিকাৰৰ লগতে, বাৰেবৰণীয়া ধৰ্ম , ভাষা, গোষ্ঠী, নিৰ্বিশেষে স্থায়ী ভাবে আমি যি সকল ইয়াত থাকিম, তেওঁলোকৰ মাজত ভাতৃত্ববোধ গঢ়াৰ কথা বহুবাৰ এই বক্তব্যত উল্লেখ কৰিছোঁ। গতিকে আহক আমি সকলোৱে মিলি এখন নতুন অসম গঢ়িব চেষ্টা কৰো। যিখন অসমত দুখ-দুভাগ্যত থকা মানুহে এটা নতুন পথৰ সন্ধান এটা পাব, এটা নতুন দিন দেখা পাব। এইখিনি কৈ সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ। এতিয়া শ্ৰীহাফিজ বছিৰ আহমেদ ডাঙৰীয়া।

**শ্ৰীহাফিজ বছিৰ আহমেদ, পশ্চিম বিলাসীপাৰাঃ**- মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষনৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আহিছে তাৰ বিৰোধীতা কৰি কোৱাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ । জনাইছোঁ। অধ্যক্ষ মহোদয়, উন্নয়ণ বা উন্নতি যদি হ'ব লাগে,  তেতিয়া হলে সৰ্ব প্ৰথম চৰ্ত হ'ল শান্তি-সম্প্ৰীতি, নিৰাপত্তা সুনিশ্চিত কৰা। যোৱা ৩০ জানুৱাৰী ২০১৭ তেতিয়াৰ ৰাজ্যপালৰ ভাষণত প্ৰথমতেই কোৱা হৈছিল যে শংকৰদেৱ, মাধৱদেৱ, আজানপীৰৰ দেশ এইখন আৰু কালিৰ ভাষণতো  আৰম্ভনিতে  কোৱা হৈছে, We are grateful to for all the blessings of peace, harmony, fraternity and promise of a brighter future that these herald for us all. এই চৰকাৰখন ক্ষমতাত অধিষ্ঠিত হোৱাৰ পৰা আজিলৈকে যি শান্তি, সম্প্ৰীতি আৰু সংহতি ইয়াত বৰ্তি থাকিলে সেই খিনিয়ে অহা বছৰৰ বাবে অগ্ৰদুত হিচাপে কাম কৰিব। কিন্তু যোৱা দিনবোৰত আমি দেখিছো যে দায়িত্বশীল কিছুমান ব্যক্তিয়ে এনে ধৰণৰ মন্তব্য ৰাখিছে যিয়ে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিত ব্যাঘাত জন্মাব বুলি আমি ধাৰণা কৰিছো। কোনোবাই কৈছে, ইয়াত ৮০ লক্ষ্য ১০০ জনত ৯৭শতাংশ  বিদেশী মুছলমান আছে। মুঠ

৩ কোটি ২৯লাখ জনসংখ্যাৰ ভিতৰত যদি ১ কোটি ১০ লাখ মুছলমানেই ধৰা হয় তেতিয়া হলে ৩ লাখ বা ৪ লাখ মুছলমানহে ইয়াৰ অসমৰ বাসিন্দা। বাকী সকলো বিদেশী মূলৰ নেকি? তদ্রুপ এজন দায়িত্বশীল ব্যক্তিয়ে ক'লে যে ইয়াত ৯০ লাখতকৈ বেছি বিদেশী মুছলমান আছে তাৰ যুক্তি, প্ৰমাণ কি? ঈদ আৰু মুছলমান সকলৰ উৎসৱৰ সময়ত আমাৰ তাত মানুহ নোহোৱা হৈ যায়, শাক-পচলি, মাছ-মাংস আমি একো কিনিবলৈ নাপাও। That is the ground আৰু এইটো তেওঁলোকৰ দলিল। এই ধৰণৰ উক্তিৰে আৰু কোনোবাই কৈছে যে ইয়াত ৮০ লাখ মুছলমানক নদীত উটুৱাই দিব লাগে। মই এই কথাখিনি অৱতাৰণা কৰাৰ মূল উদ্দেশ্য এইটোৱেই যে অসমৰ সাতাম পুৰুষীয়া শান্তি-সম্প্ৰীতি ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অলপ ব্যতিক্ৰম। এই কাৰণে কৈছো যে ১৯৯২ত বাব্‌ৰী মছজিদ ধ্বংসৰ পাছত সমগ্ৰ ভাৰতবৰ্ষত যি ধৰণে সাম্প্ৰদায়িক জুই জ্বলি উঠিছিল, অসমত কিন্তু তাৰ ব্যতিক্ৰম আমি দেখিছো, তাৰ প্ৰতিক্ৰিয়া ইয়াত হোৱা নাছিল। ছেগা ছোৰেকাকৈ যি দুই এঠাইত হৈছে, সেইটো উল্লেখযোগ্য নহয়। আজি হিন্দু মুছলমানৰ নামত কিছুমান শক্তিয়ে ইয়াত এক বিভেদ সৃষ্টি কৰি তেওঁলোকৰ মুনাফা আদায় কৰাৰ চেষ্টা কৰি আছে। যদি এইটো হয় তেতিয়া হলে Advantage Assam ৰ কথা ইয়াত আৰম্ভণিতে কোৱা হৈছে। বা আমি এই অঞ্চলৰ বিশেষকৈ অসমৰ উন্নয়নৰ ক্ষেত্ৰত যি বোৰ পদক্ষেপ আমি ল'ব বিছাৰিছোঁ আৰু অসমক সামগ্ৰিক ভাৱে সকলো ক্ষেত্ৰতে আগুৱাই লৈ যোৱাৰ যি পৰিকল্পনা সেইটো বাস্তৱ ৰূপ দিয়াত যথেষ্ট বাধাৰ সন্মুখীন হ'ব লাগিব। আমি যদি ইতিহাস চাওঁ ভাৰতবৰ্ষৰ ভিতৰত অসমৰ হিন্দু-মুছলমানৰ যি সংঘাত তাৰ প্ৰকৃত কাৰণে ধৰ্ম বা বিশ্বাস নহয়। এই সংঘাতৰ কাৰণ সম্পূৰ্ণ বেলেগ। আজি শৰাইঘাটৰ যুদ্ধ হৈছে, ইয়াক মোগল আৰু আহোমৰ যুদ্ধ বুলি কোৱা হয়। কিন্তু ৰামসিংহ, এনেকুৱা এজন হিন্দু আছিল যে তেওঁ এজন মুছলিম ৰজা ঔৰংগজেৱৰ সেনাপতি হৈ যুদ্ধ কৰিলে আৰু ইছমাইল ছিদ্দিক এনে এজন মুছলমান আছিল যে তেওঁ আহোম ৰজাৰ হৈ লাচিতৰ সোঁহাত হিচাপে, সেই যুদ্ধত অৱতীৰ্ণ হ'ল। ঠিক তদ্রুপ আমি যদি শিৱাজী আৰু ঔৰংগজেৱৰ যুদ্ধ চাওঁ, তাত আব্দুল খাট আছিল ঔৰংগজেৱৰ সেনাপতি। কিন্তু শিৱাজীৰ প্ৰতিৰক্ষা মন্ত্ৰী হাইদৰ খান আছিল মুছলমান। তেওঁৰ ২১ জন গা-ৰক্ষী মুছলমান আছিল। আমি হলদিঘাটৰ যুদ্ধ যদি চাওঁ ৰাণা প্ৰতাপ সিংহৰ ক্ষেত্ৰত, তাত মানসিং এনে এজন হিন্দু যিয়ে ঔৰংগজেৱৰ হৈ অৱতীৰ্ণ হয়। তেওঁ প্ৰতাপ সিংহৰ হৈ যুদ্ধ কৰে। অধ্যক্ষ মহোদয়, আমি স্বাৰ্থ অথবা মুনাফা আদায় কৰাৰ কাৰণে আমি আমাৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ দিব নোৱাৰো। ৰাজ্যপালৰ কালি আৰু ৩০ জানুৱাৰী দুয়োদিনৰ ভাষণত শান্তি-সম্প্ৰীতিৰ কথা কোৱা হৈছে। কিন্তু অতি পৰিতাপৰ বিষয় যে কিছু লোকে এই শান্তি ভংগ কৰাৰ চেষ্টা কৰিছে আৰু চৰকাৰে এইসকলক শাস্তি বিহাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে বুলি ক'বলৈ আমি বাধ্য হৈছো।

আমি ভাৱিবলৈ বাধ্য হৈছো। আমি ক'ব বিচাৰো এইটোই যে মানুহ হিচাবে, ধৰ্ম হিচাবে এইটো ইণ্ডিভিজুৱেল এটা কথা। যাৰ যাৰ বিশ্বাস তাৰ তাৰ লগত আছে। কিন্তু যুক্তি হিচাপে প্ৰত্যেকৰে বেলেগ বেলেগ মতামত আছে। সেই বুলি যদি সুদৰ্শন ভট্টাচাৰ্য্যৰ নাম আবুল হুছেইন হয়, সেই বুলি দুজন মানুহ বেলেগ হ'ব নোৱাৰে। আবুল হুছেইনৰ সাংস্কৃতিক বা বেঙ্গলী অসমীয়াত ক'লে সুদৰ্শন ভট্টাচাৰ্য্য। আজি আমাৰ চন্দ্ৰ পাটোৱাৰী ডাঙৰীয়া আছে। আমি যদি আমাৰ কালচাৰেলি পাৰ্টীত আৰবী বা পাৰ্চিত তেওঁৰ নাম কওঁ কমলউদ্দিন। প্ৰফুল্ল কুমাৰ মহন্ত আছে। তেওঁৰ নাম ফাৰহান বুলি ক'ব লাগিব। আমাৰ চীফ মিনিষ্টাৰ সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক যদি আমি পাৰ্চীত কওঁ, তেওঁৰ নাম হ'ব নুৰুল হক বুলি ক'ব লাগিব। এনেকুৱা আজি যদি আমি মালেয়েছিয়াত যাওঁ, ইণ্ডোনেছিয়াত

যাওঁ তাত যিবোৰ নাম তেওঁলোকে নিজস্ব ভাষাত ৰাখিছে। তেওঁলোকে আৰবী, পাৰ্চীত নাৰাখে। আজি ৰাছিয়াত অজস্ৰ মুছলিম মানুহ আছে, নিজকে নিজৰ নাম মাতৃ ভাষাত ৰাখিছে। এই নামৰ উচ্চাৰণ, প্ৰণাউণচিয়েশ্বন (টাইলেটটোৰ?) কাৰণে হ'ব পাৰে। এতিয়া আমি ইয়াক ভেটি হিচাবে লৈ বিভিন্ন ধৰণে তেওঁলোকৰ মাজত সামাজিক অস্থিৰতা সৃষ্টি কৰাৰ ক্ষেত্ৰত আমি যদি উদ্যোগ লওঁ বা আমি ইয়াক যদি ডিফেন্স বা ৰক্ষণা-বেক্ষণ দিব নোৱাৰো। আমাৰ এই সুস্থ পৰিস্থিতিক তেতিয়াহ'লে ভৱিষ্যত পৰিকল্পনা নকৰো কিয়? সেই পৰিকল্পনা আমি বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিম। যাৰ প্ৰমাণ অসমৰ ইতিসাহতে বিদ্যমান আছে। দ্যা ফৰেণাৰ ইচ্যু লৈ অসম ইমান দিন অস্থিৰ হৈ থাকিল। এতিয়া এটা সুস্থ পৰিৱেশ আৰু এটা সমাধানৰ পথত আমি প্ৰায় ওচৰ চাপি গৈছো। ঐক্যবদ্ধ হৈছো, এনে পৰিস্থিত আকৌ যদি ইয়াত ধৰ্মৰ নামত, সম্প্ৰদায়ৰ নামত যদি আমাৰ মাজত এটা আকৌ বিষবাস্প বিয়পাই অস্থিৰ কৰি তোলা হয়, তেতিয়াহ'লে এনেকুৱা আমি এডভাণ্টেজ আসাম বহুত ল'লেও আমি ত্তক বাস্তাৰিত কৰিব নোৱাৰিম। অধ্যক্ষ মহাশয়, আজি ইয়াত এডভাণ্টেজ অসমৰ কথা কোৱা হৈছে। আমি ওৱেলকাম কৰিছো। অসমৰ সৰ্বাঙ্গীন উন্নতি হ'ব লাগে। কিন্তু ইয়াৰ যিকোনো যদি ৰাতি নাথাকে, দিনৰো কোনো মূল্য নাথাকে। দিনৰ মূল্যাঙ্কন কৰিব নোৱাৰি। তদ্ৰুপ এডভাণ্টেজ আসাম ইয়াৰ আদাৰ চাইড যিটো মেৰিট -দ্বিমেৰিট, সেইটো যদি আমি লক্ষ্য নকৰো, সেইটো যদি আমাৰ ধ্যান-ধাৰণা নাথাকে, তেতিয়াহ'লে এইটো গৈ এক পক্ষীয় হ'ব পাৰে। আমি দেখিছো। ভাৰতবৰ্ষ দ্ৰুত গতিত সম্পদ আহৰণৰ ক্ষেত্ৰত আগুৱাই গৈ আছে। ভাৰতবৰ্ষ এতিয়া পৃথিৱীৰ ভিতৰত ষষ্ঠতম ধনী দেশ। ষষ্ঠতম সম্পদশালী দেশ। কানাডা, অষ্ট্ৰেলিয়া, ফ্ৰান্সতকৈ ভাৰতৰ সম্পদ এতিয়া তাতকৈ বেছি। বিশ্ব সম্পদ প্ৰতিবেদন নামৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। ২০১৭ ত ভাৰতবৰ্ষত ২০১৬ তকৈ ২৫ শতাংশ সম্পদ বৃদ্ধি হৈছে। ২০১৬ত ৬৫৮৪ বিলিয়ন ডলাৰ আছিল। ২০১৭ ত গৈ বৃদ্ধি হয় ৮২৩০ বিলিয়ন ডলাৰ। এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান বিলিয়নত যদি যাওঁ ১১৯জন বিলিয়নাৰ্চ ভাৰতবৰ্ষত আছে আৰু মিলিয়নাৰ্চত যদি যাওঁ তেতিয়াহ'লে ২১০০০ মিলিয়নাৰ্চ আছে ভাৰতবৰ্ষত। আজি ভাৰতবৰ্ষৰ বিলিয়নাৰ্চৰ ক্ষেত্ৰত তৃতীয় স্থানত আছে আৰু মিলিয়নাৰ্চৰ ক্ষেত্ৰত ভাৰতবৰ্ষ সপ্তম স্থানত আছে। অধ্যক্ষ মহাশয়, এনেবোৰ ষষ্ঠতম ধনী দেশ হোৱাৰ পিছতো আজি ভাৰতবৰ্ষত যোৱা দহ বছৰত দহ হাজাৰতকৈ অধিক কৃষকে আত্মহত্যা কৰিছে। এভাৰেজ বছৰে দহ হাজাৰ বা পোন্ধৰ হাজাৰ কৃষকে আত্মহত্যা কৰে। আজি আমি গুৱাহাটীৰ কথাকেই চাওঁ, ইয়াতো আমি দেখিম ৫০ হাজাৰতকৈও অধিক মানুহ ফুট পাথত দোকান দি জীৱিকা অৰ্জন কৰে। আজি ইয়াত মই দেখিছো আৰ্বান আৰু গুৱাহাটী ডেভ্‌লপমেণ্ট বিভাগৰ শিতানত ৰাজ্যপালে ভাষণ দিছে, কিন্তু ইয়াত বহুত কথা কোৱা হৈছে। অভাৰ ব্ৰীজৰ কথা কোৱা হৈছে, পাৰ্কিংৰ কথা কোৱা হৈছে। ছিংগাপুৰৰ লগত এগ্ৰিমেণ্ট হৈছে। ইয়াত বিভিন্ন গাৰ্ডেন সজাৰ কথা কোৱা হৈছে। কিন্তু আৰ্টিফিচিয়েল ফ্লাড, এজাক বৰষুণ আহিলেই যে মানুহ উটাই লৈ গৈ মৃত্যুৰ মুখলৈ লৈ যায়। এই আৰ্টিফিচিয়েল ফ্লাডৰ কথা এই বক্তব্যত এবাৰো উল্লেখ কৰা নহ'ল। আজি গুৱাহাটীত সেই অৱস্থা আমি দেখা পাইছোঁ। ইয়াত হাজাৰ হাজাৰ মানুহ আজি মুক্ত আকাশৰ তলত কাম কৰি বসবাস কৰে। এইখন গুৱাহাটীত অধ্যক্ষ মহাশয়,১৭ শতাংশ মানুহে ব্ৰহ্মপুত্ৰৰ দৰে এখন বিশাল নৈৰ পাৰত এই চহৰখন অৱস্থিত হোৱাৰ পিছতো ৭০ শতাংশ মানুহে ইয়াত খোৱাপানী কিনি খাই আছে। ইয়াত যিহেতু খোৱাপানী কিনি খায়। গতিকে মই Advantage Assam ত যি আছে, ইয়াক মই সমৰ্থন কৰিছোঁ। অসমৰ ৮০ শতাংশ মানুহে কৃষিত নিৰ্ভৰশীল। যিধৰণে কৃষিৰ ওপৰত কৃষি ভূমি অধিগ্ৰহণৰ কথা কোৱা হৈছে, সেই কৃষি ভূমি অধিগ্ৰহণ কৰাৰ কাৰণে ভাৰতবৰ্ষ

তথা অসমৰ কৃষক সকলৰ ক্ষেত্ৰত এটা সন্দেহ হয়। এনে ধাৰণা এটা আহে যে এওঁলোক বন্ধাত গৈ পৰিণত হ'ব নেকি? এগ্ৰিকালচাৰ আৰু ইণ্ডাষ্ট্ৰীজৰ ক্ষেত্ৰত এটা কথা আমি ইয়াত দেখিছো, এইটো মই ভয়ঙ্কৰ বুলি নকওঁ। My Government has declared that the area of one k.m. to 500 m. from either side of NH -37 from Jalukbari in Kamrup(M) to Kukurmara in Kamrup (Rural) and NH-31 from Jalukbari from Kamrup (M) to Tihu and Nalbari District excluding Tribel balt, BlocksWetland, notified Forest Land, VGR Land in the Industrial Zone. My Government is setting up the state of done. ইয়াত এগ্ৰিকালচাৰেল যি লেণ্ড আছে, তাৰ exhibition ৰ কথা কোৱা হোৱা নাই। ইয়াৰ কি পলিচি হ'ব? তাত এজন, দুজন বা হাজাৰ নহয়, লাখ জনৰ exemption ৰ কথা কোৱা হয়। তাত এগ্ৰিকালচাৰ মেন এজন, দুজন নহয় হাজাৰ লাখ হ'ব। ইয়াৰ পৰা যদি কুকুৰমৰা হয়, It would be further Extended to Dhupdhara. ইয়াৰ পৰা যদি টিহু হয়, আজি এইটো এজনে কুৰেশ্যন কৰিছে। ইয়াত বৰপেটা, নলবাৰী আৰু পানেৰীৰ কথা কৈছে। এক্সটেনশ্যন কৰিব লাগে। খালেক চাহাবে কৈছে বৰপেটালৈকে এক্সটেনশ্যন কৰিব লাগে। গতিকে লাখ লাখ কৃষিভূমি দিয়া তেওঁলোকৰ কাৰণে কি ব্যৱস্থা লোৱা হ'ব এইটো উল্লেখ কৰা হোৱা নাই। সেই কাৰণে অধ্যক্ষ মহোদয়, যাতে উদ্যোগীকৰণৰ নামত আজি যি Advantage Assamৰ কথা ইয়াত কৈছে, তাক আমি আদৰণি জনাইছোঁ। কিন্তু এইটো কৰিবলৈ গৈ ষষ্ঠতম সম্পদশালী দেশ হোৱাৰ পিছতো ইয়াত যাতে বছৰি দহ হাজাৰ, পোন্ধৰ হাজাৰ কৃষকে আত্মহত্যা নকৰে। এটা সময়ত গৈ ৮০ শতাংশ প্ৰধানকৈ কৃষিনিৰ্ভৰশীল কৃষকসকল বন্ধাত পৰিণত নহয় এই কথাটো আপুনি লক্ষ্য ৰাখিব লাগিব।

অধ্যক্ষ মহোদয়, আৰু সাংঘাতিক এটা কথা উত্থাপন কৰিব বিচাৰিছো, যোৱা ২৩ জানুৱাৰী, ২০১৮ চনত Al-Jazeera নামৰ News Paper এখনত এটা নিউজ published হৈছিল। এই নিউজত কোৱা হৈছে, "on the night of January 9th, a police team headed by Officer Ranjit Hazarika raided the home of one Hasan Ali of No.2 Atakata village in Mangaldoi District of the State of Assam in India's north-east". এতিয়া কথাটো হ'ল Water Bording বুলি এটা 3rd degree যিটো torture কৰা হয়, অপৰাধী বিলাকৰ পৰা তেওঁলোকৰ উক্তি বা স্বীকাৰোক্তি লোৱাৰ কাৰণে, সেইটো তেওঁৰ ওপৰত apply কৰা হৈছিল আৰু তেখতৰ পৰিবাৰৰ উক্তিৰ ভিত্তিত উদ্ধৃত কৰা হৈছে যে - Police covered his face with a cloth and poured cold water on his face. He vomited and fainted after a while. উল্লেখযোগ্য যে পৃথিৱীৰ ভিতৰত পোন প্ৰথম বাৰৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰত যোৱা ৯/২০১১ত ট্ৰেড চেণ্টাৰ ধ্বংস হোৱাৰ পিছত তাত জড়িত অপৰাধী সকলৰ ওপৰত এপ্লাই কৰা হৈছিল আৰু তাৰ পিছতে পৃথিৱীৰ ভিতৰত চেকেণ্ড টাইম apply কৰা হৈছে, অসমত। দ্বিতীয়তে যিটো torture technique use কৰিলে এইটো অমানৱীয় UNO তথা হিউমেন ৰাইটচটো ইয়াত কনডেম্ন কৰা হৈছে। ইয়াৰ বিৰুদ্ধে ৰিজ'লেশ্যন Adopt কৰা হৈছে। ইয়াৰ পিছতো today after the custodial death of Shri Hasan a journalist from a local satelite television channel Shri Sourav Jyoti Chetia was picked up by security forces

in a mid night raid at his residence in the Dibrugarh District of Assam. Chetia was accused on passing crucial information about Airforce Station and other installation of the areas to Liberation Front of Assam. News channel alleged subjected torture and the detention including full water punished body middle in the Winter night.তেওঁৰ ওপৰত তিনিটা গোচৰ ৰুজু কৰা হৈছে। এই ক্ষেত্ৰত অসমৰ ডি জি পিয়ে কিছু পদক্ষেপ লৈছে, investigation will out.

উপাধ্যক্ষ মহোদয় ,আপোনাৰ মাধ্যমেদি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এনেকুৱা ইন হিউমেন যাক ইউনাইটেড নেশ্যনচে কনডেম কৰিছে, ইয়াৰ এটা তদন্ত হ'ব লাগে। আৰু এই ক্ষেত্ৰত যিসকল জড়িত আছে তেওঁলোকৰ এটা উচিত শাস্তি হ'ব লাগে। এইটো বেগু হ'ব লাগে। অধ্যক্ষ মহোদয় এন আৰ চি সম্পৰ্কে আজি যথেষ্ঠ আলোচনা হৈছে । ৰুল **৩০১** তো আলোচনা হৈছে আৰু আমাৰ কংগ্ৰেছ দলৰ মাননীয়া অজন্তা নেওঁগ ডাঙৰীয়ানীও আলোচনা কৰিছে। মই মাত্ৰ ২ /৩ টা কথাৰে আপোনালোকৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। চুপ্ৰিম ক'ৰ্টৰ চুপাৰভিজনত এন আৰ চিৰ কাম হৈ আছে আমাৰ ক'ব লগীয়া একো নাই । আমাৰ এশ এক শতাংশ বিশ্বাস আছে। আমাৰ চাৰ্পোট আছে , কাম হৈ আছে কিন্তু পাৰ্চিয়েল যে এন আৰ চি পাৱলিছ হ'ল , এই পাৰ্চিয়েল পাৱলিছ এন আৰ চিত দুই তিনিটামান প্ৰশ্ন জনসাধাৰণৰ মনত উত্থাপিত হৈছে আৰু ইয়াৰ কাৰণে মানুহৰ মাজত এটা পেনিক ফিল হৈছে। এক নম্বৰ হ'ল চুপ্ৰিম কোৰ্টত NRC ৰ কৰ্ডিনেটৰ প্ৰতীক হাজেলা ডাঙৰীয়াই **৩** কোটি **২৯** লাখ এপ্লিকেচনৰ ভিতৰত ভেৰিফিকেচন **২** কোটি **৩৮** লাখ কমপ্লিট হৈছে বুলি কৈছে। কিন্তু প্ৰেকটিকেলী তেওঁ পাবলিছ কৰাৰ ক্ষেত্ৰত **১** কোটি **৯০** লাখহে পাৱলিছ কৰিলে। এইটো কি কাৰনে হ'ল। ইকুৱেলি আৰু ইউনিফৰ্মেলী ভেৰিফিকেচন কৰা নাই নেকি ? দ্বিতীয়তে কথা হ'ল মাইনোৰিটি, নন মাইনোৰিটি ডিষ্ট্ৰিক্টত অৰ্থ্যাৎ প্ৰেকটিকেলী হৈছে বুলি আমি নকওঁ কিন্তু এনেকুৱা এটা পেনিক মানুহৰ মাজত সৃষ্টি হৈছে , এটা সন্দেহৰ সৃষ্টি হৈছে। কোনোৱা ঠাইত **৭০** শতাংশ **৮০** শতাংশ নাম ওলাল আৰু কোনোৱা ঠাইত **১৪** শতাংশ আৰু **২৫** শতাংশহে নাম ওলাল। ইউনিফৰ্ম মেনাৰ অল অভাৰ দা ষ্টেট এণ্ড মেক্সিমাম নাম্বাৰ ইউনিফৰ্ম মেনাৰত এপ্লাই কৰা হোৱা নাই নেকি ? তিনি নম্বৰ চাৰ, উপাধ্যক্ষ মহোদয় ইয়াত কিছুমান প্ৰমিনেন্ট মানুহৰ নাম যিসকলৰ নেকি টাইমচ অন এভেইল তেওঁলোকৰ ভেৰীফিকেচন হৈছে । আফটাৰ ভেৰিফিকেচন হোৱাৰ পিছতহে তেওলোকে যিটো ষ্টেটাচ মেইনটেইন কৰিব পাৰিছে যাষ্ট লাইক দে আৰ - এম পি আছে , এম এল এ আছে , অফিচাৰ আছে। আছাম চাৰ্ভিচৰ আছে ইউনিয়ন পাৱলিক চাৰ্ভিচৰো আছে। তেওঁলোকৰ নাম বাদ পৰিল। এই ক্ষেত্ৰত মানুহৰ মনত এটা পেনিক সৃষ্টি হৈছে। গতিকে আমি আশা কৰিছো যাতে এন আৰ চি যিহেতু চুপ্ৰিম কোৰ্টৰ তত্বাবধানত হৈ আছে ইয়াত ক'ব লগীয়া একো নাথাকিলেও ডেট ইচ টোটেলী একজিকিউট ষ্টেট মেচিনেৰীয়ে কৰি আছে গতিকে ষ্টেট মেচিনেৰীৰ ক্ষেত্ৰত চৰকাৰে এটা সতৰ্ক দৃষ্টি ৰাখিব যাতে ইনজাষ্টিচ নহয়। অলপ আগতে এজনৰ মাননীয় সদস্যৰ উত্তৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে যে ইয়াত এজনো ভাৰতীয়ৰ নাম বাদ নপৰে আৰু এজনো বিদেশীৰ নাম ইয়াত অৰ্ন্তভূক্ত নহয়। এই ক্ষেত্ৰত আমাৰ দ্বিমত নাই , ক'ব লগীয়া নাই । আমি এইটো ক্ষেত্ৰত পূৰ্ণ সহযোগিতা কৰি আহিছো। আৰু আগলৈ কৰাৰ বাবে আজিও প্ৰতিশ্ৰুতি এই পবিত্ৰ সদনত দিছো। কিন্তু কিছু মানুহ , সকলো মানুহ ফৰিস্তা নহয়, কিছু মানুহ বেয়া থাকিব পাৰে কোনোবা মানুহৰ বেড মেন্টেলিটি থকাৰ বাবে

যাতে এজনো ভাৰতীয় লোকৰ নাম যাতে বাদ নপৰে। এই ক্ষেত্ৰত চৰকাৰে যথাবিহীত দৃষ্টি ৰাখিব বুলি আমি আশা ৰাখিলো। আছাম accord ৰ পৰিপ্ৰেক্ষিতত এন আৰ চি আৰু এই এন আৰ চিৰ দ্বাৰাই দীৰ্ঘদিনীয়া যিটো সমস্যা আছে এই সমস্যাটো সমাধান কৰাৰ বাবে এটা সহমতসহ আমি ঐক্যবদ্ধ হৈছো। কিন্তু তাৰ মাজতো কেইটামান প্ৰশ্ন আছে । ইয়াৰ উত্তৰ হয়তো সংশ্লিষ্ট বিভাগৰ আমাৰ মন্ত্ৰীয়ে হওঁক বা মুখ্য মন্ত্ৰীয়ে হওক তেখেতৰ নিজৰ উত্তৰত ক'ব যে আগতে টাইম টু টাইম **১৯৭৪** চন ত ইন্দিৰা - মুজিবৰ যি চুক্তি হ'ল সেই চুক্তিৰ পিচত অফিচিয়েল ষ্টেটমেন্ট দিয়া হৈছিল অসম তথা অসমীয়াৰ সমস্যাৰ শেষ সমাধান।**১৯৮৩** চনত আই এম ডি টি ইল্লিগেল মাৰ্কেটাইজ ডিটাৰমিনেচন বাই ট্ৰাইবুনেল এক্ট **১৯৮৩** হ'ল সেই সময়তো অফিচিয়েল ষ্টেটমেন্ট আছিল যে অসম আৰু অসমীয়াৰ সমস্যাৰ সমাধান ইয়াত হৈ যাব। **১৯৮৫** আচাম একৰ্ড হ'ল তেতিয়াও সেই একে অফিচিয়েল এষ্টেটমেন্ট দিয়া হৈছিল। **২০০5** ত আই এম ডি টিৰ ষ্ট্ৰাইক আউট হ'ল তেতিয়াও সেই একে অফিচিয়েল ষ্টেটমেন্ট দিয়া হৈছিল। **২০১8**চনত ইণ্ডিয়া - বাংলাদেশৰ মাজত লেণ্ড এগ্ৰিমেন্ট হ'ল এতিয়া ইণ্ডিয়া আৰু বাংলাদেশৰ কোনো কাজিয়া নাই এইটো শেষ। **২০১৫** চনৰ পৰা চৰকাৰে এন আৰ চি আপডেট কৰি আছে। গতিৰে বাংলাত এটা কথা আছে - আৰ এই সমস্যা সমাধান হ'বে কি না ? গতিকে ইমানখিনি হোৱাৰ পিচতো এই সমস্যাৰ সমাধান হ'বনে নাই এই ক্ষেত্ৰত মানুহৰ মনত যাতে কোনো সন্দেহৰ উদ্ৰেক নহয় তাৰ প্ৰতি চৰকাৰে বিশেষ দৃষ্টি ৰাখিব বুলি মই আশা ৰাখিলো। এইখিনি যদিও ইয়াত উল্লেখ নাছিল উপাধ্যক্ষ মহোদয় এইক্ষেত্ৰত আৰু এটা কথা মই যোগ দিব বিচাৰিছো। তাৰ লগত নিযুক্ত কোনো বিষয়া- কৰ্মচাৰীয়ে যদি কোনো বৈধ নাগৰিকৰ নাম ইচ্ছাকৃতভাবে বাদ দিয়ে তাত পানিছমেন্টৰ ব্যৱস্থাও থাকিব লাগে বুলি আমি এটা মত পোষণ কৰিছো। আৰু এটা কথা এটা গুডনেচ এৰিয়াত এচেমল্লী কাৰ্য্যসূচী আছে। এচেমল্লী কাৰ্য্যসূচীতো সেইটো অৰ্ন্তভূক্ত কৰা হৈছে 'চাচটেইনেৰল ডেভল'পমেন্ট বোৰ্ড'। এটা ভাল কথা যে আমি গৌৰব বোধ কৰিব পাৰো যে ভাৰতবৰ্ষৰ ভিতৰতে অসম একমাত্ৰ ষ্টেট । ইয়াৰ লগত সংযুক্ত হৈছে মূল **১৭** টা যি প্ৰব্লেম আছে সেই খিনি দুৰ কৰাৰ কাৰণে। ইয়াৰ কাৰনে আমি বাজেটতো দেখিছো ব্ল'কৱাইজ এলোকেচন অৱ ফাণ্ড ফৰ **২০১৮,** ইয়াত ইমান গুৰুত্বপূৰ্ণ এটা কথা কিন্তু **১** নংত আছে নো প্ৰভাৰ্টি **২** নংত আছে হাঙ্গাৰ কিন্তু ইমান গুৰুত্বপূৰ্ণ এটা কথা এই গুৰুত্বপূৰ্ণ কথাটো কিন্তু ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নহ'ল। যে ইয়াত চাচটেইনৱেবল ডেভল'পমেন্ট গ'ল ইয়াত উল্লেখ কৰা নাই। উপাধ্যক্ষ মহোদয়, ইয়াত ইণ্ডাষ্ট্ৰি মিনিষ্টাৰ উপস্থিত আছে । ইণ্ডাষ্ট্ৰিজৰ ক্ষেত্ৰত এডভানটেজ আসামত বহু কথা কোৱা হৈছে । অসমত বহু ইণ্ডাষ্ট্ৰি কৰাৰ কথা কোৱা হৈছে, কিন্তু অলৰেডী যিবিলাক চীক ইণ্ডাষ্ট্ৰি আছে সেইবিলাক ৰিভাইভ কৰাৰ কাৰণে, সেইবোৰ পুনৰজিৱীতকৰণৰ বাবে বাতৰি কাকতত ষ্টেমেন্ট দিছে , কাছাৰ কাগজ কল, জাগীৰোড পেপাৰ মিল, চিল্কমিল, চুগাৰ মিল পুনৰজীবিত কৰা হ'ব কিন্তু এইবাৰ বাজেটত গভৰ্নৰে যিটো কথাত জোৰ দিছে ইয়াত কিন্তু আমি সেই সৰ্ম্পকে কোনো উল্লেখ দেখা নাই। নিশ্চয় এই সৰ্ম্পকে এটা এচুৰেঞ্চ এটা দিশ নিৰ্ণয়, চৰকাৰৰ ফালৰ পৰা কৰা হ'ব বুলি মই আশা ৰাখিলো উপাধ্যক্ষ মহোদয় , ইয়াত এম এচ ডি পিৰ কথা আহিছে। মাইনোৰিটি ডেভল'পমেন্টৰ কথা আহিছে। মাইনোৰিটি ডেভল'পমেন্টৰ ক্ষেত্ৰত চৰ ডেভল'পমেন্ট যোৱা দুটা টাৰ্মছতো দেখিছো। চৰ অঞ্চলৰ য'ত অধিকাংশ মাইনোৰিটি মানুহে বসবাস কৰে সেই অঞ্চলবোৰ ইক'নোমিক ভাবে বা feasibility চাই কিধৰনে ডেভল'পমেন্ট কৰিব সেই সম্পৰ্কে এটা মাষ্টাৰ প্লেন চৰকাৰৰ ফালৰ পৰা হ'ব লাগে। এতিয়া চ'ৰ অঞ্চলত ইকো ৰিস্কা দিয়া হয় আৰু ইয়াত এনে কিছুমান কাম কৰা হয়

যিবিলাক ইনডিভিজুৱেল বেনেফিট স্কীমত তেওলোকক দিয়া হয় কিন্তু সেই অঞ্চলবোৰত বিশেষকৈ **৯৫ শতাংশ** ফাৰ্মাৰ সকলে বসবাস কৰে । তেওলোকে কৃষি নিৰ্ভশীল হয়। কৃষি সামগ্ৰীবোৰ বিক্ৰিৰ ক্ষেত্ৰত উচিত মূল্যৰ পৰা সদায় বঞ্চিত হৈ আছে কেৱল ট্ৰেন্সপোৰ্টেচনৰ অসুবিধাৰ কাৰণে। তাত ইনফ্ৰাচট্ৰাকচাৰ ডেভল'পমেন্টৰ কাৰণে যদিও এম এচ ডি পিৰ গাইড লাইনত ইনফ্ৰাচট্ৰাকচাৰ ডেভল'পমেন্টৰ কথা আছে যিমানখিনি মই অধ্যয়ণ কৰিছো দেখিছো নাই। চৰকাৰৰ ফালৰ পৰা এটা উদ্যোগ স্থাপনৰ বাবে পদক্ষেপ ল'ব লাগে। চৰ এৰিয়া আৰু মাইনোৰিটি এৰিয়াত যদি ডেফল'মেন্ট কৰিব লগীয়া হয় তেন্তে কমিউনিকেচন তথা ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভল'পমেন্ট কৰিব লাগিব। ইনডিভিজুৱে বেনিফিচিয়াৰীক এখন ই- ৰিস্কা দিলে বা পাৱাৰ টিলাৰ দিলেও নহ'ব কাৰণ **১২-১৪** বছৰ পিচত হ'লেও তেওঁ আগৰ পজিচনতে ঘুৰি আহিব। চতুৰ্থতে এম এচ ডি পিৰ আণ্ডাৰত অসমৰ মাইনোৰিটি এৰিয়াত কিছুমান আই টি আই বনোৱা হৈছে । পি এ চি কমিটিত যাওতে গোলাঘাটত দেখিচো কনট্ৰাকচনত বহু কোটি টকা খৰচ কৰা হৈছে কিন্তু ইনফ্ৰাচট্ৰকচাৰবোৰ তাত পৰি আছে কোনো কামত লগা নাই। এদিনো তাত শিক্ষাদান হোৱা নাই। এনে পৰি আছে হয়তো কেইদিনমান পাচতে মেইনটেন্সেত টকা খৰচ কৰিব লাগিব। মোৰ সমষ্টিটোতো ছোটো বিলাইৰ পাৰা বুলি ঠাইত এম ডি পি ৰ অধীনত আই টি আই হৈছে কিন্তু আজি ডেৰ বছৰ হৈ যেৱাৰ পাচত কমপ্লিটচনৰ চাৰ্টিফিকেট চৰকাৰে দিছে আৰু হেণ্ড অভাৰো কৰিলে কিন্তু আজিলৈকে এইখন আৰম্ভ হোৱা নাই। অকল এইখনেই নহয় আমাৰ উঠি অহা যুৱক যুৱতীৰ স্বনিয়োজনৰ বাবে স্কীলড্ ডেভল'পমেণ্টৰ কাৰণে এইবিলাকে যথেষ্ট অৰিহনা যোগাব পাৰে । এম এচ ডি পি ফাণ্ডৰ পৰা মডেল স্কুল বনোৱাৰ কথা উল্লেখ কৰিছে। ভাল হৈছে, নাৰীৰ উন্নয়ণৰ কাৰনে কৰিছে ভেৰী গুড। লগতে যিখিনি অলৰেডী হ'ল সেইখিনি যাতে আমি কাৰ্য্যক্ষম কৰিব পাৰো। ইমিডিয়েটলী মেজাৰ লোৱাৰ বাবে অনুৰোধ জনাই আৰু ধন্যবাদ সূচক প্ৰস্তাৱ যিটো অনা হৈছে তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰিছো। জয় হিন্দ.....।

**শ্ৰী মহেশ্বৰ বড়ো, কলাই গাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ সন্মানীয় বিধায়ক দেৱানন্দ হাজৰিকাই যি ধন্যবাদ সুচক প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱত আমি বি পি এফ দলৰ তৰফৰ পৰা পূৰ্ণ সমৰ্থন জনাইছো। সমৰ্থন জনাই দুষাৰমান বক্তব্য দাঙি ধৰিবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ বৰ্তমান মিত্ৰজোট চৰকাৰৰ যিবিলাক অসমৰ ভৱিষ্যৎক লৈ যি পদক্ষেপ লোৱা হৈছে, সেইটো অত্যন্ত প্ৰশংসনীয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমান আৰু ভৱিষ্যৎ অসমখন গঢ় দিবৰ কাৰণে যিখিনি প্ৰশংসনীয় পদক্ষেপ লৈছে আমি নিশ্চয় উল্লেখ কৰিব লাগিব। আমি দৃষ্টিগোচৰ কৰিবৰ কাৰণে সক্ষম হৈছো নমামি ব্ৰহ্মপুত্ৰ, নমামি বৰাক অনুষ্ঠিত কৰি মহামান্য ৰাষ্ট্ৰপতি দুগৰাকীয়েও প্ৰাক্তণ আৰু বৰ্তমানৰ এই অনুষ্ঠানৰ লগত জড়িত হৈছিল। স্বনামধন্য ধৰ্মগুৰু দালাই লামাও যোগাদান কৰিছিল। য'ত মানে আমাৰ National level ৰ বাহিৰেও International level তো দৃষ্টিগোচৰ হৈছে এই অনুষ্ঠান। আৰু আজিৰ তাৰিখত সম্ভাৱনীয়াতো গঢ়ি তোলাত যথেষ্টখিনি অৰিহনা যোগাইছে। যাৰফলত আজি Advantage Assam ত বিনিয়োগকাৰীৰ সৰ্বমুঠ **২১** খন ৰাষ্ট্ৰৰ উদ্যোগপতিকে আদি কৰি প্ৰতিনিধিসকলৰ অংশগ্ৰহণেৰে সফলতাৰ এটা সুন্দৰ বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। এই বিলাক আমাৰ চৰকাৰৰ যথেষ্টখিনি প্ৰশংসনীয় পদক্ষেপ। যি পদক্ষেপৰ দ্বাৰা আমি ভৰিষ্যতে এখন উজ্জ্বল অসম দেখিবলৈ পাম। বৰ্তমান চৰকাৰে যথেষ্টখিনি প্ৰতিটো বিভাগতে ভাল পদক্ষেপৰে কাম কৰিবৰ কাৰণে সক্ষম হৈছে আৰু আমাৰ NRC ৰ যি upgradation ৰ কাম চলিছিল, তাৰ খচৰা প্ৰকাশ কৰাৰ আগ

মূহুৰ্তত গোটেই অসম বাসীৰ ৰাইজৰ মাজত এটা আতংকৰ সৃষ্টি হৈছিল। কিন্তু চৰকাৰৰ এটা খুব সুন্দৰ ব্যৱস্থাৰ মাধ্যমেদি এই আতংক, ভয় নাইকিয়া কৰি বৰঞ্চ এই NRC ৰ খচৰা প্ৰকাশ কৰাৰ মূহুৰ্তত অসম বাসী ৰাইজে স্বতঃফুৰ্তভাৱে সহায়সহযোগ কৰি এটা সুন্দৰ বাতাবৰণৰ সৃষ্টি কৰিলে। যাৰ ফলত আজি আমাৰ অসম ৰাজ্যখনত বিনোয়গকাৰীৰ পদাৰ্পণ যথেষ্টখিনি বাঢ়িছে। য'ত নেকি আতংকৰ পৰিৱেশ এটাৰ সৃষ্টি হব বুলি ধৰণা কৰা হৈছিল। এই পৰিবেশটো নিশ্চয় National level ত International level ৰ দৃষ্টি আৰ্কষিত হৈছিল। কিন্তু এই পৰিবেশ সৃষ্টি নোহোৱাকৈ সুন্দৰ এটা বাতাবৰণৰ মাধ্যমত NRC ৰ খচৰা প্ৰকাশ কৰা হ'ল। গতিকে এইবিলাক ভাল পদক্ষেপেৰে আজি আমি বিনোয়োগকাৰীক যথেষ্টখিনি আৰ্কষিত কৰিব পাৰিছো আৰু ভৱিষ্যত উজ্জ্বল দেখিবলৈ পাইছো। বৰ্তমান চৰকাৰ খনৰ যথেষ্ট প্ৰশংসনীয় পদক্ষেপ বুলি কব লাগিব।

আমি department wise যদি বিশ্লেষণ কৰি চাওঁ। আমি বিশেষকৈ ৰাষ্টা পদুলিৰ কথাতে PWD department তে যিখিনি পদক্ষেপৰ বৰ্তমান লৈ আছে। আমাৰ চৰকাৰে সকলোতে য'ত 'চবকা সাথ, চবকা বিকাশ' ৰ কথা উল্লেখ কৰা হৈছে। সেই হিচাপে PWD department তে প্ৰত্যেক সমষ্টিবিলাকতে যি জৰাজীৰ্ণ ৰাষ্টা চিঙি চুৰমাৰ হৈ আছে এই বিলাক মেৰামতি কৰিবৰ কাৰণে সমান ভাৱে টকা বিতৰণ কৰিছে। আজি গোটেই সমষ্টি বিলাকত এই ৰাষ্টাৰ (সকলো ফালৰ পৰা নিৰ্ভৰ কৰে এই ৰাষ্টাৰ ওপৰতে, উন্নয়ন হব লাগিলে) কাম কৰাৰ পিছত আমাৰ যথেষ্টখিনি আমাৰ ৰাষ্টা- পদুলি সুচল হৈছে। আমাৰ দেৱানন্দ হাজৰিকাই উল্লেখ কৰিছে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত প্ৰত্যেকটো বিধান সভা সমষ্টিতে আজিৰ তাৰিখত **২৫** টা **৩০** টা **২৭** টা এনেকুৱা ধৰণৰ ৰাষ্টা আছে। আৰু উল্লেখ কৰিব পাৰো বৰ্তমান ওদালগুৰি জিলাত আৰু যিবোৰ ৰাষ্টা সোমোৱাৰ কাৰণে থাকি গ'ল বিশ্ব বেংকৰ মানুহ গৈ বৰ্তমান survey কৰি আছে। আজি এমাহ ধৰি বৰ্তমান survey কৰি আছে। কোন কোন ৰাষ্টা বৰ্তমান থাকি গৈছে। দুদিন ধৰি মোৰ সমষ্টিত বৰ্তমান survey হৈ আছে, বাকী সমষ্টি বিলাক survey হ'ল। গতিকে নিশ্চয় যথেষ্টখিনি আশা আমি কৰিব পৰা অৱস্থাত আছে এই চৰকাৰৰ আমোলত।

আজি Education Department ত যি Provincialization Act. এইখন পৱিত্ৰ বিধান সভাত পাছ কৰি বহুতো Venture School বিলাকক Provincialize কৰা হ'ল। য'ত আজি যথেষ্টখিনি যি শিক্ষকে এই অনুষ্ঠানৰ লগত জৰিত হৈ আছিল তেখেত সকলৰ চাকৰি Provicialize হ'ল। আৰু আজিৰ তাৰিখত দৰমহা পাতি পায় সুন্দৰভাৱে নিজৰ সংসাৰ চলাবৰ কাৰণে সক্ষম হৈ আছে। এই বিলাক হ'ল আমাৰ বৰ্তমান চৰকাৰৰ উল্লেখযোগ্য দিশ। তাকে আজি মহামান্য ৰাজ্যপালে নিজৰ ভাষণত যথেষ্টখিনি প্ৰতিফলিত কৰাই এটা ভাল ভাষণ প্ৰদান কৰিছে। আমি আশা ৰাখিছো কিছু কৰণীয়া আৰু বাকী আছে নিশ্চয় ভৱিষ্যৎ দিন বিলাকত এই চৰকাৰৰ জৰিয়তেদি আমি কৰিব পাৰিম। আমাৰ জিলাতে Engineering College এখন হৈছিল। সেইখনো নিশ্চয় পূৰ্ণাগ ৰূপ পাব লাগিব। Polytechnic Institute এটা হৈছিল, সেইটো পূৰ্ণাগ ৰূপ পাব লাগিব। আমি আশাবাদী নিশ্চয় এখন চৰকাৰৰ আমোলতে হ'ব।

**কাৰ্য্যসূচী নং ৫ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত বিতৰ্ক।**

**মাননীয় উপাধ্যক্ষ শ্ৰীদিলীপ কুমাৰ পাল সদন পৰিচালনা কৰে** ---

**শ্ৰীমহেশ্বৰ বড়ো, কলাইগাঁও ঃ....** ক্ৰমশ... আমাৰ কৃষি বিভাগৰ জৰিয়তে কৃষকৰ উপযোগী

যিবোৰ বীজ বিতৰণ কৰা হৈছে, সেই বীজ সমূহ বিভাগে সুচাৰুৰূপে বিতৰণ কৰিবলৈ সক্ষম হৈছে। কৃষি বিভাগে আৰ আই ডি ডব্লিউৰ আঁচনিৰ জৰিয়তে চেল' টিউবেল, ডিপটিউবেল বহোৱাৰ ব্যৱস্থা কৰিছিল সেই ব্যৱস্থাও বৰ্তমান সুন্দৰ ভাবে চলি আছে। আমাৰ চৰকাৰে কৃষক সকলক পাৱাৰটিলাৰ দিয়া আঁচনি লৈছিল, বৰ্তমানো যথেষ্ট পাৱাৰ টিলাৰ বিভাগৰ হাতত আছে। চৰকাৰে কৃষি বিভাগৰ জৰিয়তে প্ৰতিখন গাঁৱৰ কৃষক বন্ধুসকলক ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে এইটো প্ৰসংশনীয়। এই আঁচনিৰ জৰিয়তে কৃষক সকল যথেষ্টখিনি উপকৃত হ'ব। আজি যদি আপোনালোকে মন কৰে, উল্লেখ কৰিব লাগিব যে স্বাস্থ্যখণ্ডত যথেষ্ট উন্নত হৈছে। আজি কেন্সাৰ হস্পিতালৰ বাবে টাটাৰ নিচিনা কোম্পানী অসমলৈ আহিছে। কেন্সাৰ হস্পিতাল আমাৰ বাবে অত্যন্ত জৰুৰী হৈছে, বিশেষকৈ দৰং ওদালগুৰিত কেন্সাৰ বেমাৰীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। যাৰফল কেন্সাৰ হস্পিতাল প্ৰয়োজনীয়তা অসমত বাঢ়িছে, তাক পূৰাবৰ কাৰণে আমাৰ মাজত বিনিয়োগকাৰী আহিছে, এইটো আমাৰ চৰকাৰৰ প্ৰসংশনীয় পদক্ষেপ। যিবোৰ মডেল হস্পিটাল বনোৱা হৈছিল সেই গোটেইবোৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে, post creation ইতিমধ্যে হ'ল, মাত্ৰ নিয়োগ প্ৰক্ৰিয়া বাকী আছে নিশ্চয় এইখিনি কাম হোৱাৰ পিছত মডেল হস্পিটাল সমূহৰ কাম আৰম্ভ হ'ব। মই তাত সংযোজন কৰিব বিচাৰিছো যে মডেল হস্পিতালৰ লগতে কেইখনমান মিনি পি.এইছ.ই বনোৱা হৈছিল। সেইসমূহৰ post creation ৰ কাম এতিয়া সম্পূৰ্ণ হোৱা নাই। নিশ্চয় এই চৰকাৰৰ কাৰ্য্যকালতে এই কামসমূহ সম্পূৰ্ণ কৰা হ'ব, মই আশাবাদী। কাৰণ ৰাইজক স্বাস্থ্যখণ্ডত যথেষ্টখিনি আমি সহায় কৰিবৰ কাৰণে সক্ষম হ'ম। এ.আই.ডি.পি আঁচনিৰ যোগেদি যথেষ্টখিনি কাম কৰা হৈছিল। কিছু কাম সম্পূৰ্ণ হ'ল, কিছু প্ৰজেক্টৰ কাম বাকী ৰৈ গ'ল, এতিয়া আমি গম পাইছো এ.আই.ডি.পি আঁচনিত পইচা অহা নাই। যিহেতু বৰ্তমান প্ৰধানমন্ত্ৰী কৃষি সঞ্চয় যোজনা আঁচনি চলি আছে তাৰ দ্বাৰা আমাৰ সম্পূৰ্ণ নোহোৱাকৈ ৰৈ যোৱা পানীযোগান আঁচনিসমূহ ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰি ৰাইজক জলসিঞ্চনৰ ব্যৱস্থা কৰি দিব পাৰে তাৰ বাবে আমি অনুৰোধ জনালো। মীন বিভাগতো আমাৰ চৰকাৰে উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰে ব্যক্তিগত পুখুৰী, ৰাজহুৱা পুখুৰীৰ কাৰণে পুখুৰী খন্দাৰ যি আঁচনি গ্ৰহণ কৰিছে তাৰ জৰিয়তে মীন পালক সকল যথেষ্ট উপকৃত হ'ব বুলি আমি আশাবাদী। মহামান্য ৰাজ্যপালে ভাষণৰ যোগেদি আমাৰ চৰকাৰ যি ভাল পদক্ষেপ সমূহৰ কথা কৈছে সেইসমূহ সমৰ্থন কৰো আৰু আমাৰ মাননীয় বিধায়ক দেবানন্দ হাজৰিকাদেৱে মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন জনাই বিৰোধী সকলক আহ্বান জনাইছোঁ যে কেৱল বিৰোধী হোৱাৰ কাৰণে যে বিৰোধীতা কৰিব লাগে তেনে নহয়, আমাৰ চৰকাৰৰ ভাল পদক্ষেপসমূহক সমৰ্থনো জনাব লাগে। আমাৰ অজন্তা নেওগ বাইদেউয়ে চৰকাৰৰ কিছু কথাত সমৰ্থন জনাইছে তাৰ বাবে মই বাইদেউক বিশেষ ভাবে ধন্যবাদ জনাইছোঁ। অসমবাসী ৰাইজে অসমখনৰ যে এটা ভাল দিন আহিছে আজি আমি ৰাজ্যপালৰ ভাষণত সেইটো দেখিবলৈ পাইছো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য** (পুৱ গুৱাহাটী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ে এই বিধান স ভা অধিবেশনৰ আৰম্ভণীতে যি বক্তব্য বিধান সভাত উপস্থাপন কৰিলে, সেই বক্তব্যক সমৰ্থন কৰি আমাৰ সতীৰ্থ বিধায়ক শ্ৰীদেবানন্দ হাজৰিকাই উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থনত কিছু বক্তব্য ৰাখিবৰ বাবে মই প্ৰয়াস কৰিছোঁ। লগতে বিৰোধী পক্ষই যি বিষয়বোৰৰ ওপৰত ৰাজ্যপাল মহোদয়ৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধন বিচাৰিছে সেই সংশোধনৰ বিষয়বোৰক বিৰোধীতা

কৰি কিছু বক্তব্য ৰাখিব ওলাইছোঁ। উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয় হৈছে এই চৰকাৰখনৰ সাংবিধানিক মুৰব্বী আৰু চৰকাৰৰ সাংবিধানিক মুৰব্বী হিচাপে বিগত সময়চোৱাত চৰকাৰখনৰ কৰ্মৰাজিৰ খতিয়ান তেখেতৰ বক্তব্যৰ মাজেৰে দাঙি ধৰিছে । তেখেতৰ বক্তব্যত হয়টো চৰকাৰখনে কৰা সকলো কাম, সময়সীমাৰ বাধ্যতাৰ বাবে প্ৰকাশ কৰিব পৰা হোৱা নাই। কিন্তু এই চৰকাৰখনে ৰাইজৰ সামগ্ৰিক উন্নতিৰ বাবে কৰা কৰ্মৰাজিৰ এটা আভাস ৰাজ্যপাল মহোদয়ৰ বক্তব্যৰ মাধ্যমেৰে প্ৰকাশ পাইছে, সেইবাবে মই তেখেতৰ বক্তব্যক সমৰ্থন জনাইছো আৰু শ্ৰীদেবানন্দ হাজৰিকা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ মই সমৰ্থন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, সকলো ৰাজনৈতিক দলে দেশৰ উন্নতিৰ বাবে চিন্তা কৰে আৰু ৰাইজে কোনোবা এটাক সংখ্যাগৰিষ্ঠতা দি চৰকাৰ এখন গঠন কৰাৰ সুযোগ দিয়ে। সেইবাবে চৰকাৰ গঠন কৰা দলৰ যি চিন্তাধাৰা, সেইচিন্তাধাৰাক তেখেতসকলৰ কৰ্মধাৰাৰে ৰূপায়িত কৰিব পাৰে। এই চৰকাৰখনত ভাৰতীয় জনতা পাৰ্টীকে আদি কৰি চৰকাৰৰ যি যি সহযোগী দল আছে সেই দল সমূহৰ চিন্তাধাৰাৰে, চৰকাৰৰ কৰ্মৰ মাজেৰে কাম-কাজ কৰিবলৈ প্ৰয়াস কৰিছে আৰু সেই চিন্তাধাৰাৰ প্ৰতিফলন মহামান্য ৰাজ্যপাল মহোদয়ৰ বক্তব্যত দেখিবলৈ পাইছোঁ। সামগ্ৰিক ভাবে ৰাজ্যখনক যদি উন্নয়নৰ পথত আগবঢ়াই লৈ যাব লগীয়া হয়, তেতিয়া হ'লে ৰাজ্যপাল মহোদয়ৰ বক্তব্যত উল্লেখ কৰা ধৰণে আমাৰ চৰকাৰৰ বিভিন্ন বিভাগৰ ওপৰত আমি গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। ৰাজ্যপাল মহোদয়ে বিগত দিন আমাৰ চৰকাৰখনে কৰা বিভিন্ন ধৰণৰ উন্নয়নমূলক কামৰ এক চমু আভাষ ভাষণৰ মাধ্যমেৰে দাঙি ধৰিছে। প্ৰতিটো ৰাজনৈতিক দলৰ নিজা নিজা অৰ্থনৈতিক দৰ্শন থাকে। কংগ্ৰেছ দল যেতিয়া শাসনত আছিল তেখেতসকলেও দেশৰ উন্নয়নৰ বাবে কিছু চিন্তা কৰিছিল আৰু তেখেতসকলেও নিজৰ  দৰ্শন মতে দেশৰ অৰ্থনৈতিক দিশত কাম কৰিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিগত সময় ছোৱাত  ৰূপায়িত কৰিবলৈ প্ৰয়াস কৰিছো। নিঃসন্দেহে বিৰোধী পক্ষ বিশেষকৈ  কংগ্ৰেছ দলে এইটোকে বিচাৰিব যে আমিও তেখেত সকলৰ চিন্তা ধাৰাৰে আগবাঢ়ি যাম, কিন্তু সম্ভৱ নহয় আৰু হোৱা উচিতে নহয়। উল্লেখ যোগ্য ভাৱে আজি যি বিনিয়োগৰ বাবে প্ৰয়াস কৰা হৈছে, সেই প্ৰয়াসক তাচ্ছিল্য কৰা হৈছে, তুচ্ছ কৰা হৈছে। কিন্তু এটা কথা, যি ভাৱে আমি অৰ্থনৈতিক বিনিয়োগৰ বাবে প্ৰয়াস কৰিছিলো বিভিন্ন ক্ষেত্ৰত পৰা, ঠিক তেনেধৰণে বিগত চৰকাৰৰ সময়টো তেখেত সকলেও কিন্তু বিনিয়োগকাৰী বিচাৰি  বিভিন্ন ৰাষ্ট্ৰলৈ গৈছিল, বিভিন্ন অঞ্চললৈ গৈছিল। কোন কিমান সফল হৈছে, সেইটো ৰাইজে বিচাৰ কৰিব। কিন্তু এটা কব লাগিব যে বৰ্তমানে এই চৰকাৰখনে Advantage Assam ৰ মাধ্যমৰে যি Global Investor meet পতা হ'ল, সেই প্ৰয়াস আৰু বিগত সময়ত হোৱা প্ৰয়াসৰ মাজত আকাশ-পাতাল  প্ৰভেদ আছে। এইবাৰ যিটো প্ৰয়াস কৰা হৈছে,  এই প্ৰয়াসৰ তাৎক্ষণিক ফলাফলে আমি দেখা পাইছো। আৰু তাৰ ফলাফল আমি সকলোয়ে কৃতজ্ঞতাৰে সৈতে গ্ৰহণ কৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তৃতাত আমাৰ চৰকাৰখনে সামগ্ৰিক উন্নয়ণৰ বাবে যি প্ৰয়াস কৰিছে, সেই প্ৰয়াসৰ চমু  খতিয়ান দিছে। আমাৰ অসমখন আজিও কৃষি প্ৰধান ৰাজ্য আৰু তেখেতৰ বক্তব্যত ৰাজ্যৰ কৃষি ক্ষেত্ৰত কি ভাৱে উন্নয়ণ কৰিবৰ বাবে চৰকাৰখনে প্ৰয়াস কৰিছে, তাৰ এটা সুন্দৰ আভাস আমি দেখা পাওঁ আৰু সেই বাবে তেখেতৰ বক্তব্যত এটা কথা প্ৰকাশ পোৱা বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ আৰু তাৰ বাবে আমি তেখেতক ধন্যবাদ দিব বিচাৰিছোঁ। ৰাজ্যখনৰ আন্তঃগাঠনিৰ বাবে বিশেষকৈ গড়কাপ্তানী বিভাগ আৰু অন্যান্য বিভাগৰ যিবোৰ কাম-কাজ আজি বিৰোধী পক্ষই নিঃসন্দেহে  কথাটো স্বীকাৰ কৰিব, বিগত সময়ৰ যিবোৰ

চৰকাৰ, সেই চৰকাৰৰ সময়ত একো -একোজন বিধায়কক ৰাষ্টা পদূলি উন্নয়ণৰ বাবে যি পুঁজি প্ৰদান কৰা হৈছিল আৰু এইবাৰ যি পুঁজি প্ৰদান কৰা হৈছে তাৰ মাজত কিন্তু আকাশ-পাতাল পাৰ্থক্য আছে। এইবাৰ প্ৰত্যকজন বিধায়কে কিন্তু Discrimination নোহোৱাকৈ সকলোয়ে সমান ভিত্তিত নিজৰ সমষ্টিৰ উন্নয়ণৰ বাবে সুযোগ পাইছে। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য সকলে-সতীৰ্থ সকলে নিঃসন্দেহে এই কথাটো স্বীকাৰ কৰিব যে এইবাৰ এই চৰকাৰে আমাক "সুহৃদ" আঁচনিৰ মাধ্যমৰে তাৎক্ষণিক ভাবে শিক্ষাৰ ক্ষেত্ৰতে হওঁক বা স্বাস্থ্যৰ ক্ষেত্ৰতেই হওঁক, আমাৰ সমষ্টিৰ যি সকল সমষ্টি বাসী, তেখেত সকলৰ যি অসুবিধা, যি অভাৱ-অভিযোগ সেইবোৰ তাৎক্ষণিক ভাৱে যাতে চোৱা চিতা কৰিব পাৰো তেখেত সকলক কিছু সকাহ দিব পাৰো তাৰ বাবে যি পুঁজি আমাক প্ৰদান কৰা হৈছে. এই পুজিৰ প্ৰদান এই চৰকাৰখনৰ এটা উল্লেখনীয় পদক্ষেপ আৰু এই উল্লেখনীয় পদক্ষেপক আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত প্ৰকাশ কৰা বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ। মাননীয় উপাধ্যক্ষ মহোদয়, বিগত সময়ছোৱাত মই নিজে যেতিয়া ইউনিভাৰচিটিট অৰ্থনীতিৰ ছাত্ৰ আছিলোঁ, তেতিয়া সদায় এটা কথা শুনিছিলোঁ যে অসমৰ ভৌগোলিক অৱস্থিতিৰ বাবে ইয়াত উদ্যোগ গঢ় দিবলৈ সম্ভৱ নহয় আৰু সেই বাবে ঔদ্যোগীক ক্ষেত্ৰখনত অসম পিছপৰি আছে। কিন্তু এই চৰকাৰখনে বিশেষকৈ নৰেন্দ্ৰমোডী ডাঙৰীয়াই কিন্তু সম্পূৰ্ণ ভাৱে এটা বিকল্পিত চিন্তা আনি এই কথাখিনি ওলোটাই দিছে। এটা সময়ত যি ভৌগোলিক অৱস্থিতিৰ বাবে অসমত উন্নয়ন কৰিব পৰা নাছিলো বুলি কোৱা হৈছিল,ঔদ্যোগীক উন্নয়ন কৰা সম্ভৱ নাছিল বুলি কৈছিল, আজি কিন্তু Look East Policy ৰ আৰু পৰৱৰ্তী সময়ত Act East Policy ৰ মাধ্যমৰে যিবোৰ South Asian Countries আছে, যিবোৰ South Asian ৰাষ্ট্ৰ আছে, সেই ৰাষ্ট্ৰবোৰত যি এক অৰ্থনৈতিক জাগৰণ হৈছে, সেই অৰ্থনৈতিক জাগৰণৰ এক যোগসূত্ৰ হিচাপে অসমৰ ভৌগোলিক অৱস্থিতি স্বীকাৰ কৰি আমাৰ চৰকাৰে অলপতে যি প্ৰয়াস কৰিলে সেই প্ৰয়াসৰ প্ৰকাশ ৰাজ্যপাল মহোদয়ৰ, বক্তব্যত প্ৰকাশ পোৱাৰ বাবে মই তেখেতক ধন্যবাদ দিব বিচাৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, এখন সমাজক যদি আগবঢ়াই নিব লগা হয়, তেতিয়া হলে মৌলিক কিছু ক্ষেত্ৰ আছে, যিবোৰ ক্ষেত্ৰত উন্নয়নৰ প্ৰয়োজন আছে। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত প্ৰকাশ পোৱাৰ দৰে শিক্ষাৰ ক্ষেত্ৰত, স্বাস্থ্যৰ ক্ষেত্ৰত এই চৰকাৰখনে কি কৰিছে, সেইটো আপোনালোক সকলোয়ে দেখিছে আৰু এই যি প্ৰয়াস, এই প্ৰয়াসে এই ক্ষেত্ৰত অসমক কিমান আগবঢ়াই লৈ গৈছে, সেই কথা সমগ্ৰ ভাৰতবৰ্ষত মানুহে আজি স্বীকাৰ কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত এই চৰকাৰখনে বিভিন্ন শিক্ষাৰ ক্ষেত্ৰত যি প্ৰয়াস কৰিছে, এই প্ৰয়াসবোৰৰ কথা কোৱা হৈছে। আমি সকলোৱে দেখিছো যে অলপতে গুণোৎসৱৰ মাধ্যমৰে চৰকাৰখনে চৰকাৰী ক্ষেত্ৰৰ যিবোৰ বিদ্যালয় আছে, এই বিদ্যালয়বোৰক এটা Assesment কৰাৰ বাবে, বৰ্তমান এই বিদ্যালয় সমূহ কি অৱস্থাত আছে, কি ধৰণে এই বিদ্যালয় সমূহে কাম-কাজ কৰিছে, তেখেত সকলে কি ধৰণৰ শিক্ষা শিক্ষাৰ্থী সকলক দিছে, এই সামগ্ৰিক দিশটো চাবৰ বাবে গোটেই চৰকাৰখনৰ লগতে আমি সকলো বিধায়কক এই ক্ষেত্ৰত জড়িত কৰি এই গুণোৎসৱৰ প্ৰয়াস কৰিছোঁ। অলপ আগতে আমাৰ জ্যেষ্ঠ সতীৰ্থ শ্ৰী বৃন্দাৱন গোস্বামী ডাঙৰীয়াই তেখেতৰ বক্তব্যত কৈছে, যে বিধায়ক হিচাপে আজি আমি সকলোয়ে আমাৰ অঞ্চলৰ বিভিন্ন বিদ্যালয় বোৰত গৈ তাত তেখেত সকলৰ যি শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াৰ অংশীদাৰ হৈ আমি সেই প্ৰক্ৰিয়াৰ মূল্যায়ণ কৰিবৰ বাবে সুযোগ পাইছোঁ। মই নিজে যেতিয়া গুণোৎসৱৰ বাবে এখন বিদ্যালয়লৈ গৈছিলো তেতিয়াই এটা অনুভৱ কৰিছিলোঁ যে এনেকুৱা ধৰণৰ এটা প্ৰয়াসৰ প্ৰয়োজনীয়তা আছে।

কিয়নো বিধায়ক হিচাপে বিধান সভাৰ মজিয়াতেই হওঁক বা ৰাজহুৱা মঞ্চতেই হওঁক বহুতো সময়ত আমাৰ যিবোৰ চৰকাৰী বিদ্যালয় আছে। সেইবোৰৰ সমলোচনা কৰো। সেই বিদ্যালয় সমূহত যি শিক্ষা প্ৰদান কৰা হৈছে সেই শিক্ষা সম্পৰ্কে কিছু হয়তো মন্তব্য আমি প্ৰকাশ কৰোঁ। কিন্তু এই স্কুল বোৰে কি দৰে আমাৰ সমাজৰ যি খিনি মানুহে এটা Vernecular medium মিডিয়ামত পঢ়া শুনা কৰিছে তেখেত সকলক বিগত সময়চোৱাত এই স্কুল বোৰত কিমান অপেক্ষা কৰা হৈছে সেই বোৰৰ এটা First-hand imprission লববলৈ সক্ষম হৈছোঁ। মই ভাৰো যে যেতিয়া জন প্ৰতিনিধি, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক সকলৰ এটা সমন্নয় হ'ব যিটো সমন্নয় এই গুণোৎসৱৰ মাধ্যমেৰে কৰিববলৈ প্ৰচেষ্টা কৰা হ'ল তেনেকুৱা ধৰণৰ প্ৰয়াসে আমাৰ শিক্ষাৰ জগত খনক বিশেষকৈ এই Vernecular স্কুল বিলাকক আৰু মাতৃভাষাৰ স্কুল বিলাকক এটা মানদণ্ড নিৰ্ধাৰণ কৰিববলৈ। মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰ খনে বিশেষকৈ, প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অসমৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে কেনেদৰে প্ৰয়াস কৰিছে তাৰ কথা আমি সকলোৱে অনুভৱ কৰিছোঁ আৰু দেখিছোঁ। যেতিয়া অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া প্ৰধান মন্ত্ৰী হৈছিল, ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত, এখন চৰকাৰ কেন্দ্ৰত গঠিত হৈছিল, পোন প্ৰথম বাৰৰ বাবে অসমৰ উন্নয়ণৰ বাবে সেই সময়ত এটা বিভাগ সৃষ্টি কৰা হৈছিল আৰু আজিও সেই বিভাগৰ মাধ্যেমেৰে অসমৰ লগতে অন্যান্য ৰাজ্য সমূহত কেন্দ্ৰৰ চৰকাৰে বিশেষভাৱে সকলো কেন্দ্ৰীয় বিভাগৰ ১০ শতাংশ পুঁজি ইয়াত বাধ্যত্যমূলকভাৱে খৰচ কৰিববলৈ ব্যৱস্থা কৰি আৰু এই ব্যৱস্থাটো অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ নেতৃত্বত বিজেপি মিত্ৰ চৰকাৰ খনে কৰিছিল। সেই যিটো ধাৰাবাহিকতা, সেই যি প্ৰয়াস, সেই প্ৰয়াসৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অসমৰ বাবে কি কি পদক্ষেপ লৈছে, সেই পদক্ষেপ আপোনালোকে সকলোৱে দেখিছে। গতিকে আজি যি সংশোধনী ইয়াত কৰিব বিচৰা হৈছে যে ' আমাৰ ৰাজ্য খনৰ প্ৰতি মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ কোনো সদ ইচ্ছা নাই' এই যিটো সংশোধনী বিচৰা হৈছে, এইটোৰ মই তীব্ৰ বিৰোধীতা কৰিছোঁ। মই ভাৰোঁ যে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি তেখেত সকলৰ সদ্ ইচ্ছা নহয় তেখেত সকলৰ অসমৰ প্ৰতি যি চিন্তাধাৰা, যি কাম কাজ সেই গোটেইখিনিৰ মাধ্যেমেৰে আমাৰ অসমৰ কাৰণে তেখেত সকলে যথেষ্ট কৰিছে আৰু এই ধন্যবাদ সূচক যি প্ৰস্তাৱ আহিছে সেই প্ৰস্তাৱৰ প্ৰতি তেখেতৰ দৃষ্টিভঙ্গীক সমৰ্থন জনাই তেখেতক ধন্যবাদ দিববলৈ বিচৰা হৈছে, সদিচ্ছা আছে সেই সদিচ্ছা প্ৰকাশ পাইছে আমাৰ ৰাজ্যপালৰ ভাষণত। সেই কথাৰ বাবে আমাৰ পূৰ্ণ সমৰ্থন আছে। মাননীয় উপাধ্যক্ষ মহোদয়, এটা প্ৰস্তাৱ অনা হৈছে যে সকলো শ্ৰেণীৰ লোকৰ ন্যায্য স্বাৰ্থ ৰক্ষাৰ প্ৰতি সংশোধনী বিচৰা হৈছে। মই অনুভৱ কৰোঁ এইটো এটা সমলোচনাৰ কাৰণে কৰা এটা সমলোচনা। কিয়নো এই চৰকাৰ খন মূল মন্ত্ৰই হৈছে 'সব কা চাথ সব কা বিকাশ'। মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ নেতৃত্বত এই চৰকাৰ খনে পূৰ্ণ ৰূপত ৰূপায়িত কৰিবৰ বাবে বিভিন্ন পদক্ষেপ লৈছে আৰু যিবোৰ পদক্ষেপৰ কথা মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ বক্তব্যত ৰাখিছে। এই চৰকাৰ খনে সমাজত প্ৰত্যেকটো দিশত, প্ৰত্যেকটো শ্ৰেণীৰ, প্ৰত্যেকটো জাতি, প্ৰত্যেকটো ভাষিক গোষ্ঠীৰ উন্নয়ণৰ বাবে চিন্তা কৰিছে। বিধান সভাৰ বিভিন্ন প্ৰশ্নৰ সময়ত আৰু শূন্যকালীন ঘন্টাত যি বক্তব্য ৰখা হৈছে, সেই বক্তব্যটোত মই অতি দুখৰ সৈতে অনুভৱ কৰিছো যে এনেকুৱা ধৰণৰ চিন্তা থাকিলে এনেকুৱা ধৰণৰ চিন্তাধাৰাই কিন্তু আমাৰ অসমৰ উন্নয়ণ কেতিয়াও নকৰে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় এটা কথাকে কৈছে আপোনালোকে সকলোৱে হয়তো সেই কথাটো মন কৰিছে যে, বৰাক ব্ৰহ্মপুত্ৰ ভৈয়াম উপত্যকা সকলো সমন্নয়ৰ মাজেৰে আমি আমাৰ অসম গঢ় দিব লাগিব,

বৰ অসম খন গঢ় দিব লাগিব। এই যিটো চিন্তাধাৰা, এই চিন্তাধাৰাকে এই চৰকাৰ খনে ৰূপায়িত কৰিছে আৰু এই চৰকাৰ খনৰ যি এই প্ৰয়াস সেই প্ৰয়াস ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ বক্তব্যৰ মাধ্যেমেৰে প্ৰকাশ কৰিছে। গতিকে যিটো কোৱা হৈছে যে সকলো শ্ৰেণীৰ লোকৰ ন্যায্য স্বাৰ্থ সুৰক্ষিত ৰক্ষাৰ প্ৰতি দায়বদ্ধ নহয়, এই সংশোধনীটো মই অনুৰোধ কৰিম যে এই সংশোধনীটো যাতে তেখেত সকলে উঠাই লয় কিয়নো এই ধৰণৰ চিন্তাধাৰাই কাম কৰাৰ পিছত যদি প্ৰশংসা বা স্বীকৃতি নাপায়, সেইটোয়ে কিন্তু সকলোকে হতাশ কৰে। আমি সকলোৱে ব্যক্তি বিশেষে, সামূহিক ভাৱে চৰকাৰ খন গঠন কৰোঁ। সেইবাবে এই চৰকাৰ খনৰ প্ৰয়াসক আমি সকলোৱে কৰা প্ৰয়াসৰ এটা অংশ আৰু সেই হিচাপে মই যিটো তেখেত সকলে সংশোধনী আনিছে এই সংশোধনীটোৰ বিৰোধীতা কৰিছোঁ। ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত প্ৰকাশ কৰিছে, যে শ্ৰমিক সকলৰ উন্নয়ন এই চৰকাৰ খনৰ এটা মুল মন্ত্ৰ। তেখেতৰ বক্তব্যত এটা শিতানত তেখেতে শ্ৰমিক সকলৰ বাবে চৰকাৰ খনে কি কি কৰিছে তাৰ এটা খতিয়ান দাঙি ধৰিছে। আমি বিধায়ক হোৱাৰ দিনৰ পৰা, এই চৰকাৰ খন গঠন হোৱাৰ দিনৰ পৰা এটাই কথা মন কৰিছোঁ যে এই চৰকাৰ খনে শ্ৰমিক, কৃষক, যুৱক আৰু সমাজৰ সকলো শ্ৰেণীক সমান ভাৱে আগবঢ়াই নিবলৈ প্ৰচেষ্টা কৰিছে। আপোনালোকে জানে যে ভাৰতীয় জনতা পাৰ্টীৰ যি মূল চিন্তাধাৰা, যিটো চিন্তাধাৰাৰে এই চৰকাৰখন আগবাঢ়ি গৈছে সেইটোৱে হৈছে 'অন্ত্যোদয়া'ৰ চিন্তাধাৰা । সমাজৰ শোষণ শাৰীত থকা ব্যক্তিজনৰ উন্নয়ন এই চৰকাৰ খনৰ আটাইতকৈ ডাঙৰ মূল মন্ত্ৰ, আটাইতকৈ ডাঙৰ প্ৰয়াস। এই চৰকাৰ খনে যিখিনি কামকাজ কৰিছে এই গোটেইখিনি কামকাজৰ কিছু আভাস ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ বক্তব্যৰ মাধ্যমেৰে ৰাখিছে। তাৰ বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ আৰু সেইবাবে তেখেতক আমি ধন্যবাদ দিব বিচাৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰ খনৰ যি প্ৰয়াস, যি প্ৰচেষ্টা আমি সকলোৱে চৰকাৰী পক্ষই হওঁক বা বিৰোধী পক্ষই হওঁক, সকলোৱে ইতিবাচক দৃষ্টিভঙ্গীৰে চাব লাগে। ইতিবাচক দৃষ্টিভঙ্গীৰে সমৰ্থন কৰিব লাগে। বিৰোধী পক্ষৰ যি দৃষ্টিভঙ্গী নিঃ সন্দেহে তেখেত সকল বিৰোধী পক্ষত আছে। তেখেত সকলে এই চৰকাৰৰ অৰ্থনৈতিক ৰাজনৈতিক বা অন্যান্য যিবোৰ চিন্তাধাৰা এই চিন্তাধাৰা বোৰক সমৰ্থন নকৰে, তেখেত সকলৰ নিজৰ চিন্তাধাৰাৰে পৰিচালিত হয়, সেইটো স্বাভাবিক কথা। সেইটো হ'বই। কিন্তু, মই তেখেত সকলৰ ওচৰত অনুৰোধ কৰিম যে ভাল কাম সদায় ভাল কাম হয়। ভাল কাম মই কৰিলে ভাল কাম হব, অন্যই কৰিলে যে ভাল কাম নহব তেনেকুৱা ধৰণৰ চিন্তাধাৰা হ'ব নালাগে, চৰকাৰ খনে ভাল কাম কৰিছে আপোনালোকে অনুগ্ৰহ কৰি তাক সমৰ্থন কৰক, প্ৰশংসা কৰক। চৰকাৰ খনে যদি আৰু কিবা অধিক ভাল কাম কৰাৰ অৱকাশ আছে সেই অৱকাশ সম্পৰ্কে আপোনালোকে এটা ইতিবাচক দৃষ্টিভঙ্গীৰে বিৰোধীতা কৰক সেইটো আমি স্বাগতম জনাম। সেই বাবে মই বিশেষ নকওঁ অসমৰ মাননীয় ৰাজ্যপাল জগদিশ মুখী ডাঙৰীয়াই যি বক্তব্য দিলে সেই বক্তব্যক ধন্যবাদ জনাই আৰু আমাৰ মাননীয় সদস্য দেৱানন্দ হাজৰিকা ডাঙৰীয়াই যি বক্তব্য ৰাখিলে, যি প্ৰস্তাৱ ৰাখিছে সেই প্ৰস্তাৱক সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** সদন ৮ ফেব্ৰুৱাৰী ২০১৮ তাৰিখৰ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল ।